ASSAM
LEGISLATIVE ASSEMBLY
Debates



OFFICIAL REPORT

TENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

(Budget Session)

No. 2

The 16th March, 1995

Price Rs.44.25

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Thursday, the 16th March 1995

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS.
(To which oral replies were given)

Mr. Speaker : The position of Questions both oral and written are as follows :

Oral—1, 4, 6, 7, 8, 10 to 15, 17, 19, and 20
Deferred—3, 5, 9, 16 and 18
Written—1 to 22, 24 to 26 and 28 to 43
Deferred—23 and 27

Now Starred Question No 1, Hon'ble member Md. Mohibul Haque, Minister Irrigation is to reply.

Miscellenious

* শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ৫ নম্বৰৰ্ত ভূমি পট্টন সম্পর্কে মোৰ এটা প্রশ্ন আছিলে এইটো ডেফাৰড্ কৰাৰ

* Speech not corrected

কাৰণ কি ? গুৱাহাটী মহানগৰীত ভূমি পট্টন সম্পৰ্কত বক্তব্য ৰখাৰ বাবে আমাৰ অধিকাৰ নাই নেকি ?

* ডা. কমলা কলিতা : অধ্যক্ষ মহোদয়, প্ৰশ্ন ডেফাৰড্ কৰিছে কিন্তু কোন কোন প্ৰশ্ন ডেফাৰড্ কৰিছে, আমাক দিয়া প্ৰশ্নৰ তালিকাত তাৰ কোনো উল্লেখ নাই। এইটো কিয় হৈছে ? অধ্যক্ষ মহোদয়, যিবোৰ প্ৰশ্ন ডেফাৰড্ কৰা হৈছে, সেইবিলাকৰ তাৰিখ আপুনি নিৰ্দ্দিষ্ট কৰি দিয়ক। আমি লটাৰী কৰি বছৰত এটা প্ৰশ্ন কৰিবলৈ পাওঁ আৰু যদি তাৰো উত্তৰ নাপাওঁ তেন্তে আমি ইয়াত বহাৰ কি অধিকাৰ থাকিব পাৰে। You fix the date and time. You fix the date and give time.

Mr. Speaker . I will give a Ruling today.

* ডঃ জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, পইণ্ট অব অৰ্ডাৰ. আজি ২০ টা প্ৰশ্নৰ ভিতৰত ৫ টাই ডেফাৰড্ কৰা হৈছে। অধ্যক্ষ মহোদয়, ৰুল ৩২ ত লিখা আছে Specifically। ইয়াৰ আগতেও চৰকাৰে বাবে বাবে এই ৰুল ভংগ কৰি আহিছে, এই চৰকাৰে এটা পলায়ণবাদী মনোভাৱ লৈছে। তেওঁলোকৰ সদনত সম্মুখীন হোৱাৰ সাহস নাই। মন্ত্ৰী সকলে যদি প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে তেন্তে তেওঁলোকে ৰিজাইন দিয়ক। বিধান সভাত প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে যদি মন্ত্ৰী হৈ থকাৰ যোগ্যতা নাই।

মাননীয় অধ্যক্ষ : শৰ্ম্মা আপুনি বাবে বাবে মোলৈ ফিংগাৰ দেখুৱাই ঠিক কৰা নাই। আপুনি কিয় ইমান উত্তেজিত হব লাগে। আপুনি মোক কিয় আঙুলি দেখুৱাইছে।

---

* Speech not corrected

* ডঃ জয়নাথ শর্ম্মা : মন্ত্রী সকলে বাৰে বাৰে 'কল ৩২ অমান্য কৰি থাকিব। এইটো কেনেকৈ হ'ব। সদনত যদি সদস্য সকলৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰে তেন্তে মন্ত্রী হৈ নথকাই ভাল। গতিকে এই বিষয়ত আপুনি ৰুলিং দিয়ক।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, আপুনি ৰুলিং দিয়াৰ আগতে মই এটা কথা নটচত আনিব বিচাৰিছো। ৰাজহ বিভাগৰ এটা প্ৰশ্নৰ উত্তৰ 'অৱেলত' নিদি' ৰিটেনত' দিছে। এটা প্ৰশ্নৰ উত্তৰ যদি 'ৰিটেনত' দিব পাৰে সেই একেটা প্ৰশ্নৰ উত্তৰ কিয় 'অৱেলত' দিব নোৱাৰে।

Mr. Speaker : I am observing that requests are coming from the Ministers for deferring the questions for not getting the proper information for reply to the questions.

This should not be a reason for not furnishing reply to the questions, I feel that the right of members should be respected. Ministers should avoid as far as practicable deferring the questions in future and those will come in the next group.

* শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্ন বিলাকৰ উত্তৰ বিলাক আমাক সঠিকভাৱে সময়মতে দিব লাগে, তাৰ ব্যৱস্থা কৰিব লাগে।

Mr. Speaker : Mr. Kalita, please take your seat.

* ডঃ জয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আপোনাৰ ৰুলিংত 'প্ৰটেকটেড' কথাটো আনিব লাগে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : অধ্যক্ষ মহোদয় আপুনি যিটো ৰুলিং দিছে।

* Speech not corrected

QUESTIONS AND ANSWERS

Mr. Speaker :—Now, Question No. 1, Questioner Shri Mohibul Haque,

বিষয় : ধুবুৰী জিলাত জলসিঞ্চন আচঁনি।

মো: মহিবুল হকে, সুধিছে :

* ১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) বৰ্ত্তমান চৰকাৰৰ দিনত ধুবুৰী জিলাত কি কি জলসিঞ্চন আচঁনি গ্রহণ কৰা হৈছে ?

খ) সমষ্টি ভিত্তিত আচঁনি সমূহৰ নাম সদনৰ মেজত দাখিল কৰিবনে ?

গ) জিলাখনৰ কোন কোন আচঁনি কাৰ্য্যক্ষম হৈ আছে আৰু কোন কোন আচঁনি নিষ্ক্রীয় হৈ আছে, জনাবনে ?

ঘ) যোৱা বছৰ চৰকাৰে প্রতিশ্রুতি দিয়ামতে গৌৰীপুৰ সমষ্টিৰ ডুমৰদহ জলসিঞ্চনৰ প্রস্তুতি ইত্যাদি সম্পর্কে এটা প্রতিবেদন দিবনে ?

শ্রী জেহিকুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) এই চৰকাৰৰ দিনত ধুবুৰী জিলাত মুঠ ২২ খন আচঁনি গ্রহণ কৰা হৈছে। (বিতং বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা হ'ল। সংলগ্ন প্রপত্র নং ১) (See the Annexure— I)

খ) হয়। (বিতং বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা হ'ল। সংলগ্ন প্র-পত্র নং ১)

গ) কার্য্যক্ষম আৰু নিক্ৰীয় হৈ থকা আচঁনি সমুহৰ বিতং বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা হ'ল। (সংলগ্ন প্ৰ-পত্ৰ নং ২)
(See the Annexure—II)

ঘ) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত ডুমৰদহ জলসিঞ্চন আচঁনি চলিত যদিও এই জলসিঞ্চন আচঁনিৰ অন্তৰ্গত চাহেবগঞ্জ এলেকাত কিছু ওখ কৃষি উপযোগী ভুমিত পানী যোগান ধৰিব পৰা নাই। যাৰ বাবে সেই ওখ ভূমিখণ্ডত জলসিঞ্চন ব্যৱস্থাৰ বাবে দুটা গভীৰ নলী-নাদ বহুৱাৰ প্ৰস্তাৱ বিভাগীয় ভাবে বিবেচনাধীন হৈ আছে।

* মোঃ মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে জলসিঞ্চনৰ আচনি কোৱা হৈছে তাৰে কিমানখন কার্য্যক্ষম হৈ আছে আৰু কিমান নিক্ৰীয় হৈ আছে?

* শ্ৰী জেহিকল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, কার্য্যক্ষম আৰু নিক্ৰীয় হৈ থকা আচনি সমুহৰ বিতং বিৱৰণ সদনৰ মজিয়াত দাখিল কৰা হৈছে। সেইটো মই পঢ়ি শুনাব পাৰো, সময় লব।

* শ্ৰী নগেন শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন কৰ্ত্তাৰ প্ৰশ্ন মতে উত্তৰ হোৱা নাই।

Mr. Speaker : Questioner is there.

* মোঃ মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ধুবৰী জিলাত যি ২২টা আচনি আছে, তাৰ ভিতৰত কিমানটা কার্য্যক্ষম আৰু কিমানটা নিক্ৰীয় হৈ আছে।

* Speech not corrected

* শ্রী জেহিকুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক আচঁনি কার্য্যক্ষম হৈ আছে সেই বিলাকৰ কাম চলি আছে। তাত পানী দি থকা হৈছে। যি বিলাক কার্য্যক্ষম হৈ থকা নাই সেই বিলাকত পানী দিয়া হোৱা নাই। কার্য্যক্ষম হৈ থকা বিলাকে পানী দিয়াৰ কাম চলাই আছে।

* মো মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ২২ খন আচঁনিৰ কেইটা সক্রীয় আৰু কেইটা নিক্রীয় হৈ আছে ?

* শ্রী জেহিকুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, ২২ টা আচনিৰ কাম চলি আছে। কিছুমান পুৰণি হোৱাৰ বাবে 'ৰিমেডেলি' কৰি কার্য্যকৰী কৰা হৈছে, সেই বিলাকত কিছু কিছু পানী পাই আছে। সেই বিলাক সক্রীয় কৰাৰ বাবে কাম চলি আছে।

* শ্রী আলাউদ্দিন চৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাৰ যি আচঁনি সেইবিলাক পুৰণী আচঁনি নে নতুন ধৰণৰ স্কীমৰ চেল ফিল-টাৰ আচনি। চালু হৈ আছেনে ?

* শ্রী জেহিকুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, সেই বিলাকৰ লিষ্ট দাখিল কৰা হৈছে।

* মো: মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাবনে যে এই বিষয়ে মোৰ সমষ্টিৰ পৰা কিছুমান অভিয়োগ মন্ত্রী মহোদয়ৰ দৃষ্টি গোচৰ হৈছে নে ?

* শ্রী জেহিকুল ইছলাম (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, কেতিয়াবা এই ক্ষেত্রত অভিযোগ উঠে। মাটিত পানী নিদিয়াকৈ টেক্স আদায়

---

* Speech not corrected

কৰা হয় বা কেতিয়াবা টেষ্ক নিদিয়াৰ বাবেও পানী দিয়া নহয়। আচলতে পানী দিয়াৰ লগে লগে 'ওৱাটাৰ টেষ্ক' দিয়া দৰকাৰ।

* মোঃ মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, গৌৰীপুৰত কিবা হৈছে নেকি ?

* শ্ৰী জেহিৰুল ইছলাম (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰত দিয়া হৈছে। এষ্টিমেট অহা নাই, আহিলে দিয়া হব।

Mr. Speaker : Question No. 2, Hon'ble Member Shri Badan Barua.

বিষয় : দুই টকীয়া চাউল।

শ্ৰী বদন বৰুৱায়ে সুধিছে :

* ১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) দুই টকীয়া চাউল অসমৰ কিমান পৰিয়ালক তথা কিমান ব্যক্তিক যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছে আৰু তাৰ বাবে কিমান চাউলৰ আৱশ্যক হব ?

খ) উক্ত আৱশ্যকীয় চাউল ক'ৰ পৰা যোগান ধৰা হব ?

গ) গাওঁ পঞ্চায়ত সমবায় সমিতি বিলাকক দুই টকীয়া চাউল যোগান ধৰাৰ বাবে দায়িত্ব দিয়া হৈছে নেকি ?

ঘ) গুৱাহাটী পাইকাৰী গ্ৰাহক সমবায় সমিতিয়ে চৰকাৰৰ নিৰ্দেশমতে যোগান ধৰা দুইটকীয়া চাউলৰ বিলৰ বাবদ ১৯৯২ চনৰ মে' মাহৰ পৰা ১৯৯৫ চনৰ ফেব্ৰুৱাৰী মাহলৈ কিমান টকা পাবলগীয়া আছে।

* Speech not corrected

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (খাদ্য ও অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

ক) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা অসমৰ ৪ লাখ পৰিয়ালৰ প্ৰায় ১৬ লাখ ব্যক্তিক ২ (দুই) টকীয়া চাউলৰ যোগান ধৰি থকা হৈছে। তাৰ বাবে মাহে ৬৪০০ টন চাউলৰ প্ৰয়োজন হয়।

খ) ষ্টেটফেডে উক্ত চাউল অসমৰ বাহিৰৰ মুকলি বজাৰৰ পৰা সংগ্ৰহ কৰি যোগান ধৰে।

গ) দিয়া হোৱা নাই।

ঘ) কোনো টকা পাবলগীয়া নাই।

* শ্ৰী বদন বকুৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, গুৱাহাটী পাইকাৰী গ্ৰাহক সমবায় সমিতিয়ে দুটকীয়া চাউলৰ ক্ষেত্ৰত যি ২০ লাখ টকাৰ কথা বাতৰি কাকতত দিছে সেইটো সঁচা নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই (ঘ) প্ৰশ্নৰ উত্তৰত কৈছো কোনো টকা পাবলগীয়া নাই।

* শ্ৰী বদন বকুৱা : মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে দুইটকীয়া চাউল যোগান হৈ আছে, সেইটো হোৱা নাই। যি বিলাক গাৱত সমবায় সমিতি আছে তাত দুইটকীয়া চাউল দিয়া নাই। যদি ধৰিছে সেইবোৰ কেনেকৈ ধৰিছে।

---

* Speech not corrected

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সেইবোৰ ষ্টেট ফেড্ যোগান দিছে।

* শ্ৰী বদন বৰুৱা - মাননীয় অধ্যক্ষ মহোদয়, সেইবোৰ কাক দিছে আৰু কেনেকৈ দিছে ? গাওঁ বিলাকত কেনেকৈ দিছে ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ প্ৰশ্নোত্তৰত কৈছো দুইটকীয়া চাউলটো দিয়া হৈছে গাওঁ পঞ্চায়তৰ সমবায় সমিতিৰ এজেণ্ট কৰি তেওঁলোকৰ জৰিয়তে বিতৰণ কৰাৰ ব্যৱস্থা আছে।

* শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে দুখীয়া লোক সকলৰ মাজত এই দুটকীয়া চাউল বিতৰণ কৰা হৈছে। কিন্তু মই এটা কথা কব খোজো যে এই দুটকীয়া চাউল দুখীয়া মানুহে পোৱাতকৈ ধনী মানুহকহে দিয়া হৈছে। মই এনে মানুহ বিধান সভাৰ মজিয়াত থিয় কৰাব পাৰো যাৰ ঘৰত ৬ জনকৈ চৰকাৰী চাকৰিয়াল আছে তেনে মানুহকো দুটকীয়া চাউল যোগান ধৰা হৈছে। এনে ধৰণৰ মানুহকো দুটকীয়া চাউল যোগান ধৰিবলৈ দিয়া হৈছে নেকি ? যদি হোৱা নাই তেনেহলে এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কৰবাত যদি এনে হৈছে তেনেহলে মাননীয় সদস্য গৰাকীয়ে মোক লিখিত ভাবে দিলে মই নিশ্চয় ব্যৱস্থা লম।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে গাওঁ পঞ্চায়ত সমবায় সমিতি

---

* Speech not corrected

সমুহে এই দুটকীয়া চাউল উঠাই নি বাইজৰ মাজত বিতৰণ কৰা ক্ষেত্ৰত গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে যথেষ্ট টকা ভৰিব লগা হৈছে আৰু সেই টকা তেওঁলোকক দিবলৈ বাকী আছে এই ক্ষেত্ৰত যোগান বিভাগে কি ব্যৱস্থা লৈছে ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এনে ঘটনা ক'ৰবাত হৈছে আৰু এই বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত আমি ব্যৱস্থা লৈ আছো।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সদনক মিচলেড কৰিছে। গাওঁ পঞ্চায়ত সমিতি সমুহে এই দুটকীয়া চাউল ক্ৰয় কৰি বাইজৰ মাজত বিতৰণ কৰিব লগা হৈছে আৰু তাৰ ফলত সমবায় সমিতি সমূহ দেউলীয়া হৈ পৰিছে। তেওঁলোকক বিভাগে লাখ লাখ টকা দিবলৈ বাকী আছে। এই ক্ষেত্ৰত কি ব্যৱস্থা লৈছে স্পষ্টকৈ জনাব নে ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহে এই চাউলৰ কেৰিং চাৰ্জটোহে দিব লগা হৈছে। তেওঁলোকে চাউলৰ বাবে এক পইচাও দিব লগা হোৱা নাই।

* শ্ৰী আব্দুল জেলিল বাগিবী : অধ্যক্ষ মহোদয়, আমাৰ যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে দুখীয়া পৰিয়ালৰ মাজত দুটকীয়া চাউল যোগান ধৰা বুলি কৈছে। মই হেহেতৰ পৰা এটা কথা জানিব খুজিছো যে হেহেতে নিজৰ সংগ্ৰহ হোজাই আৰু তাৰ ওপৰেৰে সংগ্ৰহ কাৰ্যালয়ত কিমান দুখীয়া লোকৰ মাজত এই চাউল বিতৰণ কৰিছে সেইটো জনাবনে ?

* Speech not corrected

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে : অধ্যক্ষ মহোদয়, এই তথ্যখিনি বৰ্ত্তমান মোৰ হাতত নাই। এইটো পিচত জানিব পাৰিম।

(Starred Question No. 3 was deferred)

Mr. Speaker. Now Question No. 4, Hon'ble Shri Dhruba Kr. Sen.

বিষয় : মুক্তি যুজাকলৈ মাটি পট্টন।

শ্রী ধ্রুব কুমাৰ সেনে সুধিছে :

* 4. মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) বৰ্ত্তমান অসমত যি সকল স্বাধীনতা মুক্তি যুজাক জীৱিত আছে, চৰকাৰে তেওঁলোকৰ কাৰণে কোনো মাটি পট্টন দিয়াৰ ব্যৱস্থা লৈছে নেকি ?

খ) যদি কোনো মুক্তি যুজাক খাচ মাটিত বসবাস কৰি আছে তেনেহলে তেওঁলোকে মালিকানা নাইবা অধিকাৰ শুল্ক (Premium) দিব লাগিব নেকি ?

শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) জীৱিত মুক্তি যুজাককো সামৰি লৈ সকলো ভূমিহীন পৰিয়ালক ভূমি নীতি মতে মাটি পট্টন দিয়াৰ ব্যৱস্থা আছে।

খ) যদি মুক্তি যুজাকজন ভূমিনীতি মতে ভূমি পোৱাৰ যোগ্য তেনেহলে তেনে মুক্তি যুজাকক ভূমিনীতিৰ নিয়ম অনুসৰি মাটি পট্টন দিয়াৰ

* Speech not corrected

ব্যৱস্থা আছে। তেনেদৰে পট্টন পাৰ পৰা মাটি যদি গাওঁ অঞ্চলত খেতিৰ বাবে হয় তেনেহলে কোনো প্ৰিমিয়াম দিব নালাগে। যদি তেনে মাটি নগৰ অঞ্চলত অৱস্থিত হয় আৰু গুৱাহাটী মহানগৰীৰ সীমাৰ পৰা ১০ কিঃ মিঃ ভিতৰত হয় আৰু অন্যান্য চহৰৰ বেলিকা যদি ৩ কিঃ মিঃ ভিতৰত হয় তেনেহলে প্ৰিমিয়াম লোৱাৰ ব্যৱস্থা আছে। কিন্তু মুক্তি যুজাকৰ ক্ষেত্ৰত প্ৰিমিয়াম শতকৰা ২৫ ভাগ ৰেহাই দিয়াৰ বাবে চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(সদনত গন্ধগোল)

* শ্ৰী ধ্ৰুব কুমাৰ সেন : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে আজিলৈকে কিমান জন মুক্তি যুজাকৰে মাটি বিচাৰি আবেদন কৰিছে ?

* শ্ৰী মুকুট শৰ্মা (ৰাজহ মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি এতিয়ালৈকে এজন মুক্তি যুজাকৰ পৰা মাটি বিচাৰি আবেদন কৰা নাম পাইছো।

* শ্ৰী ধ্ৰুব কুমাৰ সেন : মাটি বিচাৰি আবেদন কৰা মুক্তি যুজাকজনৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

* শ্ৰী মুকুট শৰ্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য গৰাকীক জনাব খুজিছো যে এনে ধৰণে মাটি বিচৰা মুক্তি যুজাক জনৰ নাম ধুবুৰী জিলাৰ উপাযুক্তৰ পৰা আহিছে আৰু এইটোৱেই প্ৰথম কেচ হোৱা বাবে আমি এখন কেবিনেট মেমোৰেণ্ডাম তৈয়াৰ কৰি মুক্তি যুজাক জনৰ ক্ষেত্ৰত ২৫ শতাংশ প্ৰিমিয়াম কমাব পাৰি নেকি সেই বিষয়ে ব্যৱস্থা কৰি আছো।

* Speech not corrected

* শ্রীধ্রুব কুমাৰ সেন : মাননীয় মন্ত্রী মহোদয়ে এই বিভাগৰ দায়িত্ব লোৱাৰ পিচৰ পৰা ৰৰাক ভেলিৰ পৰা তেনে কিমানটা পলিচি আহিছে আৰু কিমানটা চৰকাৰে কনচিদাৰ কৰিছে সেইটো জনাব নে ?

* শ্রী মুকুট শর্মা (মন্ত্রী) : অধ্যক্ষ মহোদয়, এইটো মোৰ এতিয়া মনত পৰা নাই। পিচত কব পৰা হব।

* ড: জয়নাথ শর্মা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে হাউচক মিচলিড কৰিছে? তেখেতে উত্তৰ দিওঁতে বিভাগীয় ৰেকর্ড পাতি চায় দিব লাগে। 'মনত পৰা নাই' বুলি কলেই নহব।

* মুকুট শর্মা (মন্ত্রী) : অধ্যক্ষ মহোদয়, এই বিষয়ত তথ্য বর্ত্তমান মোৰ হাতত নাই।

* শ্রী নগেন শর্মা : অধ্যক্ষ মহোদয়, এতিয়ালৈকে এজন মুক্তি যুজাকৰে মাটি বিচৰা বুলি মন্ত্রী মহোদয়ে উত্তৰ দিছে। কিন্তু ৰৰাক ভেলিত ৮ জন মুক্তি যুজাকক মাটি দিয়া বুলি ওলাইছে। গতিকে এইবোৰৰ ৰেকর্ড পাতি তেখেতৰ হাতত নাই।

* শ্রী হিতেন্দ্র নাথ গোস্বামী : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে যুজাকৰে এতিয়া এজন মুক্তি মাটি বিচৰাত নতুনকৈ কেবিনেট মেমোৰেণ্ডাম তৈয়াৰ কৰিব লগা হৈছে বুলি কৈছে। কিন্তু ইতিমধ্যে ৮ জনক মাটি দিয়া বুলি অভিযোগ উঠিছে। গতিকে তেখেতে হাউচক মিচলিড কৰা নাই নেকি ?

* শ্রী চন্দ্র মোহন পাটোৱাৰী : চাৰ, ইতিমধ্যে বহুবাৰ কৈছে যে মন্ত্রী সকল প্রশ্নৰ উত্তৰৰ ক্ষেত্রত খ'ব' হব লাগে। কিন্তু আজিলৈকে মন্ত্রীসকল

---

* Speech not corrected

খ'ৰ' হোৱা নাই। গতিকে আপুনি এই দিশত হস্তক্ষেপ কৰিব লাগে। আপোনাৰ পৰা কলিং দিব লাগে।

৩ শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা : আপুনি কলিং দিব লাগে চাৰ।

* শ্রী অতুল বৰা : চাৰ, গুৱাহাটী মহানগৰীত যি সকল ভূমিহীন মানুহ বহি আছে সেই সকলক বিনামূলীয়া হিচাবে মাটি দিয়াৰ কথা চিন্তা কৰিছে নে নাই জানিব বিচাৰিছো। তাকে নকৰি ষাঠি সত্তৰ হাজাৰ দিবলগীয়া হলে মানুহখিনিয়ে অসুবিধাত পৰিব। তেওঁবিলাকে নিজেই ভিতৰুৱা অঞ্চলৰ মাটি ভাঙি উন্নয়ন কৰি থাকিবলৈ লৈছে। এতিয়া ঘপহ কৈ মাটিৰ কাৰণে পঞ্চাশ ষাঠি হাজাৰ দিবলৈ নোটিচ দিয়া হৈছে কাৰণে সেই সকল বিপদত পৰিছে। মই নিজেও সেই সকলক বিনামূলীয়াকৈ মাটি দিয়াৰ কাৰণে হাংগাৰ ষ্ট্ৰাইক কৰিছো। সম্প্রতি তেনে লোক সকলক বিনামূলীয়াকৈ মাটি দিয়াৰ চিন্তা কৰিব নে ?

* শ্রী মুকুট শর্ম্মা (ৰাজহ মন্ত্রী) : গুৱাহাটী মহানগৰীত বিনামূলীয়াকৈ মাটি দিয়াৰ কথা চিন্তা কৰা নাই।

* শ্রী অতুল বৰা : গুৱাহাটী মহানগৰীত মাটি ভাঙি বহা লোক সকল ঘাইকৈ গড়াখহনীয়া বিধ্বস্তলোক আৰু অসমৰ বিভিন্ন ঠাইৰ পৰা অহা অতি গৰীব মানুহ। আমি ১৯৮৮ চনত এক কঠা পাচ লেচা, এক কঠা দহ লেচাকৈ দুই অক্টোবৰৰ গান্ধী জয়ন্তীৰ দিনাখন আঠটা পৰিয়ালক তেনেহলে মাত্র তিনি হাজাৰ টকাকৈ প্রিমিয়াম লৈ দিছিলে। গতিকে এতিয়াও সোনকালে বিবেচনা কৰি বিনামূলীয়াকৈ মাটি দিয়াৰ ব্যৱস্থা কৰিবনে ?

---

* Speeeh not corrected

* শ্রী চন্দ্র মোহন পাটোৱাৰী : মন্ত্রীক উত্তৰ দিবলৈ দিব লাগে চাৰ।

মাননীয় অধ্যক্ষ : সেইটোৰ উত্তৰ দিয়া হৈছে।

* শ্রী চন্দ্র মোহন পটোৱাৰী : হাতত তথ্য নাই যদি পিচত দিম বুলি কৈ দিয়ক। সেইবুলি প্রশ্নৰ উত্তৰ এৰাই গলে নহৰ।

(কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো কথা স্পষ্ট ভাবে জনা নাযায়।)

* শ্রী জয়নাথ শর্ম্মা : চাৰ, আপুনিও আঙুলি জোকাৰি ৰৈ আছে।

মাননীয় অধ্যক্ষ : এজন মন্ত্রীয়ে কি উত্তৰ দিছে আমি কব নোৱাৰো নেকি ? মই শুনিছো।

* Shri Chandra Mohan Patowary : Sir, you cannot answer on behalf of Minister.

(কেবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়।)

(Starred Question No. 5 was deferred)

মাননীয় অধ্যক্ষ : এতিয়া তৰা চিহ্নিত প্রশ্ন নং ৬

Re : S.K. OIL DEPOTS IN JAMUNAMUKH CONSTITUENCY.

---

* Speech not corrected

Shri Moulana Abdul Jalil Ragibi, asked :

6. Will the Minister of Food and Civil Supplies be pleased to state :

a) What is the total No. of S.K. Oil Depots in Jamunamukh Constituency ? (Names of the Depot & place of the same situated be mentioned).

b) Total No. of S.S. & hawkers under each Depot alongwith the No of retailers under each Depot ?

c) Total No. of population under each Depot ?

d) Total quantity of S.K. Oil is being sanctioned to each Depot per month ?

e) Total No. of S.K. Oil Depot in Hojai and Lumding Constituencies and the total quantity of S.K. Oil to each Depot of each constituency ? (Total population under each Constituency be mentioned).

Dr, Ardhendu Kr. Dey, (Minister) replied

S.K. Oil is not alloted constitueney wise and sub-division wise. However, the following information are furnished as sought for by the Hon'ble Minister.

a) There are two S.K. Oil Depots in Jamunamukh constituency.

1) M/S Rajendra Prasad, Pradip Kumar & Co. at Doboka.

2) M/S Nilbagan Auto Sales Centre at Nilbagar.

b) Total No. of GPSS, Hawkers and Retailers tagged to the S. K. oil Depots are as under :

		GPSS	Hawker	Retailers
i)	M/S Rajendra Prasad Pradip Kumar & Co. Dobaka.	5	80	40
iii)	M/S Nilbagan Auto Sales Centre, Nilbagan,	1	51	10
	Total	6	131	5o

c) M/S Rajendra Prasad Pradip Kumar & Co. covers a population of 1,8a,035 and 70.636 by M/S Nilbagan Auto Sales Centre out of 5,50,671. total population under Jamunamukh constituency.

d) S.K. oil allotted to each S.K. oil Depot under Jamunamukh constituency per month is as follows .

i) M/S Rajendra Prasad Pradip Kumar & Co. at Doboka. —140 KL or 1,40,000 litres.

ii) M/S Nilbagan Auto Sales Centre - 46 KL or Nilbagan. 46,000 litres.

e) There are 5 S.K- Oil depots in Hojai and 3 in Lumding constituency. Total Population covered and allotment of S.K. Oil per month are as under :

	Hojai constituency	Allotment	Population
1)	M/S Rajendra Prasad Pradip Kumar & Co. Hojai.	100 KL or 1,00,000 liters.	89658
2)	M/S R.K. Das, Hojai	70 KL or 70,000 liters	62292
3)	M/S Janakilal Chaturbhuj, Hojai.	55 KL or 55,000 litres	54608
4)	M/S Rajendra Prasad, Lanka (Partly supplies for Hojai constituency)	34 KL or 34 000 litres	10,338
5)	M/S Janakilal Chaturbhuj, Lanka. (partly supplies for Hojai constituency)	55 KL or 55,000 litres	10,338
	Lumding constituency	Allotment	Population
1)	M/S Punam Agency, Lumding.	130 KL or 130,000 litres	1,00,988

2)	M/S Rajendra Prasad & Pradip Kr. & Co. Lanka,	105 KL or 105,000 litres	1,23,197
3)	M/S Janakilal Chaturbhuj, Lanka.	73 KL or 73,000 litres	1,28,585

* শ্রী আব্দুল জেলিল বাগীবি : মাননীয় অধ্যক্ষ মহোদয়, লামডিং, হোজাই আৰু জমুনামুখ এই সমষ্টি কেইটাৰ জনসংখ্যা কিমান আৰু সেই অনুপাতে কেৰাছিন তেল বিতৰণ কৰা হৈছে নে নাই এই বিষয়ে মই প্ৰশ্ন কৰিছিলো। মন্ত্ৰী মহোদয়ে কৈছে যে এই বিষয়ৰ উত্তৰ টেবুলত ৰখা হৈছে। মাননীয় অধ্যক্ষ মহোদয় মই জানিব বিচাৰিছো যে হোজাই, জমুনামুখ আৰু লামডিঙৰ মানুহে জনসংখ্যা অনুপাতে কেৰাছিন তেল পাইছে নে নাই। নাৰ্য্য ভাবে তেল পাইছে নে নাই। এই ক্ষেত্ৰত বৈষম্য কৰা হৈছে নেকি। তেওঁলোকে পাৰ-লগীয়া তেলখিনি পাইছে নে নাই।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এইটো প্ৰশ্ন কৰিব মই জানো সেই কাৰণে মই সাজু হৈ আহিছো। হোজাই লামডিং আৰু জমুনামুখ সমষ্টিত জনসংখ্যা তিত্তিত এনেধৰণে দিয়া হৈছে। হোজাই ৩,১১,৯৩৫ জমুনামুখ ২,৫০,৬৭০ আৰু লামডিং সমষ্টিত ২,৩৭,৩৯০ জনক। তেলৰ পৰিমান হ'ল হোজাই ২,৫৭,০৯৭ লিটাৰ দিয়া হয়, সেইটো জনমুৰি হিচাবে ভাগ কৰিলে ৪'১২ লিটাৰ প্ৰতিটো পৰিয়ালে পায়। জমুনামুখত ২,১৩,৯৩৩ লিটাৰ। জনমুৰি ভাগ কৰিলে ৪'২ লিটাৰ লামডিং সমষ্টিত ২,৩৪,৯৭০ লিটাৰ। জনমুৰি ৪'৭ লিটাৰ কৈ পৰে।

---

* Speech not corrected

* শ্রী আব্দুল জেলিল বাগীবি : মাননীয় অধ্যক্ষ মহোদয়, প্রতি পবিয়ালে যদি মাননীয় মন্ত্রী মহোদয়ে কোৱাৰ দৰে পায়ে তেতিয়াহলে ৰজাৰত ১০-১২ টকা দৰত কেনেকৈ কেৰাচিন তেল বিক্রী হৈছে।

villages were not electrified, production of S.K. Oil was less, Now a days all the villages in our state have been electrified and use of S K Oil has become less. I want to know from the Hon'ble Minister why this crisis is going on and public have been compelled to purchase K. Oil at Rs. 11 per ltr, why ?

অধ্যক্ষ মহোদয় আগৰ দিনত বিজুলী বাতি নাছিল তেতিয়াৰ কথা বেলেগ আছিল কিন্তু আজিকালি বিজুলী চাকিও আছে মানুহে কেৰাছিন তেল তুলনামুলক ভাবে কম ব্যৱহাৰ কৰে তথাপিও ইমান কেৰাচিনৰ অভাৰ কিয়। মন্ত্রী মহোদয়ে জনাব নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে ৰজাৰত ১০-১২ টকা দৰত কেৰাচিন তেল বিক্রী কৰা হৈছে। কিন্তু আমাৰ যি পেৰেলেল মার্কেত আছে তাৰপৰা আমি গম পাইছো যে তাত ৮-৯ টকা দৰতো কেৰাচিন তেল বিক্রী হোৱা নাই গতিকে বাহিৰত কেনেকৈ ১০-১২ টকা দৰত বিক্রী হব।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে যি পেৰেলেল মার্কেটৰ কথা কৈছে সেইটো সত্য নহয়। এতিয়াও ৰজাৰত ১০-১২ টকা দৰত কেৰাচিন তেল বিক্রী কৰি আছে।

---

* Speech not corrected

আমি এতিয়াই মন্ত্রী মহোদয়ক দেখুৱাব পাৰো। গতিকে কথা হৈছে মন্ত্রী মহোদয়ে এই ক্ষেত্রত কিবা ব্যৱস্থা লব নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্রী) : মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য শ্রী পাটোৱাৰী ডাঙৰীয়াৰ উত্তৰত কৈছো এই ক্ষেত্রত ইতিমধ্যে বহুটো ব্যৱস্থা লোৱা হৈছে। ব্লেক মার্কেটৰ বহুটো কেৰাচিন তেল জব্দ কৰা হৈছে। আমাৰ তেল ১০-১২ টকাত বিক্রী কৰা হোৱা নাই।

* শ্রী চন্দ্র মোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে সত্য কথা কোৱা নাই। যোৱা কালিও আমি ৰজাৰলৈ গৈছিলো আৰু তাত দেখিছো যে ১২ টকা দৰত কেৰাচিন তেল বিক্রী কৰি আছে : গতিকে মন্ত্রী মহোদয়ে ইয়াৰ ব্যৱস্থা লব নেকি ?

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয় মাননীয় মন্ত্রী মহোদয়ে যিটো উত্তৰ দিছে সেইটো সত্য হব নোৱাৰে। মন্ত্রী মহোদয়ে জনসংখ্যাৰ হিচাব দিছে তাৰ পৰা তেখেতে পৰিয়াল ভাগ কৰিলে কেনেকৈ। পৰিয়ালে প্রতি লিটাৰৰ কথা কৈছে। তেখেতে কেনেকৈ ভাগ কৰিলে। ১২ টকা দামত আজিও কেৰাচিন তেল বিক্রী হৈ আছে। আমি মন্ত্রী মহোদয়ক দেখুৱাই দিব পাৰিম, আমাৰ লগত ওলাওক। আমি এই কথাত চেলেঞ্জ কৰিছো।

* শ্রী ৰমেন্দ্র নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, আমি দেখিছো যে গুৱাহাটীৰ গলিয়ে গলিয়ে ১২ টকা দামত কেৰাচিন তেল বিক্রী কৰি আছে। গতিকে আমি বিচাৰিছো যে যি কণ্ট্রোলিং ব্যবস্থা আছে সেইটো উঠাই দিয়ক। ডি-কণ্ট্রোল কৰি মুকলি কৰি দিয়ক।

---

* Speech not corrected

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ডি-কণ্ট্ৰোল কৰা ক্ষমতা আমাৰ নাই। এই ক্ষমতা কেন্দ্ৰীয় চৰকাৰৰহে আছে।

* ডাঃ কমলা কলিতা : মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি কৰিব নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ডি-কণ্ট্ৰোল কৰিলে নিয়ন্ত্ৰনৰ বাহিৰলৈ যাব।

* শ্ৰী আব্দুল জেলিল বাগিবী : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান কেৰাচিনৰ প্ৰডাকচন বাঢ়িছে এনে ক্ষেত্ৰত ১০/১২ টকাত কিনিব লগা হয় কিয় ইয়াৰ কাৰণ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে ১০/১২ টকাত কেৰাচিন তেল কিনা বলি স্বীকাৰ কৰিব লাগিব যদিও তেখেতে পেৰেলেল মাৰ্কেটৰ কথা কৈছে। হোজাই চাব ডিভিজনত যিমান কেৰাচিন দিয়া হয় সেই তেল হোজাই চাব ডিভিজনৰ কিছু বাহিৰলৈ যায় বুলি মন্ত্ৰী মহোদয়ে জনাব নেকি ?

মাননীয় অধ্যক্ষ : অপুনি যি কৈছে ধৰিব পৰা নাই, ভালকৈ কওঁক।

* শ্ৰী আব্দুল জেলিল বাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে হোজাই চাব ডিভিজনত যিমান তেল এলোট কৰা হয় সিমানখিনি বিতৰণ নকৰি হোজাই চাবডিভিজনৰ বাহিৰলৈ পঠাই দিয়া হয় নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, কথাটো সত্য নহয়।

---

* Speech not corrected

(Starred Question No. 7 was lapsed)

Mr. Speaker : Now Question No 8, Hon'ble Member Shri Sasha Kamal Handique.

Re : ILLEGAL OCCUPATION IN CHAR AREA.

Shri Sashakamal Handique asked:

*8. Will the Minister of Revenue be pleased to State :

a) Whether it is a fact that huge illegal occupation is going on in "Chsr Area" created through siltatation in bed of River Brahmaputra opposite to Dibrugarh Town ?

b) Whether it is also a fact that some undesired elements were settled in the same area ?

c) Whether it is a fact that for this illegal settlement or occupation huge illegal transaction is going on ?

Shri Mukut Sarma (Minister Revenue) replied

a) Yes.

b) No.

c) No.

* শ্রী শশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ প্ৰশ্নৰ (এ) মাননীয় মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে, (বি) আৰু (চি)ৰ উত্তৰত তেখেতে

* Speech not corrected

কৈছে 'নো'। কিছুমান ক্রিমিনেলচৰ নিচিনা মানুহে মাটি দখল কৰিছে, সেই চৰৰ মাটি দখল কৰিবৰ কাৰণেই আছে। মাননীয় বান মন্ত্ৰী মহোদয় আছে, সেই বিলাক মানুহে ইলিগেল কৰি আছে, বান মন্ত্ৰীক সুধক। যোৱা ১৫ বছৰে অকল ভূমিৰ সমস্যাই আছে, এতিয়া ব্ৰহ্মপুত্ৰৰ বুকুত চৰত হাজাৰ হাজাৰ মানুহে বেদখল কৰিছে। সেই সকল অৰিজিনেল কি, কোন কৰ নোৱাৰি ক্রিমিনেল নেকি? তাত নানা ঘটনা ঘটি আছে। সেই মাটি ৰক্ষা কৰাৰ কাৰণে আজি ব্যৱস্থা লব লাগিব। মন্ত্ৰী মহোদয়ে উত্তৰ দিছে কেৱল নো, নো, ক্ষেত্ৰত কিবা ব্যৱস্থা লব নেকি।

• শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া. এইটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। ডিব্রুগড় টাউনৰ বিপৰীতে ব্ৰহ্মপুত্ৰৰ পাৰত কিছুমান লোকে বেদখল কৰিছে, তাৰ কাৰণে আমি জিলা উপায়ুক্তক এচ্ছেদ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে, সেই মতে উপায়ুক্তই ব্যৱস্থা লৈছে।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, ৰাতৰি কাকতত নিউজ ওলাইছে, এই ক্ষেত্ৰত আই, এচ, আইৰ কথা আছে এইটো সত্য যে তেওঁলোক বাহিৰৰ পৰা আহিছে। আগতে এনেকুৱা মানুহক আটক কৰি ৰখা হৈছিল। এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে কব লাগে, আই, এচ, আই জানে নে নাই ?

* শ্ৰী মুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া. আই, এচ, আই, নকওঁ, চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। সেইটো নতুন চৰ তাত কিছুমান লোকৰ বেদখল হৈছে। ইতিমধ্যে জিলা উপায়ুক্ত বেদখলৰ কথা কোৱা হৈছে।

• শ্ৰী নজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, ডিব্রুগড়ৰ যি চৰ আছে

* Speech not corrected

সেই মানুহ বিলাক আমাৰ ইয়াৰে, ৰৰপেটা, গোৱালপাৰা আদি বিভিন্ন ঠাইৰ পৰা গৈ তাত আছে। উচ্ছেদৰ ব্যৱস্থা হলে বেয়া হব।

* শ্রীভূপেন ৰায় : মাননীয় অধ্যক্ষ মহোদয়, ৰঙাইগাওঁ জিলাত যোৱা কালি মই জনাত ৫০ হেজাৰ মানুহ চৰকাৰে বহুৰাইছে। সেই বিলাকক উচ্ছেদ কৰিব নেকি ?

* শ্রী মুকুট শর্ম্মা : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই তথ্য মোৰ হাতত নাই। মাননীয় সদস্যই মোক দিলে মই চাব পাৰিম :

* শ্রী মহিবুল হক : মাননীয় অধ্যক্ষ মহোদয় ডিব্রুগড় টাউনৰ বিপৰীতে যিখন চৰ আছে তাত থকা মানুহ বিলাকৰ নাগৰিকত্ব আছে নে নাই ?

* শ্রী মুকুট শর্ম্মা (মন্ত্রী) : এই বিষয়টো জিলা উপাযুক্তক চাবলৈ দিয়া হৈছে।

(Starred Question Nos. 9, 16 and 18 were deferred)

(Starred Question Nos. 10 to 15, 17, 19 and 20 could not be taken up for disposal as the Question Hour is over. However, the replies deemed to have been laid in the Table of the House)

Re : HOUSERENT OF COMPENSATION OFFICE AT KARIMGANJ.

Shri Mission Ranjan Das, asked :

10. Will the Minister of Revenue be pleased to State :

a) Why the rent of Compensation Office at Karimganj has not been paid to its owner which was due from 1. 4. 92.

b) What will be the total rent from 1 4.92 to 31.3.95 ?

c) What are the reasons for delay in paying the rent to the owner ?

d) Whether the Govt. will give interest or benefit to the owner for delay in paying rent to the owner and what are the Govt. rules in this regard ?

e) Wnen all this accumulated rent will be paid to the owner ?

Shri Mukut Sarma (Revenue Minister) replied :

a) The House rent for the period from April '92 to November '92 has since been paid. Rent from the period December'92 is yet to be paid

b) The total rent from 1.4.92 to 31.3.95 will be Rs. 85,140/-@ Rs- 2365/-P.M. out of which Rs. 18,920/- has already been paid.

c) Due to paucity of fund.

d) Govt. liabilities are discharged on availability of funds. subject to observance of formalities.

e) The rent will be paid as and when fund will be available.

বিষয় : ক্ষতিগ্রস্থ পৰিয়ালৰ সংখ্যা।

শ্রী নজমুল হকে সুধিছে :

* ১১। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) কোকৰাঝাৰ বঙ্গাইগাওঁ আৰু বৰপেটা জিলাত সংঘৰ্ষত ক্ষতিগ্রস্থ পৰিয়ালৰ সংখ্যা কিমান জিলা ভিত্তিত সংখ্যা জনাবনে ?

খ) পুনৰ বাসন সাহায্য দিয়া পৰিয়ালৰ সংখ্যা কিমান আৰু কিমান পৰিয়ালে এতিয়ালৈকে সাহায্য পোয়া নাই সদনক জনাবনে ?

গ) উক্ত জিলা ৩ খনত পুনৰ বাসনৰ নামত মুঠ কিমান টকা খৰছ কৰা হৈছে ?

শ্রী গোপীনাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী) উত্তৰ দিছে ?

ক) ক্ষতিগ্রস্থ পৰিয়ালৰ সংখ্যা কোকৰাঝাৰ জিলাত ৩৯০৪ টা, বঙ্গাইগাও জিলাত ১৫৪৪ টা আৰু বৰপেটা জিলাত ৬৯৮১ টা।

খ) কোকৰাঝাৰ জিলাৰ ২৯২২ টা, বঙ্গাইগাও জিলাৰ ১৩৪১ টা আৰু বৰপেটা জিলাৰ ৬৩২৯ টা পৰিয়ালক পুনৰ বাসন সাহায্য দিয়া হৈছে।

এতিয়ালৈকে কোকৰাঝাৰ জিলাৰ ৯৮২ টা, বঙ্গাইগাও জিলাৰ ১০১ আৰু বৰপেটা জিলাৰ ৬৫২ টা পৰিয়াল পুনৰ বাসন সাহায্য পাবলৈ বাকী আছে।

গ) পুনৰ বাসন সাহায্যৰ নামত কোকৰাঝাৰ জিলাত মুঠ ১,৪৬,২৬,০০০.০০ টকা, বঙ্গাইগাও জিলাত মুঠ ১,২০,৬৯,২২০.০০ টকা আৰু বৰপেটা মুঠ জিলাত ৬,৩২,৯০,০০০.০০ টকা খৰছ কৰা হৈছে।

Re : PREPARATION OF LIST OF CANDIDATE

Shri Giasuddin Ahmed asked :

• 12. Will the Minister of Employment be pleased to state.

a) What procedure an Employment Exchange follows in preparing List of candidates be forwarded to the appointing authority, when called up to do so ?

Shri Silvius Condpan (Minister, Employment) replied:

a) On receipt of Notification of vacancy/vacancies from the appointing authority the concerned Emyloyment Exchange submits list/lists of registrants as per requisites prescribed by the Employer in the Notification. Generally, names of candidates are submitted at a ratio of 1 :20 on the basis of seniority of registration. The list so prepared is placed befere the Local Committee, on Employment attached to the Exchange which is to sit once in month, for its approval. The list/lists so prepared and approved by the said Committee is are forwarded to the Employer.

বিষয় :— আঁচনিৰ ধন।

শ্ৰী মিলন বড়োই সুধিছে :

* ১৩। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নেকি ?

ক) বৰপেটা জিলাত যোৱা ১৯৯১ ৯০, ১৯৯১-৯৩, ১৯৯৩ ৯৪ আৰু

১৯৯৪-৯৫ বিত্তীয় বর্ষ বিলাকত মীন বিভাগে জনজাতি উপ পৰিকল্পনা শিতানত Reclamation of Derelict Water Bodies, Training in Fisheries, Duck-cum-fish cultur, Pig-cum-Fish culture. Assistance to Pisciculturists for reclamation fish seed Farming আৰু Incentive to Fish Seed & producer growers in Private Sectors আদি অঁচনিত কিমান কিমান আৱণ্টিত ধন মোকোলাই দিছিল বিতং তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

খ) উক্ত অঁচনি সমূহৰ দাৰা উপকৃত হোৱা জনজাতি লোক সকলৰ নাম ঠিকনা সহঃ বিতং তালিকা উল্লেখিত বিত্তীয় বর্ষ অনুসৰি জনাবনে ?

শ্রী চিলভিউচ কন্দপান, (মীন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) তালিকা সংলগ্ন কৰি দিয়া হ'ল।

সংযোজন 'ক' চাওক। (See the Annexure—III)

খ) উপকৃত হোৱা লোক সকলৰ নাম ঠিকনা সহঃ বিতং তালিকা সংলগ্ন কৰি দিয়া হ'ল।

সংযোজন 'খ' চাওক (See the Annexure—IV)

Re : IRRIGATION PROJECT OF KATIGARA CONSTITUENCY.

Shri KaliRanjan Deb asked :

* 14. Wll the Minister of Irrigation be pleased to state :

a) Whether incomplete Irrigation Project of Mehadubur, Natempur & Fulbari in Katigora Constiucney of

Cachar District will be completed within the current financial year ?

b) If not, why ?

c) Whether Government have any proposal to start a new Irrigation Scheme at Khelma ph-II in Katigorn for Irrigation of vast paddy field comprising about 2000 bighaos to help grow boro paddy, the owner of which is about 30% scheduled caste people.

Shri Zahirul Islam (Minister of Irrigation) replied :

a) Rajeswarpur Mahadevpur L.I.S. could not be put into operation due to non sanction of the load by the A.S.E.B.

Natanpur L.I.S. was completed in 1991-92 but sustained damages during the floods of 1993. The restoration work is in progress and expected to be put into operation during this financial year.

Regarding Fulbari L.I.S the acquisition of land is yet to be made. Further the load sanction from A.S.E.B. is awaited and bence cannot be put into operation during this financial year.

b) As indicated in the reply at 'a' above.

c) Yes, the proposal is under examination.

বিষয় : ঘূর্ণীঝড়ে ক্ষতিগ্রস্থ শিক্ষা প্রতিষ্ঠানের জন্য আর্থিক সাহার্য্য।

শ্রী প্রনব কুমার নাথে জিজ্ঞাসা করছেন :

০ ১৫। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জনাবেন কি ?

ক) বিগত ১৭-১--৯৫ ইং তারিখে করিমগঞ্জ জিলাধিপতির উপস্থিতিতে জিলার সকল বিধায়কদের নিয়ে অনুষ্ঠিত সভায় প্রতিটি নির্বাচন সমষ্টি ভিত্তীক বিগত ঘূর্নিঝড়ে ক্ষতিগ্রস্থ শিক্ষা প্রতিষ্ঠানের জন্য আ র্থিক সাহায্য দেওয়ার যে তালিকা সরকারের নিকট প্রেরণ করা হয়েছিল, এব্যাপারে কি কিপদক্ষেপ নেওয়া হয়েছে।

খ) তালিকার প্রতিট শিক্ষা প্রতিষ্ঠানের জন্য অর্থ মঞ্জুর করত বল্টন করা হয়েছে কি ?

গ) করিমগঞ্জ জিলার সমষ্টি ভিত্তীক স্কুলের নাম ও অর্থের পরিমাণ সহ তালিকা সদনের মেঝে দাখিল করিবেন ?

শ্রী মুকুট শর্মা (রাজহ মন্ত্রী) য়ে উত্তর দিছে :

ক) ও খ) ঘূর্নিঝড়ে ক্ষতিগ্রস্থ শিক্ষা প্রতিষ্ঠানের মেরামতির জন্য সমষ্টি ভিত্তিক ৪.৫০ লক্ষ টাকা দেওয়া হচ্ছে উক্ত টাকা অত্যাধিক ক্ষতিগ্রস্থ প্রাদশিককরণ ১৫ টা এল, পি/এম, ই/এম, ডি/ মাদ্রাছা স্কুলকে ২০,০০০ করে, এবং প্রদেশিকৃত ২ টা হাইস্কুল / হাইয়ার চেকেণ্ডারী হাই মাদ্রাছা স্কুলকে ৭৫,০০০ হাজার করে টাকা দেওয়ার ব্যবস্থা করা হয়েছে।

গ) অত্যাধিক ক্ষতিগ্রস্থ শিক্ষা প্রতিষ্ঠানের নাম ও তালিকা সদনে দাখিল করা হ'ল। (See the Annexure—V)

বিষয় : জলসিঞ্চনৰ কৰ।

শ্রী জীউৰাম বড়োই সুধিছে :

* ১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

ক) অসম চৰকাৰে জলসিঞ্চন কৰ লগোৱা কথাটো সচা নেকি ?

খ) যদি সচা, কোন বোৰ খেতিৰ মাটিৰ বাবে কৰ লগোৱা হৈছে আৰু কি কি খেতিৰ কাৰণে প্রতি বিঘাত কিমান পৰিমানে কৰ লগোৱা হৈছে, অনুগ্রহ কৰি জনাবনে ?

শ্রী জেহিকুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে :

ক) সচা।

খ) যি বোৰ খেতিৰ মাটিত পানী যোগান ধৰা হৈছে সেইবোৰ খেতিৰ মাটিৰ প্রতি বিঘাই নির্দ্ধাৰণ কৰৰ হিচাব ভিন্ ভিন্ শস্যৰ বাবদ এনে ধৰণৰ :

নং	শস্যৰ নাম	প্রতি বিঘাই নির্দ্ধাৰিত কৰৰ পৰিমান	মন্তব্য
১।	জহকালিৰ শস্য (Kharif)	১৮·৭৫ টকা	
২।	গ'ম আৰ অন্যান্য শীত কালিৰ শস্য	৩৭·৫০ ”	
৩।	আহু আৰু আগতীয়া আহু	৫০·০৩	
৪।	মৰাপাট	১০·০০ ”	
৫।	কুহিয়াৰ	১৪·৮০	

বিষয় ঃ জলসিঞ্চনৰ আচঁনি

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

*১৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ জলসিঞ্চন সংমন্ডলৰ অধীনত ছিপাঝাৰ বিধান সভা সমষ্টিৰ ভিতৰত কি কি আচঁনি আছে ?

(খ) উক্ত আচঁনি সমূহৰ ভিতৰত কোনটো আচঁনিয়ে কিমান পৰিমাণৰ মাটি কালিত পানী যোগান ধৰিছে?

(গ) কোন কোন আচঁনি সদ্যহতে অসম্পূর্ণ হৈ আছে, প্রত্যেকটো আচঁনিৰ বিপৰীতে ব্যয় কিমান হ'ল আৰু কামৰ কিমান অগ্রসৰ হৈছে জনাবনে?

(ঘ) কুলসীক, কালপানী আৰু কুৰুৱা (L.I.S.) আচঁনি সম্পূর্ণ কেতিয়া হব? প্রত্যেকটো আচঁনিৰ বাবদ ব্যয়ৰ বিতং বিৱৰণী দিবনে?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মঙ্গলদৈ জলসিঞ্চন সংমন্ডলৰ অধীনত ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তর্গত বর্ত্তমানে মুঠ (১২) খন নির্মিয়মান জনসঞ্চিন আচঁনি আছে। নির্মিয়মাণ আচঁনিৰ নাম সমূহ সদনৰ মজিয়াত দাখিল কৰা হ'ল। (সংলগ্ন পত্র নং ১)

(খ) বর্ত্তমান কোনো নির্মিয়মান আচঁনি পানী যোগান ধৰিব পৰা অৱস্থালৈ অহা নাই।

(গ) নির্মিয়মান প্রত্যেকটো আচঁনি সদ্যহতে অসম্পূর্ণ হৈ আছে। ব্যয় আৰু কামৰ অগ্রসৰৰ পৰিমান সদনৰ মজিয়াত দাখিল কৰা হ'ল। (সংলগ্ন পত্র নং ২)

(See the Annexure - VI)

(ঘ) উপযুক্ত ধন মঞ্জুৰী পোৱাৰ সাপেক্ষে জলসিঞ্চন আচঁনি ৩ (তিনি)

টা তলত উল্লেখ কৰা ধৰণে সম্পূৰ্ণ হোৱাৰ পৰিকল্পনা কৰা হৈছে ।

আচঁনি সমূহ	অনুমানিক সম্পূৰ্ণ হোৱা কাল	প্রাক্কলন মতে নির্ধাৰিত ধন	বর্ত্তমানলৈ ব্যয়ৰ পৰিমাণ
১	২	৩	৪
১। কুলসীক জলসিঞ্চন আচঁনি উন্নতিকৰণ আৰু সম্প্রসাৰন	মার্চ, ১৯৯৭	৪০৩.৭৭ লাখ টকা	১১১.২৫ লাখ টকা
২। কালপানী জলসিঞ্চন আচঁনি (উন্নতিকৰণ)	মার্চ, ১৯৯৭	২৮৬.৩০ লাখ টকা	২৪৬.২০ লাখ টকা
৩। কুৰুৱা উত্তোলন জলসিঞ্চন আচঁনি।	মার্চ, ১৯৯৭	১২২.৬১ লাখ টকা	৮৩.৯৭ লাখ টকা

নির্ম্মিয়মান জলসিঞ্চন আচঁনি সমূহ ঃ -

১। তৰাগাওঁ উত্তোলন জলসিঞ্চন আচঁনি।

২। কুৰুৱা উত্তোলন জলসিঞ্চন আচঁনি।

৩। কেন্দুগুৰি গভীৰ নলকূপ আচঁনি।

৪। পশ্চিম চুবা " " "

৫। কৰাইচুৱা " " "

৬। পাতি দৰং " " "

৭। নিজ শৰাবাৰী " " "

৮। কদমতলি " " "

৯। ঢেকী পাৰা " " "

১০। পিঠাখোৱা " " "

১১। হেঙালপৰা " " "

১২। বড়ি গাওঁ " " "

বিষয় ঃ চাবাগীচার সমস্যা

বিধায়ক শ্রী রামপ্যারে রবিদাস জিজ্ঞাসা করছেন;

*২০। মাননীয় শ্রম মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি?

ক) করিমগঞ্জ, জিলার রাতাবাড়ী সমষ্টির অন্তর্গত গম্ভীরা, নিভিয়া, মাগুরা ছড়া, অলিভিয়া ছড়া, শিংলা ছড়া, কালাছড়া, চরগোলা, আনিপুর, তারবিনছড়া চা বাগান গুলিতে শ্রমিকরা তাহাদের প্রাপ্য সাপ্তাহিক মঞ্জুরী, রেশন, ঔষধ ইত্যাদি নিয়মিত ভাবে পাইতেছেননা, এ ব্যাপারে সরকার অবগত আছেন কি ? যদি আছেন, তবে কি ব্যবস্থা নিয়েছেন?

খ) পরিচালক মণ্ডলীর খাম খেয়ালিতে উক্ত চা বাগান গুলির জমি (Land) দিন দিন অবৈধ ভাবে বেদখল হইতেছে এটা সত্য কি?

গ) যদি সত্য তবে সর্বমোট কত বিঘা বেদখল হয়ছে? (প্রত্যেকটি চা বাগান আলাদা ভাবে)

ঘ) বেদখলকারীর নাম ও ঠিকনার তালিকা সদনে দাখিল করবেন?

দিলেশ্বর তাঁতী (শ্রমমন্ত্রী উত্তর দিয়েছেনঃ)

ক) হ্যাঁ, বিগত নবেম্বর ১৯৯৪ ইং হইতে বাগান শ্রমিকদের প্রাপ্য রেশন ব্যাতিত প্রাপ্য সাপ্তাহিক মঞ্জুরী নিয়মিত ভাবে দেওয়া হইতেছে। মালিকদের বিপক্ষে আইনগত ব্যবস্থা নেওয়া হইয়াছে।

খ) বিষয়টি শ্রম বিভাগের আওতার বাহিরে পড়ে।

গ) উপরোক্ত (খ) উত্তরের পরিপ্রেক্ষিতে প্রযোজ্য হয় না।

ঘ) উপরোক্ত (গ) উত্তরের পরিপ্রেক্ষিতে ইহা প্রযোজ্য হয় না।

বিষয় ঃ খাদ্য বস্তুৰ মূল্য বৃদ্ধি

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

১। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) খাদ্য দ্রব্যৰ অসম্ভব মূল্য বৃদ্ধিৰ সম্পর্কে চৰকাৰ সচেতননে?

(খ) যদি সচেতন, জনসাধাৰণক সকাহ দিয়াৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) ১৯৯১, ১৯৯২, ১৯৯৩, ১৯৯৪ আৰু ১৯৯৫ চনৰ মার্চ মাহৰ ১ তাৰিখে তলত দিয়া চহৰ সমূহত মোটা চাউল, মিহি চাউল, মচুৰ দাইল, ৰহৰ দাইল, মগু দাইল, চাহপাত, চেনী, মিঠাতেল, আলু, পিয়াজ, নিমখ, ৰন্ধন গেছ, কেৰাচিন, আটা, আৰু ব্রেডৰ পাইকাৰী (Whole sale) আৰু খুচুৰা (Retail) মূল্য কিমান আছিল উল্লেখ কৰিব। (মিঠাতেল আৰু কেৰাচিন প্রতি লিটাৰত, ৰন্ধন গেচৰ প্রতি চিলিণ্ডাৰত ব্রেডৰ প্রতি ৪০০ গ্রাম পেকেট আৰু অন্যান্য সামগ্রীৰ প্রতি কিলোগ্রামত মূল্য দেখুৱাব)

চহৰ ঃ গুৱাহাটী, যোৰহাট, তিনিচুকীয়া, তেজপুৰ, নলবাৰী, ডিফু, কোকৰাঝাৰ, শিলচৰ।

ডাঃ অর্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) খাদ্যদ্রব্যৰ অসম্ভৱ মূল্য বৃদ্ধিৰ চৰকাৰৰ ওচৰত তেনে কোনো তথ্য নাই।

(খ) প্রশ্ন নুঠে।

(গ) সামগ্রীৰ পাইকাৰী আৰু খুচুৰা মূল্যৰ তালিকা সদনৰ মেজত দাখিল কৰা হৈছে।

বিষয় ঃ উগ্রপন্থীৰ হাতত নিহত পৰিয়াললৈ সাহায্য।

শ্রীহিতেশ্বৰ ডেকাই সুধিছে ঃ

২। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ চনত কমলপূৰ বিধানসভা সমষ্টিৰ অন্তর্গত বৰহাটা গাৱঁৰ শ্রীকেশৰ বৈশ্য নামৰ এগৰাকী ব্যক্তি উগ্রপন্থীৰ হাতত নিহত হোৱাতো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত স্বর্গীয় বৈশ্যৰ পৰিয়াললৈ উগ্রপন্থীৰ হাতত নিহত পৰিয়াললৈ চৰকাৰী সাহায্য নীতিৰ আধাৰত একলাখ টকাৰ সাহায্য আগবঢ়োৱা হ'লনে?

(গ) যদি হোৱা নাই এই সাহায্য কেতিয়া আগবঢ়োৱা হব?

শ্রী গোপীনাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ সাহায্য নীতিৰ আধাৰত কোনো নিহত চৰকাৰী কর্মচাৰীৰ আত্মীয়ক একালীন সাহায্য আগবঢ়োৱাৰ আচঁনি নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ গড়াখহনীয়াত ক্ষতিগ্রস্থ

শ্রী মুনীন মহন্তই সুধিছে ঃ

৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) মৰিগাওঁ জিলাত বর্ত্তমানলৈকে গড়াখহনীয়াত ক্ষতিগ্রস্থ হৈ পুনঃ সংস্থাপন নোহোৱাকৈ মঠাউৰীৰ ওপৰত থকা পৰিয়ালৰ সংখ্যা কিমান?

খ) বাহবিঘাট উপ-প্রতি সমাহর্তাৰ কার্য্যালয়ৰ জৰিয়তে গড়াখহনীয়াত ক্ষতিগ্রস্থলোক সকলৰ মাজত পুনঃসংস্থাপনৰ বাবে সাহায্য ১৯৯৪-৯৫ চনত দিয়া হৈছিল নেকি?

গ) যদি দিয়া হৈছিল, কিমানটা পৰিয়ালক দিয়া হ'ল? (বিষদ বিবৰণ সহ উপভোক্তাৰ লিষ্ট সদনৰ মেজত দিব)

ঘ) মঠাউৰী আৰু চৰ এলেকাত বর্ত্তমান কাম কৰি থকা লোক সকলক শীঘ্রে পুনঃসংস্থাপন দিয়াৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে জনাবনে?

শ্রীমুকুট শর্মা (বাজহ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ৬৯০ টা পৰিয়াল।

খ) হয়।

গ) ১৯৯৪-৯৫ চনত ১৫৩৯ টা পৰিয়ালক পুনঃ সংস্থাপনৰ সাহায্য দিয়া হৈছে। (উপভোক্তাৰ বিষদ বিৱৰণৰ তালিকা সদনৰ মেজত দিয়া হ'ল)

ঘ) মঠাউৰী আৰু চৰ এলেকাত থকা বাকীসকল পৰিয়ালৰ পুনঃ সংস্থাপনৰ কাম বিবেচনাধীন হৈ আছে।

Re : Link Roads to the Agriculture within the Darrang District.

Sri Karendra Basumatary, asked :

4. Will the Minister of Agriculture be pleased to State.

(a) Darrang district being as one of the very backward district of the State of Assam has been recognised and identified as declared by the State Govt. of Assam under the Agriculture Department has been taken up by the World Bank Finance

Project to improve and construct various link roads to the Agriculture within the district accordingly, "not a scheme of the Agricultural link roads in the Panery Legislative Assembly Constituency in the same district of Darrang has been taken up by the proposed project of the World Bank Finance at all".

(b) If so, why?

(c) What are the reasons for a such kind of discrimination therefore?

Smt. Sayeda Anowara Taimur (Minister, Agriculture) replied :

(a) Nine numbers of schemes have been included in list of programme under Rural Investment Agriculture service project for eight years. (under Panery L.A.C.)

(b) Does not arise.

(c) Does not arise.

Re : Censuş Population of Silchar Town.

Shri Samarendra Nath Sen asked :

5. Will the Minister of Food and Civil Supplies be pleased to state :-

(a) Is it a fact that as per 1991 census population of Silchar Town is 2,07,135 lakh for which

there are approximately thirty thousand F.I.Cards and population of rural areas in Cachar District is 8,60,919 lakh and there are 1,55,569 lakh families?

(b) Is it a fact that there is all India norms in supplying Rice, Sugar, K.Oil in both urban and rural areas under P.D.S.?

(c) Whether these are maintained in Cachar District, if not what are the reasons?

(d) Is it a fact that at least 15 litres of K.Oil is required under P.D.S. for both urban and rural areas?

(f) If so, what step the Government would take for supplying the required quantity of K.Oil?

Dr. Ardhendu Kr. Dey, (Minister, Food and Civil Supplies) replied :

(a) Yes.

(b) There is no all India norm in supplying Rice, K.Oil in both urban and rural areas under P.D.S. excepting Sugar.

(c) In Cachar District also the allocation is made as per norm for sugar as at (b) above.

(d) No.

(e) Does not arise.

বিষয় ঃ জলসিঞ্চন আচঁনিক কার্য্যক্ষম কৰাৰ ব্যৱস্থা ঃ

শ্রীমতী বেণুপমা ৰাজখোৱাই সুধিছে ঃ

৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ-

(ক) যোৰহাট জিলাত ১৯৯১-১৯৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ চনত কিমান কেইটা জলসিঞ্চন আচঁনি নতুনকৈ লোৱা হৈছে ?

(খ) সেই আচঁনি সমূহৰ কিমান কেইটা সম্পূর্ণ কৰা হ'ল আৰু কিমানটা এতিয়াও সম্পূর্ণ হোৱা নাই, তালিকা সদনৰ মেজত দাখিল কৰিব?

(গ) টীয়ক সমষ্টিৰ অন্তর্গত জলসিঞ্চন আচঁনি সমূহ কেতিয়া সম্পূর্ণ কৰা হ'ব আৰু অক্ষম অৱস্থাত থকা আচঁনি সমূহ কার্য্যক্ষম কৰাৰ কিবা ব্যৱস্থা বর্ত্তমান চৰকাৰে হাতত লৈছেনে?

(ঘ) যদি লৈছে, কেতিয়া সম্পূর্ণ হ'ব জনাবনে?

শ্রীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) ১৯৯১-৯২ চনত - ৩ টা
১৯৯২-৯৩ চনত - নাই
১৯৯৩-৯৪ চনত - ২ টা
মুঠ ৫ টা নতুন আঁচনি লোৱা হৈছে।

(খ) এটা সম্পূর্ণ হৈছে আৰু ৪ টা সম্পূর্ণ হোৱা নাই। তালিকা সদনৰ মজিয়াত দাখিল কৰা হ'ল।
(See the Annexure - VII)

(গ) প্রয়োজনীয় ধনৰ আৱন্টন সাপেক্ষে আচঁনি সমূহ ১৯৯৬-৯৭ চনৰ ভিতৰত সম্পূর্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

অক্ষম হৈ থকা আচঁনি সমূহ পৰিকল্পনা বহির্ভূত শিতানত প্রয়োজনীয় ধনৰ আৱন্টন সাপেক্ষে কার্য্যক্ষম কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

(ঘ) 'গ' প্রশ্নৰ উত্তৰত বিতং তথ্য দিয়া হৈছে।

বিষয় ঃ ভূমিহীন লোকক মাটি পট্টন।

শ্রীচিত্তৰঞ্জন পাটোৱাৰীয়ে সুধিছে ঃ

৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমান চৰকাৰৰ কার্য্যকাল ছোৱাত পূৱ গুৱাহাটী সমষ্টি এলেকাৰ ভিতৰত কিমানজন ভূমিহীন লোকক মাটি পট্টন দিয়া হ'ল? (তথ্য বছৰ ভিত্তিত জনাব)

(খ) কি ভিত্তিত আৰু কি নিয়মৰ আধাৰত মাটি পট্টন দিয়া হ'ল আৰু এই ভূমি পট্টন দিয়াৰ বাবদ এতিয়ালৈকে উক্ত সমষ্টিৰ মাটি পট্টন দিয়াৰ বাবদ প্ৰিমিয়াম হিচাবে কিমান টকা ৰাজহ সংগ্ৰহ হ'ল ঃ

(গ) প্ৰিমিয়াম নিৰীখ কৰোতে এলেকা অনুযায়ী বেলেগ বেলেগ নিৰীখ কৰাটো সচানে?

শ্ৰীমুকুট শৰ্ম্মা, (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমান চৰকাৰৰ কার্য্যকাল চোৱাত পূৱ গুৱাহাটী সমষ্টি এলেকাৰ ভিতৰত মুঠ ২৭৮ টা ভূমিহান পৰিয়ালক মাটি পট্টন দিয়া হয়।

বছৰ ভিত্তি হিচাবে	১৯৯১ চনত	=	২০	টা পৰিয়াল
	১৯৯২ ”	=	৫০	”
	১৯৯৩ ”	=	৩৪	”
	১৯৯৪ ”	=	১৬৫	”
	১৯৯৫ ”	=	৯	”
	মুঠ	=	২৭৮	টা পৰিয়াল

(খ) চৰকাৰৰ ভূমিনীতিৰ আধাৰত আৰু যোগ্যতাৰ ভিত্তিত বাসস্থানৰ ঘৰ দুৱাৰ নির্ম্মানৰ বাবে সর্ব্বোচ্চ ১ কঠা ১০ লেচাকৈ পট্টন দিয়া হয়। এতিয়ালৈকে উক্ত সমষ্টিৰ লোকক মাটি পট্টন দিয়া বাবদ মুঠ ৭৯,৮৬,২৪৫.০০ টকা প্ৰিমিয়াম হিচাবে ৰাজহ সংগ্ৰহ হৈছে।

(গ) হয়, প্ৰিমিয়াম নিৰীখ কৰোতে এলেকা অনুযায়ী বেলেগ বেলেগ নিৰীখ কৰাটো সচাঁ।

বিষয় ঃ ৰাজহুৱা বিতৰণ ব্যৱস্থা।

শ্রীপ্রফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

৮। মাননীয় যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) অসমৰ বাবে কেন্দ্রীয় খাদ্য বিভাগৰ পৰা মাহিলী কিমান মেট্রিকটন ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে ঘেঁহুৰ আৱণ্টণ পোৱা হয়?

খ) জন সংখ্যাৰ ভিত্তিত অসমৰ আটাই কেইটা মহকুমাত ঘেঁহুৰ সম বিতৰণ কৰা হয়নে ?

গ) ৰাজ্যখনৰ কোন কোন ৰোলাৰ ফ্লাৰাৰ মিল আৰু মৰ্ডান চাকি মিল'ৰ মাজত ১৯৯১ চনৰ পৰা পোণপটীয়াকৈ ঘেঁহু আৱণ্টণ কৰা হৈছে ? (এতিয়া লৈকে ১৯৯১ চনৰ পৰা উক্ত মিল সমূহে পোৱা ঘেঁহুৰ আৱণ্টণ মেট্রিকটন হিচাবে উল্লেখ কৰি সদনৰ মেজত দাখিল কৰিব) ।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে, (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ-

ক) অসমৰ বাবে কেন্দ্রীয় খাদ্য বিভাগৰ পৰা মাহিলী বৰ্ত্তমান ৩০,০০০ মেট্রিকটন ঘেঁহু ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ বাবে আৱণ্টন পোৱা যায়।

খ) স্থানীয় চাহিদাৰ ওপৰত ভিত্তি কৰি ঘেঁহুৰ বিতৰণ কৰা হয়।

গ) ১৯৯১ চনৰ পৰা বৰ্ত্তমানলৈ (ফেব্রুৱাৰী ১৯৯৫) পোন পটীয়াকৈ ঘেঁহুৰ আৱণ্টন পোৱা ৰোলাৰ মিল আৰু মৰ্ডান চাকি মিল সমূহৰ আৱণ্টন সহ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

বিষয় ঃ চিলিং উদ্ধৃত মাটি ।

শ্রীমতী ৰূপম কুৰ্মীয়ে সুধিছে ঃ

৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহাদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৰহাট জিলাৰ চিনামৰা ৰূপনগৰ অঞ্চলৰ চিলিং উদ্ধৃত মাটিত বসতি কৰা বাৰশ ঘৰ লোকক পট্টা দিয়াৰ দাবী জনাই

কত্তৃপক্ষৰ ওচৰ চপাতো চৰকাৰ অবগত নে ?

খ) যদি অবগত এই ভূমিহীন লোক সকলক কেতিয়াকৈ পট্টা দিব?

শ্রী মুকুট শর্মা (ৰাজহ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) হয় ।

খ) চিলিং আইন আৰু চৰকাৰী ভূমি নীতি অনুসৰি বিষয়টো পৰীক্ষা কৰি ব্যৱস্থা লোৱা হব ।

Re : Irrigation Water from Indo-Bhutan Border.

Shri Derhagra Mochahary Asked :

10. Will the Minister of Irrigation be pleased to state :

(a) Whether Government is aware of the fact that public of Tamulpur Constituency who bring Irrigation Water from Indo-Bhutan Border has to pay water tax ?

(b) If yes, wheter Government will take the responsibility of paying water tax to Bhutan Government thus exempting the poor public from paying the water tax?

Sri Zehirul Islam (Minister, Irrigation), replied:

(a) Not known.

(b) Question does not arise.

বিষয় ঃ পর্য্যাটকৰ আঁচনিৰ ব্যৱস্থা ।

শ্রীনগেন শর্মাই সুধিছে

১১। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চন ১৯৯২, ১৯৯৩ আৰু ১৯৯৪ চনত পৰ্য্যটকৰ আকৰ্ষণৰ বাবে কি কি আঁচনি হাতত লোৱা হৈছে?

(খ) যদি লোৱা হৈছে, কি কি আঁচনি সফল হৈছে ?

(গ) পৰ্য্যটন বিভাগৰ পৰা নলবাৰী জিলাত কিবা আঁচনি লোৱা হৈছে নেকি ?

শ্ৰী মুকুট শৰ্ম্মা (পৰ্য্যটন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চন ১৯৯২, ১৯৯৩ আৰু ১৯৯৪চনৰ পৰ্য্যটকৰ বাবে নিম্ন উল্লেখিত আচঁনিসমূহ হাতত লোৱা হৈছে।

১। ডিগবৈ, বৰদলনি, গুৱাহাটী, মদন কামদেৱ, শিৱসাগৰ, পবিতৰা, চামুণ্ডৰিত পৰ্য্যটকৰ কেন্দ্ৰ নিৰ্মান তথা উন্নয়ন সাধন।

২। কামাখ্যা, হাজো আৰু বিশ্বনাথ ঘাটত তীৰ্থযাত্ৰীৰ বাবে তীৰ্থযাত্ৰী নিবাস।

৩। পৰ্য্যটকৰ পথত সুবিধাৰ বাবে বোকাখাট, জাগীৰোদ, মৰাণ, জখলাবন্ধা আৰু কাছাৰৰ কালাইনত জিৰণি চ'ৰা নিৰ্ম্মান ।

৪। তিনচুকীয়া, জোনাই, ওৰাং আৰু আমৰেং, পৰ্য্যটক নিবাস।

৫। পৰ্য্যটকৰ সুবিধাৰ বাবে জলক্ৰীড়া, পৰ্বত আৰোহন আৰু পেৰাচ্লিংৰ নিচিনা দুঃসাহসিক খেল-ধেমালিৰ ব্যৱস্থা।

(খ) ইতিমধ্যে জাগীৰোদ, বিশ্বনাথ চাৰিআলি আৰু বোকাখাটৰ আচঁনিকেইটা সফল ৰূপায়ন হৈ উঠিছে। বাকীবোৰৰ কাম চলি আছে। বৰদলনি, ডিগবৈ আৰু আমৰেংৰ আচঁনি অতি সোনকালে সম্পূৰ্ণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে।

(গ) পর্য্যটন বিভাগৰ পৰা নলবাৰীত এটি পথ পর্য্যটকৰ বাবে জিৰনি গৃহ নির্মান কৰা হৈছে। সেইদৰে বেলশৰত এটা তীর্থযাত্রী নিবাস নির্মান কার্য্য সম্পূর্ণ হৈছে।

Re : Allotment of Govt. land for A.S.T.C. Office

Shri Rampyare Rabidas asked :

12. Will the Minister of Revenue be pleased to state :

a) Whether Govt. has provided Govt. khas land to the A.S.T.C. for permanently setting up of the A.S.T.C. Office at Ramkrishna Nagar in the Karimganj District?

b) If yes, when ?

c) How many bighas of land has been alloted for the purpose ?

(Mention with Mouza No. and Dag . No.)

d) If not, why?

e) Considering the utmost necessity and in public interest, whether Government will direct the appropriate authority to expedite the process of the handing over the land to the A.S.T.C., immediately?

(Please enclose a copy of such order)

Shri Mukut Sarma, (Revenue Minister), replied:

a) Yes.

b) On 6th March '95.

c) Land measuring 10 Katha 5 chatak covered by old Dag No. 111, new dag No. 184 of Mouza Ramkrishna Nagar Part-III.

(See the Annexure -- VIII)

d) Does not arise.

e) Deputy Commissioner, Karimganj has asked Managing Director, A.S.T.C. to take over the land.

Re : Scheme of Tourism.

Shri Mission Ranjan Das, asked :

13. Will the Minister of Tourism be pleased to state :

(a) What are Schemes taken during 1992-93, 1993-94 and 1994-95 by the Tourism Department in Assam for attracting tourists from outside the State and within the State, please give names of the pleaces alongwith detailed Schemes?

(b) Whether the number of tourists from outside the State have increased steadily if not state reasons thereof ?

(c) Give the statistics of the tourists came in Assam from other States and from other countries during 1992, 1993, 1994 ?

(d) Whether the Government has taken any scheme for making "The Khaspur. Raj Bari" and "The Siva Parvati Temple" at Bhuban Pahar in Cachar District as good tourist spots as suggested by the questioner earlier ?

(e) If yes, what are the schemes and when those scheme will be started?

(f) If not, state reasons thereof ?

(g) Whether any other places in Barak Valley have been considered for making tourist spots if yes please name the sites?

Shri Mukut Sarma (Minister of Tourism) replied:

(a) In order to attract tourists from outside the States and within the State following have been taken up during the said years :-

1992-93 1. Construction of Pilgrim Cottage at Kamakhya.

2. Construction of Wayside facilities at Kalain.

3. Development of a Tourist resort at the Bird Sanctuary at Borodoloni.

4. Provision of tented Accommodation at Centres of Tourist attraction.

5. Water sports & Adventure tourism facilities at Guwahati an Chandubi.

1993-94 1. Construction of Tourist Lodge at

Tinsukia.

2. Construction of Pilgrim Cottage at Hajo and Biswanath Ghat.
3. Construction of Tourist Lodge at Jonai.

1994-95 1. Construction of Swimming Pool, Kaziranga.
2. Golf course facilities at Guwahati.
3. Construction of Trourist Cottage, Kaziranga.

(b) During the last three years the number of tourists from outside the State have remained more or less static. The main reasons for the same are difficulting of Transport & communication, percieved adverse law and order situation, difficulty in obtaining R.A.P.s in the case of foreign tourists limited tourist season, lack of organised marketing facilities in different metropolises etc.

(c)

Year	Domestic	Foreigners	Total
1992	19,311	431	19,742
1993	20,154	440	20,594
1994	17,660	322	17,982

(d) Yes, during 1995-96 scheme for development of Khaspur as tourist complex is proposed.

(e) The Scheme basically aims at development of the site and providing tourist facilities. It is proposed to start work on these schemes in

the next financial year

(f) Does not arise.

(g) yes, proposal for construction of a Pilgrim Cottage at Bhuban Hill Shrine is under consideration.

বিষয় ঃ মূল্যবৃদ্ধিৰ

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

১৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে ঃ

(ক) ১৯৯৪ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৫ চনৰ মাৰ্চ মাহলৈকে নিত্য ব্যৱহাৰ্য্য সামগ্ৰী যেনে ঃ চাউল, আটা, ময়দা, দালি (বুট, মচুৰ, ৰহৰ, মুগ) মিঠাতেল, চেনী, আলু, পিয়াজ আদিৰ দাম প্ৰত্যেক মাহত কিমান বৃদ্ধি বা হ্ৰাস পালে জনাবনে?
(প্ৰত্যেক মাহৰ দামৰ তালিকা এখন মেজত দিব)

(খ) এই সামগ্ৰী সমূহৰ দাম প্ৰত্যেক মাহতে বৃদ্ধি পোৱাৰ কাৰণ কি?

(গ) এই সামগ্ৰী সমূহৰ মূল্য বৃদ্ধিৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডঃ অৰ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰীক যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৪ চনৰ অক্টোবৰ মাহৰ পৰা ১৯৯৫ চনৰ ১ মাৰ্চ তাৰিখৰ ভিতৰত চাউল, আটা, ময়দা, মচুৰ দাইল, ৰহৰ দাইল, মুগদাইল, মিঠাতেল, চেনী আদিৰ দৰ কোনো কোনো মাহত বৃদ্ধি বা হ্ৰাস পোৱা দেখা যায়। বুটৰ দাইল, আলু আৰু পিয়াজৰ বৰ্ত্তমানৰ দৰ ১৯৯৪ চনৰ দৰৰ তুলনাত হ্ৰাস পাইছে। মুগদাইল আৰু

মিঠাতেলৰ দাম প্ৰায় স্থিতাৱস্থাত আছে। (প্ৰতি মাহৰ দামৰ তালিকা গাঠি দিয়া হ'ল।)

(See the Annexure- IX)

(খ) কোনো কোনো মাহত কোনো দ্ৰব্যৰ মূল্য ১/২ টকা বঢ়া-টুটা হোৱাৰ অনেক ব্যৱহাৰিক কাৰণ থাকে। তাৰ ভিতৰত উৎস স্থল সমূহত এই বস্তুবোৰৰ মূল্য বৃদ্ধিৰ, সাময়িক বন্ধ-ধৰ্ম্মঘট, পৰিবহন ব্যয় বৃদ্ধিৰ আৰু পৰিবহন ব্যৱস্থাত ঘটা বিজুতি আদি উল্লেখযোগ্য।

(গ) অহৈতুক মূল্যবৃদ্ধিৰ ৰোধ কৰিবলৈ চৰকাৰে বিধি সন্মত সকলো প্ৰতিৰোধ মূলক ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

বিষয় ঃ কেৰাচিনৰ চাহিদা আৰু যোগান।

শ্ৰী হিতেশ্বৰ ডেকাই সুধিছে ঃ

১৫। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত প্ৰতি মাহে গড়ে কেৰাচিন তেলৰ চাহিদা কিমান?

(খ) চৰকাৰে প্ৰতিমাহে গড়ে কিমান কেৰাচিন তেল যোগান দিয়ে।

(গ) চৰকাৰী ভাৱে যোগান ধৰা কেৰাচিন তেল এচাম অসাধু ব্যৱসায়ীৰ উদ্যোগত ক'লা বজাৰত বিক্ৰী হৈ থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, এই ব্যৱস্থা প্ৰতিহত কৰিবলৈ চৰকাৰে কি কি কাৰ্য্য ব্যৱস্থা হাতত লৈছে?

(ঙ) চলিত বিত্তীয় বৰ্ষত এতিয়ালৈকে কিমানটা এনে ঘটনা ধৰা পৰিছে আৰু তেনে ব্যৱসায় প্ৰতিষ্ঠান অথবা ব্যক্তিৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডাঃ অর্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) মাহিলি গড়ে নুন্যতম ৩০,০০০ মেট্ৰিক টন (৩,৮৫,৫০.০০ লিটাৰ) কেৰাচিন তেলৰ আৱশ্যক।

(খ) চৰকাৰে মাহিলি গড়ে ভাৰত চৰকাৰৰ পৰা আৱন্টন পোৱা ২০,৯৭৬ মেট্ৰিক টন (২৬,৯৫৪,১৬০ লিটাৰ) কেৰাচিন তেল যোগান দিয়ে।

(গ) অৱগত।

(ঘ) জিলা আৰু মহকুমা কৰ্তৃপক্ষক প্ৰচলিত আইন অনুযাযী ব্যৱস্থা লোৱাৰ নিৰ্দ্দেশ চৰকাৰৰ ফালৰ পৰা সময়ে সময়ে দি থকা হৈছে। কেৰাচিন তেলৰ খুচুৰা অনুজ্ঞাপত্ৰধাৰী ব্যৱসায়ীৰ যোগেদি যোগান ধৰা তেল ক'লাবজাৰত বিক্ৰী হোৱা বুলি সন্দেহৰ থল থকাত তেনে ব্যৱসায়ীৰ মাহেকীয়া যোগান আধা কৰি দি তেনেকুৱা ভূৱা অনুজ্ঞা-পত্ৰধাৰীক ধৰা পেলাই অনুজ্ঞাপত্ৰ বাতিল কৰাৰ বাবে নিৰ্দ্দেশ দিয়া হৈছে।

(ঙ) চলিত বিত্তীয় বৰ্ষত বিভিন্ন জিলা / মহকুমাত ৩৪৬ টা এনে ঘটনা ধৰা হয় আৰু মুঠ ১,৮২,৮৮০ লিটাৰ কেৰাচিন তেল জব্দ কৰি দোষী ব্যৱসায়ী / অনুষ্ঠান আদিৰ ওপৰত আইন অনুসৰি ব্যৱস্থা লোৱা হৈছে ।

বিষয় ঃ পথাৰ পৰিচালনা সমিতি।

শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ-

১৬। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বাজ্যখনত কিমানটা পথাৰ পৰিচালনা সমিতি আছে (জিলা ভিত্তিত জনাব)?

(খ) পথাৰ পৰিচলনা সমিতিলৈ কি কি বস্তু যোগান ধৰা হৈছে (জিলা ভিত্তিত জনাব)?

(গ) পথাৰ পৰিচালনা সমতিসমহূলৈ পানী যোগানৰ বাবে গভীৰ নলীনাদ যোগান ধৰাৰ ব্যৱস্থা আছেনে?

(ঘ) যদি আছে, কিমান গভীৰ নলীনাদ যোগান ধৰা হৈছে (জিলা ভিত্তিত জনাব)?

(ঙ) যদি নাই, গভীৰ নলীনাদ যোগান ধৰা ব্যৱস্থা কৰিবনে?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষিমন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) ৰাজ্যখনত বর্ত্তমান ২০,১১৫ খন পথাৰ পৰিচালনা সমিতি পঞ্জীয়নভূক্ত কৰা হৈছে। (জিলা ভিত্তিত তালিকা গাঠি দিয়া হ'ল। ১ নং তালিকা)

(See the Annexure- X)

(খ) পঞ্জীয়নভূক্ত পথাৰ পৰিচালনা সমিতি সমূহলৈ সমূহীয়া জলসিঞ্চন আচঁনিৰ (Community Irrigation Project) মাধ্যমেৰে অগভীৰ নলীনাদ ৭,১২৩ টা যোগান ধৰা হৈছে। ১৯৯০-৯১ চনত আদর্শ পথাৰ পৰিচালনা সমতিক ৭২ খন পাৱাৰ টিলাৰ (Power Tiler) যোগান ধৰা হৈছিল। বর্ত্তমান এইঁ আচঁনি কৃষি বিভাগৰ নাই। জিলা ভিত্তিত তালিকা গাঠি দিয়া হ'ল। (২ নং তালিকা) (See the Annexure - XI) পথাৰ পৰিচালনা সমতিসমূহৰ কৃষক সকলক উন্নত বৈজ্ঞানিক পদ্ধতিৰ খেতি কৰাৰ প্রশিক্ষণ দিয়া হয় আৰু নতুন উন্নত জাতৰ শষ্যৰ কৃষক সকলক পথাৰত প্রদর্শন দিয়া হয়।

(গ) নাই।

(ঘ) প্রশ্ন নুঠে।

(ঙ) কৃষি বিভাগৰ ব্যৱস্থা নাই। জলসিঞ্চন বিভাগে কৰি আছে।

বিষয় ঃ বান্ধ নির্ম্মান

শ্রীজীউৰাম বড়োই সুধিছে ঃ

১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ (১) ২ নং চমুৱাপাৰা গাওঁত থকা লক্ষী নদীৰ (২) সোনাখাট আৰু হুদুমা ইম্প্রোভমেন্ট (Huduma Improvement) বান্ধৰ বিষয় অৱগতনে?

(খ) যদি অৱগত ১ নং আৰু ২ নং ত উল্লেখিত বান্ধ দুটি নির্ম্মাণ কৰিবলৈ চৰকাৰে কি কি ব্যৱস্থা লৈছে আৰু ৩ নম্বৰত উল্লেখিত বান্ধটো নির্ম্মাণ কৰিবলৈ ইতিমধ্যে ধন মঞ্জুৰী দিয়া হৈছিল নেকি?

(গ) যদি মঞ্জুৰী দিয়া হৈছিল, ধন মঞ্জুৰী দিয়াৰ তাৰিখ আৰু চিঠি নম্বৰটো আৰু এই মঞ্জুৰী ধনৰ টকাৰে কৰা কামৰ খতিয়ান সমূহ অনুগ্রহ কৰি জনাবনে?

শ্রী জেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) (১) ২ নং চমুৱাপাৰা গাওঁত থকা লক্ষী নদীৰ ওপৰত কোনো বান্ধ সম্পর্কে চৰকাৰ অৱগত নহয়।

(২) সোনাখাট বান্ধ আৰু হুদুমা (Improvement) বান্ধ সম্পর্কে চৰকাৰ অৱগত।

(খ) (১) প্রশ্ন নুঠে।

(২) সোনাখাট বান্ধ সম্পর্কে প্রয়োজনীয় জৰীপ ইতিমধ্যে সম্পূর্ণ কৰা হৈছে। বর্ত্তমান আচঁনিখনৰ প্রাক্কলন প্রস্তুত কৰি থকা হৈছে আৰু বিভাগীয় অনুমোদনৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(৩) হয়, ধন মঞ্জুৰী দিয়া হৈছিল।

(গ) মঙ্গলদৈ মহকুমাৰ বিকেন্দ্রীকৃত পৰিকল্পনাৰ যোগেদি বিভিন্ন বছৰত এই পর্য্যন্ত এই আচঁনিৰ বাবে মুঠ ১৪,১৬৫ লাখ টকা মঞ্জুৰী দিয়া হৈছিল। তাৰ বিপৰীতে থকা খৰচ আৰু কামৰ খতিয়ান সংলগ্ন প্রপত্রত দিয়া হ'ল।

(See the Annexure - XII)

বিষয় ঃ মীন বিভাগত নিযুক্তি

শ্রীমুনীন মহন্তই সুধিছে ঃ

১৮। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমানলৈকে মীন বিভাগত নিযুক্তি নোপোৱাকৈ থকা মীন বিভাগৰ প্রশিক্ষণ প্রাপ্ত সকলৰ ক্রমানুসাৰে লিষ্ট এটা সদনৰ মেজত দিব)

(খ) বর্ত্তমান মীন বিভাগত মীন পৰিদর্শকৰ পদ খালি হৈছে নে?

(গ) যদি হৈছে, উক্ত পদ সমূহত প্রশিক্ষণ প্রাপ্ত মীন পৰিদর্শক সকলৰ নিযুক্তিৰ বাবে ব্যৱস্থা লোৱা হ'ব নেকি?

শ্রী চিলভিউ কন্দপান (মীন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বর্ত্তমানলৈকে মীন বিভাগত নিযুক্তি নোপোৱাকৈ থকা প্রশিক্ষণ প্রাপ্ত প্রার্থী মুঠ ১০৮ জন আছে। তালিকা ক্রমণুসাৰে সদনৰ মেজত দাখিল কৰা হ'ল।

(See the Annexure - XIII)

(খ) বর্ত্তমান মীন বিভাগত মীন পৰিদর্শকৰ পদ নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ ন্যায্য মূল্য দোকান

মহম্মদ মহিবুল হকে, সুধিছে ঃ

১৯। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩ বছৰটোত ধুবুৰী মহকুমাত গাওঁ আৰু নগৰ অঞ্চলৰ বাবে নতুনকৈ ৫ টা চৰকাৰী নায্য মূল্যৰ দোকানৰ আজ্ঞাপত্র দিয়াৰ আদেশ Target কৰি দিছিলনে?

(খ) ইতিমধ্যে উক্ত ৫ টা দোকানৰ আজ্ঞাপত্র দিয়া হলনে? যদি হৈছে, তেন্তে দোকানী কেইজনৰ নাম আৰু ঠিকনা জনাবনে?

(গ) যদি Target সম্পন্ন হোৱা নাই, তেন্তে কি কাৰণত হোৱা নাই, জনাবনে?

(ঘ) চলিত বছৰত উক্ত Target সম্পূর্ণ কৰিবনে? এই ক্ষেত্রত ১৯৯৩-৯৪ আৰু ১৯৯৪-৯৫ চনৰ বাবে কিবা নতুন Target আছে নেকি?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) ১৯৯২-৯৩ বছৰটোত ধুবুৰী মহকুমাৰ গাওঁ অঞ্চলৰ বাবে ৮ খন আৰু চহৰাঞ্চলৰ বাবে ৪ খন চৰকাৰী ন্যায্য মূল্যৰ দোকানৰ অনুজ্ঞাপত্র দিয়াৰ বাবে লক্ষ্য (Target) বান্ধি দিয়া হৈছিল।

(খ) ওপৰোক্ত লক্ষ্যৰ (Target) ৰ বিপৰীতে গাওঁ অঞ্চলত ৮ খন চৰকাৰী ন্যায্য মূল্যৰ দোকানৰ অনুজ্ঞাপত্র দিয়া হৈছে। দোকানী কেইজনৰ নাম আৰু ঠিকনা তলত দিয়া হ'ল।

Name and address of the Licence Grant in the year 1992-93

Sl.	Names	Address
1.	Shri M.C.Jiar	Ward No. 11, P.O. & Dist Dhubri
2.	Sri Hanif Ali	S/o Moksed Ali, Village Matirchar
3.	Sri Nurul Haque	Village Goalgaon, P.O. Alomganj
4.	Sri Bhomar Ali	Villege, Dampur, P.O. Alomganj
5.	Sri Ishahaque Talukder	Vill. Boraibari, P.O. Geramari
6.	Sri Abdul Hussain	Vill. Chitalkuti P.O. Alomganj
7.	Jamirul Haque	Vill. Nayerchar P.O. Alomganj.
8.	Shia Mahammad.	Vill. Kholamara P.O. Alomganj.

(গ) উক্ত সময় চোৱাত চহৰাঞ্চলত কোনো ব্যক্তিৰ পৰা আবেদন নথকাত ৪ খন অনুজ্ঞাপত্ৰ দিয়াৰ লক্ষ্য (Target) পূৰণ কৰিব পৰা ন'হল।

(ঘ) চলিত বছৰত আগৰ লক্ষ্যৰ বাকী থকা দোকানৰ অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা নাই। ১৯৯৩-৯৪ চনৰ বছৰটোত ধুবুৰী মহকুমাৰ গাওঁ অঞ্চলৰ বাবে ৪ খন আৰু নগৰাঞ্চলৰ বাবে ১ খন আৰু ১৯৯৪-৯৫ বছৰৰ বাবে গাওঁ অঞ্চলত ৩ খন আৰু নগৰাঞ্চলত ১ খন চৰকাৰী ন্যায্য মূল্যৰ দোকানৰ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে (Target) বান্ধি দিয়া হৈছে।

বিষয় ঃ দাইলৰ আমদানি

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

২০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিত্তীয় বর্ষ ১৯৯৩-৯৪ চনত অসমে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা কোন কোন প্রজাতিৰ কিমান মেট্রিকটন দাইল (Pulse) আমদানি কৰিছে?

(খ) প্রতিবছৰে অসমক সাধাৰণতে কিমান মেট্রিকটন দাইলৰ আৱশ্যক হয়?

(গ) দাইলৰ আমদানি কমাবলৈ অসমৰ মাটিত দাইলৰ উৎপাদন বৃদ্ধি কৰাৰ উদ্দেশ্যে মন্ত্রী মহোদয়ে অসমৰ কৃষি বিভাগৰ মন্ত্রীক বিশেষ কৃষি আচঁনি লবলৈ পৰামর্শ দিছেনে?

ডাঃ অর্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিত্তীয় বছৰ ১৯৯৩-৯৪ চনত ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আমাৰ ৰাজ্যলৈ দাইল জাতীয় সামগ্রী তলত দেখুৱা অনুপাতে আমদানী কৰা হৈছে।

সামগ্রী	মুঠ পৰিমাণ
মুচুৰ	৭০,০০০ মেট্রিকটন
ৰহৰ	১৫,০০০ মেট্রিকটন
মুগ	৩২,০০০ মেট্রিকটন
বুটৰ দাইল	১২,৫২৫ মেট্রিকটন

(খ) বছৰি অসমক সাধাৰণতে ৪ লাখ টন দাইল জাতীয় সামগ্রীৰ আৱশ্যক।

(গ) খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রীৰ ফালৰ পৰা এনে কোনো প্রস্তাৱ দিয়া নাই।

বিষয় ঃ ক্ষতিগ্রস্তলৈ সাহার্য্য

শ্রী ধ্রুৱ কুমাৰ সেনে সুধিছে ঃ

১১। মাননীয় ৰাজহ আৰু ভূমি সংস্কাৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ধুবুৰী চহৰত যোৱা ১৪/২/৯২ ইং তাৰিখৰ ৰাতি এ, এম, কো ৰোডৰ শিৱ মন্দিৰৰ ওচৰত অগ্নিকাণ্ডত এজন মানুহৰ মৃত্যু হ'ল আৰু যি সকল মানুহৰ ঘৰ-দুৱাৰ সা-সম্পত্তি ধ্বংস হৈছে তেওঁলোকৰ কাৰণে চৰকাৰে কি সাহায্য আগবঢ়াইছে ?

(খ) এই অগ্নিকাণ্ডত ক্ষতিৰ পৰিমান কিমান হ'ব অনুগ্রহ কৰি জনাবনে?

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ক্ষতিগ্রস্থলোক সকলক পাৰিতোষিক সাহায্য হিচাবে চাউল, দাইল, নিমখ আৰু মিঠাতেল আদি তিনিদিন ধৰি যোগান ধৰা হয়। ক্ষতিগ্রস্থৰ পৰিমাণ আৰু মৃত ব্যক্তিৰ নিকটতম ব্যক্তিলৈ আর্থিক সাহায্য দিয়া বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) এই অগ্নিকাণ্ডত ক্ষতিৰ পৰিমান প্রায় ১,৫৭,০০০/- টকা।

বিষয় ঃ চৰণীয়া পথাৰ বেদখল।

শ্রীৰামেশ্বৰ ধানোৱাৰে, সুধিছে ঃ

২২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডুমডুমা ৰাজহ চক্রৰ অধীনত বেতজান বঙালী আৰু হাতীজান গাওঁৰ সমীপত চৰণীয়া পথাৰখন কিছুলোকে বেদখল কৰাটো চৰকাৰে জানে নে?

(খ) চৰণীয়া পথাৰখন মুক্ত কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে জনাবনে?

শ্রীমুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) বেদখল কাৰী সকলক উচ্ছেদ কৰি চৰণীয়া পথাৰখন মুক্ত কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

(Unstarred Question No. 23 was deferred)

বিষয় ঃ জৰীপৰ অভিযোগ।

শ্রী নজমুল হকে সুধিছে ঃ

১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ বালিজানা আৰু লক্ষীপুৰ ৰাজহ চক্রৰ অধীনত যথাক্রমে মাৰকুলা আৰু শিলাপানী ৰাজহ গাওঁত ভূল জৰীপ আৰু অন্যায় জৰীপ সম্পর্কে ৰাইজৰ অভিযোগ চৰকাৰে পাইছে নে?

(খ) যদি পাইছে, উক্ত গাওঁ দুখনৰ দুখীয়া ৰায়তৰ পৰা হেজাৰ হেজাৰ টকা লৈ ভুল জৰীপ কৰি থৈ যোৱা A.S.O. দুজনৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰা হবনে?

(গ) উক্ত ৰাজহ গাওঁ দুখনত পুনৰ জৰীপ কৰাৰ বাবে ৰাজহ বিভাগৰ আয়ুক্তৰ দ্বাৰা তদন্তৰ ব্যৱস্থা কৰা হবনে?

শ্রীমুকুট শর্ম্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) গোৱালপাৰা জিলাৰ বালিজানা আৰু লক্ষীপুৰ ৰাজহ চক্রৰ অধীনত যথাক্রমে মাৰকুলা আৰু শিলাপানী ৰাজহ গাওঁ দুখনত ভুল আৰু অন্যায় জৰীপ সম্পর্কে ৰাইজৰ অভিযোগ চৰকাৰে পোৱা নাই।

(খ) প্রশ্ন নুঠে।

(গ) যিহেতু লক্ষীপুৰ ৰাজহ চক্রৰ শিলাপানী গাওঁখনত ইতিমধ্যে প্রত্যায়ন (Attentation) কৰা হৈছে আৰু বালিজানা ৰাজহ চক্রৰ মাৰকুলা গাওঁত ভুল আৰু অন্যায় জৰীপ সম্পর্কে অভিযোগ পোৱা নাই গতিকে উক্ত গাওঁ দুখনত পুণৰ জৰীপৰ প্রশ্ন নুঠে।

Re : Requirement of P.D.S Rice Sugar etc. in Barak Valley.

Shri Kali Ranjan Deb, asked :

25. Will the Minister of Food & Civil Supplies be pleased to state:

(a) What is the total requirement of P.D.S. Rice, Sugar Wheat & Kerosine Oil in each District of Barak Valley per month ?

(b) What is the total quantity of Rice, Sugar, Wheat and Kerosine Oil was made available for distribution through P.D.S. by Supplying Agencies like F.C.I. A.O.D/I.O.C. for Cachar District at Silchar for the period from July, 1994 to February, 1995? (monthwise figure of each article, delivered by above agencies may be shown seperately for the above period).

(c) If there was any short delivery of above articles then the alotted quantity during the above mentioned period ?

(d) If so, reasons thereof ?

Dr. Ardhendu Kumar Dey. (Minister, Food & Civil Supplies) replied :

(a) Requirement of P.D.S. Rice, Sugar, Wheat and S.K.O. in each Districts of Barak Valley areas under ;

District	Rice	Sugar	Wheat	S.K.Oil
(MT)	(MT)	(MT)	(MT)	(MT)
Cachar				
Silchar	2710MT	429 MT	2600 MT	1307 MT
Lakhimpur	600"	200"	200"	300"
Hailakandi	1000"	250"	200"	600"
Karimganj	1446"	401"	80"	1233"

(b) Total quantity of rice, sugar, wheat and Kerosine oil made available by supplying Agencies like F.C.I. I.O.C/A.O.D. in Silchar is shown in Annexure 'A' at Sl.'8'. (See the Annexure - XIV)

(c) Except for sugar & S.K.Oil there were short delivery in rice and wheat against allotment during the period under reference.

(d) Due to non-maintenance of required stocks of P.D.S. Foodgrains by F.C.I. in Barak Valley, particularly in Silchar.

বিষয় ঃ অগ্নিকান্ডে ক্ষতিগ্রস্থদেব আর্থিক সাহায্য

শ্রীপ্রনব কুমার নাথ জিজ্ঞাস করছেন ঃ

২৬। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ কবিয়া জানাবেন কি ঃ

ক) বিগত ১৭/১/৯৫ ইং দক্ষিন কবিমগঞ্জ সমষ্টিব বাজাবঘাট বাসষ্টপেজ এলাকায় অগ্নিকান্ডে ক্ষতিগ্রস্থ হওয়া ব্যবসায়ীদের আর্থিক সাহায্য দেওয়ার ব্যাপারে বিভাগীয় কত্তৃপক্ষ কি কি পদক্ষেপ নিয়েছেন?

খ) ক্ষতিগ্রস্থ ব্যক্তিদের নাম ও আর্থিক সাহায্যর পৰিমান সহ বিশদ তথ্য সদনেৰ মেঝে দাখিল করবেন।

গ) রামকৃষ্ণ নগর সার্কেল অফিসথেকে রিপোর্ট পাঠাতে বিলম্ব করায় ক্ষতিগ্রস্থরা সরকারি সাহায্য থেকে বঞ্চিত হচ্ছেন কি এ ব্যাপারে সরকার কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন?

শ্রীমুকুট শর্মা (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) করিমগঞ্জ বাজারখাট বাসষ্টপেজ এলাকায় অগ্নিকান্ডে মোট ২৩ জন লোক ক্ষতিগ্রস্থ হয়েছে তাহাদের মধ্যে নিজস্ব বাসগৃহ থাকা ১৩ জন ব্যরসায়ীকে অসম সাহায্য নিয়মাবলী মতে পুনরসংস্থাপন দেওয়া হয়েছে। আর যাদের নিজস্ব বাসগৃহ নাই ওদের পুনর সংস্থাপন দেওয়ার ব্যৱস্থা ও নাই।

খ) আর্থিক সাহায্যর পরিমান ও ব্যক্তিদের নাম নীচে উল্লেখ করা হলঃ

১) মোঃ ফাৰুক আহম্মদ	৫০০/-	শ্রী শানু দাস	৫০০/-
২) শ্রীমানিক চন্দ্র পাল	”	১০) শ্রীরাকেশ মোহন্ত	”
৩) শ্রীমিন্টু পাল	”	১১) শ্রীবীরেন্দ্র ভৌমিক	”
৪) শ্রীঅসীম নাথ	”	১২) মোঃ জুনাব আলী	”
৫) মোঃ হুমায়ুন কবীর	”	১৩) মোঃ কামালউদ্দিন	”
৬) শ্রীপরিমল পুরকায়স্থ	”		
৮) শ্রীমানিক নূর	”		

গ) সার্কেল অফিসার রিপোর্ট পাঠাতে বিলম্ব করেন নাই।

(Unstarred Question No. 27 was deferred)

বিষয় ঃ শ্রমিক ধর্ম্মঘট।

শ্রীহিতেন্দ্র নাথ গোস্বামীয়ে সুধিছে ঃ

২৮। মাননীয় শ্রম বিভাগৰ মন্ত্রী মহেদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) যোৰহাট জিলাৰ দিহা চাহ বাগিছাৰ শ্রমিক সকলে ১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯৫ চনৰ জানুৱাৰী মাহলৈ কৰা ধর্ম্মঘটৰ বিষয়ে শ্রম বিভাগে আৱগতনে?

খ) দিহা চাহ বাগিছাৰ শ্রমিক সকলে ধর্ম্মঘটত উৎথাপন কৰা দাবী সমূহ কি আছিল আৰু এই দাবী কেইটা Assam Plantation Labour Act ৰ অধীনত বাগিছাৰ মজদুৰ সকলক বাগিছা কর্ত্তৃপক্ষই দিব লগা সুবিধা সমূহৰ ভিতৰত পৰেনে?

গ) বাগিছা কর্ত্তৃপক্ষই এই দাবী সমূহ পূৰন নকৰাৰ বাবে শ্রমিক সকলক ধর্ম্মঘটৰ সন্মুখলৈ ঠেলি ১৮ জানুৱাৰীত দুজন চাহ শ্রমিকৰ মৃত্যু মুখত পৰিব লগীয়া পৰিস্থিতি সৃষ্টি কৰাৰ বাবে শ্রম বিভাগে উক্ত বাগিছা কর্ত্তৃপক্ষৰ বিৰুদ্ধে ব্যৱস্থা হাতত লৈছেনে?

ঘ) ১৮ জানুৱাৰীত উক্ত বাগিছাত সংঘটিত গুলি চালনা আৰু তাৰ ফলত মৃত্যু বৰণ কৰা লোক দুজনক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে মন্ত্রী ডাঙৰীয়াই কিবা ব্যৱস্থা গ্রহণ কৰিছেনে?

শ্রীদিলেশ্বৰ তাঁতী (শ্রম মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়। ইং ২০/১২/৯৪ ৰ পৰা ২/১/৯৫ লৈ আৰু ইং ৪/১/৯৫ পৰা ২৬/১/৯৫ লৈ যোৰহাট জিলাৰ দিহা চাহ বাগিছাৰ শ্রমিক সকলে কৰা ধর্ম্মঘটৰ বিষয়ে শ্রম বিভাগ অৱগত।

খ) দিহা চাহ বাগিছাৰ শ্রমিক সকলে ধর্ম্মঘটত উৎথাপন কৰা দাৱী সমূহ হ'ল (১) মেনেজাৰ শ্রীবাজেন্দ্র পাঠকৰ অপসাৰণ (২) অ-প্রাপ্ত বয়স্ক কর্ম্মী সকলৰ কামৰ সময় নির্দ্ধাৰণ কৰা (৩) খোৱাপানীৰ অসুবিধা দূৰীকৰণ (৪) বিকল্প কর্ম্মচাৰী নিযুক্তি দিয়া আৰু (৫) কামৰ সময়ত চাহ যোগান ধৰা।

ওপৰত উল্লেখ কৰা ১ নং দাবী বাদ দি বাকী বিষয় কেইটা শ্রমিক আইন ১৯৫১ চনৰ অধীনত পৰে।

(গ) যোৱা ১৮ জানুৱাৰীত দুজন চাহ শ্ৰমিকৰ মৃত্যু মুখত পৰিবলগীয়া পৰিস্থিতি সন্দৰ্ভত শ্ৰম বিভাগে অনুসন্ধান কৰি সময়ত উচিত ব্যৱস্থা লব।

(ঘ) ১৮ জানুৱাৰীত দিহা চাহ বাগিছাত সংঘটিত গুলি ছালনাত মৃত্যু বৰণ কৰা লোক দুজনক যোৰহাট জিলাৰ উপায়ুক্তই ইতিমধ্যে ৫,০০০ (পাঁচ হাজাৰ) টকাকৈ এক কালিন সাহার্য্য আগবঢ়াইছে আৰু ছালিছী যোগেদি বাগান কর্ত্তৃপক্ষই ৫,০০০ (পাঁচ হাজাৰ) টকাকৈ সাহার্য্য আগবঢ়াইছে।

বিষয় ঃ প্ৰিমিয়াম দি চৰকাৰী মাটি লাভ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

২৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৫ চনলৈকে কোন কোন মন্ত্ৰী বিধায়কে গুৱাহাটী মহানগৰত প্ৰিমিয়াম দি চৰকাৰী মাটি লাভ কৰিছে? (নাম আৰু ঠিকনা উল্লেখ কৰিব)

(খ) উক্ত সময় চোৱাৰ ভিতৰত কোন কোন চৰকাৰী বিষয়াই একে ব্যৱস্থাৰে গুৱাহাটী মহানগৰীত চৰকাৰী মাটি লাভ কৰিছে? (নাম ঠিকনা সহ উল্লেখ কৰিব)

(গ) ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯০ চনলৈকে গুৱাহাটী মহানগৰীৰ কোন কোন মন্ত্ৰী বিধায়কে প্ৰিমিয়াম দি চৰকাৰী মাটি লাভ কৰিছিল? (যদি কৰিছিল মন্ত্ৰী বিধায়ক সকলৰ নাম আৰু অস্থায়ী ঠিকনা সদনৰ মেজত দাখিল কৰিব)

(ঘ) ১৯৯১ চনৰ পৰা কোন কোন সাংস্কৃতিক আৰু ধৰ্ম্মীয় প্ৰতিষ্ঠানক গুৱাহাটী মহানগৰত মাটি দিয়া হৈছে ? (নাম, ঠিকনা সদনৰ মজিয়াত দিব)

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত গুৱাহাটী মহানগৰীত

(১) শ্রীগৌতম বৰা, মন্ত্রী। (২) শ্রীবিজিত শইকীয়া,. মন্ত্রী ।

(৩) শ্রীচিলভিউচ কন্দপান মন্ত্রীয়ে প্রিমিয়াম দি চৰকাৰী মাটি লাভ কৰিছে।

(খ) উক্ত সময় ছোৱাৰ ভিতৰত একে ব্যৱস্থাৰে গুৱাহাটী মহানগৰীত চৰকাৰী মাটি লাভ কৰা চৰকাৰী বিষয়াৰ নামৰ তালিকা গাঠি দিয়া হ'ল।

(See the Annexure- XV)

(গ) নাই।

(ঘ) ১৯৯১ চনৰ পৰা যি বিলাক সাংস্কৃতিক আৰু ধৰ্ম্মীয় প্রতিষ্ঠানক গুৱাহাটী মহানগৰীত চৰকাৰী মাটি দিয়া হৈছে সেই বিলাকৰ তালিকা গাঠি দিয়া হ'ল।

(See the Annexure - XVI)

বিষয় ঃ মাটি পট্টন

শ্রীমতী ৰূপম কুমীয়ে সুধিছে ঃ

৩০। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ নতুন মাটি অঞ্চলৰ ৩০ জন ভূমিহীন লোকক মাটিৰ পট্টন দিয়াৰ ব্যৱস্থা কৰাটো সঁচানে?

(খ) তেওঁলোকক কেতিয়াকৈ মাটিৰ পট্টা বিতৰণ কৰিব?

(গ) মৰিয়নী সমষ্টিৰ চাহ আৰু প্রাক্তন চাহ শ্রমিকৰ ভোগ দখলত থকা চিলিং উদ্ধৃত মাটিৰ পট্টাবোৰ কেতিয়াকৈ বিতৰন কৰিব?

শ্রীমুকুট শর্ম্মা, (ৰাজহ মন্ত্রী), য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ।

(খ) ভূমিনীতি আৰু প্রচলিত বিধিমতে বিষয়টো পৰীক্ষা কৰি সোনকালে ব্যৱস্থা কৰা হ'ব।

(গ) চিলিং চৰকাৰী মাটিৰ গোচৰ সমূহ নিষ্পত্তি হ'লেই ভূমিনীতি আৰু প্রচলিত চৰকাৰী বিধিমতে পৰীক্ষা কৰি পট্টা দিয়াৰ ব্যৱস্থা

কৰা হ'ব।

বিষয় ঃ তৰাবিহীন প্ৰশ্ন নং ৩৫

শ্ৰীমুনীন মহন্তই সুধিছে ঃ

৩১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১৩/৩/৯৪ চনৰ তৰাবিহীন প্ৰশ্ন নং ৩৫ ৰ উত্তৰত ১৯৯৩ অক্টোবৰৰ মাহত পোৱা প্ৰাক্‌কলন বিভাগীয় অনুমোদনৰ বাবে ব্যৱস্থা কৰি, প্ৰাক্‌কলন অনুমোদন হ'লে ক্ষতিপূৰণ দিয়াৰ বাবে ৰাজহ বিভাগক ধন দিয়াৰ ব্যৱস্থা কৰা হব বুলি উত্তৰত কোৱা হৈছিল নেকি?

(খ) যদি হৈছিল, উক্ত কৃষক সকলে পাব লগা ক্ষতিপূৰণৰ ধন আদায় কৰা ব্যৱস্থা লোৱা হ'ল নেকি?

(গ) যদি নাই হোৱা, কেতিয়া আদায় দিয়াৰ ব্যৱস্থা কৰা হব জনাবনে?

(ঘ) উক্ত কৃষক সকলে পাব লগা ক্ষতিপূৰণৰ মুঠ ধন কিমান হব? (ক্ষতিগ্ৰস্থ কৃষক সকলৰ নামৰ বিপৰীতে, অধিগৃহীত মাটিৰ পৰিমান, পাব লগা ধনৰ সংখ্যা জনাব)

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, কোৱা হৈছিল।

(খ) বৰ্ত্তমানলৈকে প্ৰাক্‌কলন অনুমোদিত হোৱা নাই বাবে ক্ষতিপূৰণৰ ধন আদায় দিয়াৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই।

(গ) প্ৰাক্‌কলন অনুমোদন তথা পূজিঁ আৱন্টন পালেই ক্ষতিপূৰন দিয়াৰ ব্যৱস্থা কৰা হব।

(ঘ) কৃষক সকলে পাবলগীয়া ক্ষতিপূৰণৰ মুঠ ধনৰ পৰিমান প্ৰাককলন মতে এনে ধৰণৰ ঃ

১) নোৱা গাওঁ ঃ- ৪৯,৯৬২.০০ টকা

২) ঔজাৰি পথাৰঃ- ৪৭,৪১০.০০ টকা

(ক্ষতিগ্ৰস্থ কৃষকৰ নাম, অধিগৃহীত মাটিৰ পৰিমান আৰু ধনৰ পৰিমান তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।)

(See the Annexure - XVII)

বিষয় ঃ মাটিৰ পট্টন।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে, সুধিছে ঃ

৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা ৰাজহ চক্ৰৰ অধীনত হাতীৰাট গাওঁৰ (ধেলা-খাট চাহ বাগিচা) ১২০ ঘৰ চাহ বনুৱাই ১৯৬৪ চনৰ পৰা মাটি ভোগ দখল কৰি খাই থকাটো চৰকাৰ অৱগত নে?

(খ) যদি জানে, এই সকল লোকক উক্ত মাটিত পট্টা দিয়াৰ কি ব্যৱস্থা চৰকাৰে কৰিছে জনাবনে ?

শ্ৰীমুকুট শৰ্ম্মা, (ৰাজহ মন্ত্ৰী), য়ে উত্তৰ দিছে ঃ

(ক) ১২৬ টা চাহ বনুৱা পৰিয়াললৈ ভোগ দখল কৰি খাই থকাটো চৰকাৰৰ অৱগত।

(খ) উক্ত মাটি ধালাখাট চাহবাগিচাৰ পট্টাৰ মাটি হোৱাৰ বাবে দখলকাৰী সকলক পট্টা চৰকাৰে দিব নোৱাৰে।

বিষয় ঃ নিবনুৱাৰ সংখ্যা।

শ্ৰীশশকমল সন্দিকৈ য়ে সুধিছে ঃ

৩৩।মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনৰ বৰ্ত্তমান পঞ্জীকৃত নিবনুৱাৰ সংখ্যা কিমান? (উচ্চ মাধ্যমিক পাচ, স্নাতক, স্নাতকোত্তৰ B.E., M.B.B.S., Agri., ITI. আদি পৃথককৈ দেখুৱাই সদনৰ মেজত দাখিল কৰিব)

খ) এই নিবনুৱা সকলৰ নিয়োগৰ বাবে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীচিলভিউচ কন্দপান (নিয়োগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৪ চনৰ ৩১ ডিচেম্বৰ তাৰিখলৈকে ৰাজ্যখনৰ পঞ্জীকৃত নিবনুৱাৰ সংখ্যা ১২,৮৬,৩৩৮ জন।

মহিলাৰ সংখ্যা ২,৬১,৯৩৩ গৰাকী আৰু পুৰুষৰ সংখ্যা ১০,২৪,৪০৫ জন আছিল। ইয়াৰ ভিতৰত ৭,৮২,৪৬২ জন শিক্ষিত নিবনুৱা।

শিক্ষাগত অৰ্হতা অনুসৰি নিবনুৱাৰ তথ্য তলত দিয়া হ'ল ঃ -

ক) ইঞ্জিনিয়াৰিং স্নাতক	- ১,৯৯২ জন।
খ) চিকিৎসক	- ১২৮ জন।
গ) কৃষি স্নাতক	- ৩৯৭ জন।
ঘ) পশু চিকিৎসক	- ১৩ জন।
ঙ) উদ্যোগিক প্ৰশিক্ষন প্ৰাপ্ত (ITI)	- ১৬.৯৪৩ জন।
চ) স্নাতকোত্তৰ	- ৫,৮৯২ জন।
ছ) স্নাতক	- ৬০,২২৬ জন।
জ) উচ্চতৰ মাধ্যমিক	- ১,৯৯,৭৭২ জন।
ঝ) প্ৰবেশিকা উত্তীৰ্ণ	- ৪,৯১,২০৭ জন।
ঞ) উপাধিপ্ৰাপ্ত অভিযন্তা (Diploma holder Engineer)	- ৫,৮৯২ জন।
মুঠ	- ৭,৮২,৪৬২ জন।

খ) নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে। যিহেতু বেতনভোগী চাকৰিৰ সংখ্যা সীমিত, সেই বাবে স্ব-নিয়োগৰ জৰিয়তে নিবনুৱা সকলক কৰ্ম্মসংস্থান কৰাৰ সৰ্বতোপ্রকাৰ প্রচেষ্টা চলাই আছে।

বিষয় ঃ গোষ্ঠী সংঘর্ষত নিহতৰ সংখ্যা।

শ্রী নিজামুদ্দিন খানে সুধিছে ঃ

৩৪।মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জুলাই '৯৪ ৰ ৰৰপেটা জিলাৰ গোষ্ঠী সংঘর্ষৰ নিহতৰ সংখ্যা কিমান?

(খ) উক্ত সংঘর্ষত নিহত ব্যক্তিৰ পৰিয়াললৈ চৰকাৰী ঘোষণা মতে আর্থিক সাহর্য্য দিয়া হৈছেনে?

(গ) যদি দিয়া হৈছে, কিমানকৈ দিয়া হৈছে?

(ঘ) যদি দিয়া হোৱা নাই, কাৰণ কি?

শ্রী গোপীনাথ দাস (সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৮৬ জন।

(খ) হৈছে।

(গ) এতিয়ালৈকে ৭১ জন মৃত ব্যক্তিৰ পৰিয়ালক এককালীন সাহায্য ১ লাখ টকাৰ প্রথম কিস্তি ২৫,০০০ টকাকৈ দিয়া হৈছে।

(ঘ) প্রশ্ন নুঠে।

বিষয় ঃ ধানের কলের পারমিট।

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন ঃ

৩৫ । মাননীয় খাদ্য ও অসামরিক যোগান বিভাগের মন্ত্রী অনুগ্রহ

করিয়া জানাবেন কি?

(ক) সমগ্র আসামে মোট কয়টি ধানের কলের পারমিট ও লাইসেন্স আছে?

(খ) মহকুমা ভিত্তীক পারমিট ও লাইসেন্স মজুর করার তারিখ, সন মালিকের নাম ঠিকনা ইত্যাদি বিশদ বিবরন সহ তালিকা সদনের মেঝে দাখিল করিবেন?

(গ) Husking Milt / Mini Modern Rice Mill সমূহরে সিমানা ভূক্ত এলাকা (Area of operation) কতটুকু?

(ঘ) বর্ত্তমানে অর্থ বছরে সরকার নূতন কিছু ধানের কলের পারমিট দেওয়ার ব্যবস্থা করবেন কি? যদি, কখন, যদি না কেন?

ডাঃ অর্দ্ধেন্দু কুমার দে, (খাদ্য ও অসামরিক যোগান বিভাগের মন্ত্রী) উত্তব দিয়েছেন ঃ

(ক) সমগ্র আসামে মোট ৩৮০৬ টি ধানের কলের পারমিট ও মোট ৩২৬৬ টি ধানের কলের লাইসেন্স আছে।

(খ) পারমিট ও লাইসেন্স মহকুমা ভিত্তিতে দেওয়া হয় না বলে বিশদ বিবরণ দেওরা সম্ভব নয়।

(গ) Husking Mill / Mini Modern Rice Mill সমূহের সীমানা ভূক্ত এলাকা (Area of Operation) আইনে (The R.M.I. (Regulation)Act, 1958) কোন বাধা ধরা নিয়ম নাই।

(ঘ) অর্থ বছর হিসাবে পারমিট দেওয়া হয় না - বর্ত্তমানে সরকারের নূতন পারমিট দেওয়ার কোন পরিকল্পনা নেই। প্রশ্ন ওঠেনা।

Re : Irrigation Sub-Divisional Office at Ramkrishna Nagar.

Shri Rampyare Rabidas asked.

36. Will the Minister of Irrigation be pleased to state :

(a) Whether Government has taken step for setting up of an Irrigation Sub-Divisional Office at Ramkrishna Nagar in Karimganj district as per assurance given in reply to Written Question No. 1 of 10th March, 1994 from the Questioner ?

(b) If yes, is it approved by the departmental planning committee for making provision of fund in 1995-96 financial year?

(c) If not, why?

(d) Whether Government would direct the department to expedite the process so that the office may be started soon in public interest?

Sri Zehirul Islam (Minister Irrigation) replied :

(a) The proposal is under examination in this Department. But no assurance was given earlier in this regard as raised.

(b) The Departmental Committee Meeting has not been hold for the year 1995-96.

(c) Does not arise.

(d) The proposal will be placed in the next Departmental Committee for consideration.

বিষয় ঃ গুৱাহাটী মহানগৰীৰ মাটিৰ ম্যাদী পট্টন।

শ্রীহিতেশ ডেকাই সুধিছে ঃ

৩৭। মানমীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বেদখলকাৰীৰ কবলত থকা গুৱাহাটী মহানগৰীৰ মাটিৰ ম্যাদী পট্টন দিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে নেকি?

(খ) যদি লৈছে, কি কি নীতিৰ আধাৰত এনে পট্টন দিয়া হব?

(গ) এই মহানগৰীত মুঠতে কিমান মাটি বেদখলকাৰীৰ কবলত আছে আৰু ই মুঠ মাটিৰ কিমান শতাংশ?

(ঘ) বেদখলকাৰীৰ ভিতৰত (১) আৰক্ষী বাহিনীৰ লোক আৰু (২) অন্যান্য চৰকাৰী চাকৰিয়ালৰ সংখ্যা কিমান?

(ঙ) বেদখলকাৰীৰ ভিতৰত কিমান লোক প্ৰকৃততে ভূমিহীন?

শ্ৰীমুকুট শৰ্ম্মা, (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যি সকল ভূমিহীন লোকে ১৫ বছৰ বা ততোধিক কাল ঘৰ বস্তি সহ গুৱাহাটী মহানগৰীত চৰকাৰী মাটি দখল কৰি আছে সেই সকল পৰিয়ালৰ তেনে ভাবে দখলত থকা সৰ্ব্বোচ্চ ১ কঠা ১০ লেচালৈ মাটি ভূমিনীতিৰ আধাৰত আৰু যোগ্যতাৰ ভিত্তিত পট্টন দিয়াৰ সিদ্ধান্ত লোৱা হৈছে।

(খ) চৰকাৰৰ ভূমিনীতিৰ আধাৰত আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষই বান্ধি দিয়া বিধি বিধানৰ ভিত্তিত এনে পট্টনৰ ব্যৱস্থা লোৱা হৈছে।

(গ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

(ঘ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

(ঙ) বিষয়টো পৰীক্ষাধীন হৈ আছে।

বিষয় ঃ নিযুক্তিৰ তালিকা।

শ্ৰীমতী ৰূপম কুমৰীয়ে সুধিছে ঃ

৩৮।মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

যোৰহাট জিলাৰ মৰিয়ণী সমষ্টিত শিক্ষিত যুবক যুকতীক এতিয়ালৈকে বৰ্ত্তমান চৰকাৰৰ কার্য্যকাল চোৱাত চৰকাৰী বেচৰকাৰী বিভিন্ন কার্য্যালয়ত Employment Exchange যোগে কিমান নিযুক্তি দিলে তাৰ এটি তালিকা এই সদনত দাখিল কৰিবনে?

শ্রীচিলভিউচ কন্দপান (নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

যোৰহাট জিলা নিয়োগ বিনিময় কেন্দ্রৰ মৰিয়ণী সমষ্টিৰ ১১ জন পঞ্জীভূক্ত নিবনুৱাই বৰ্ত্তমান চৰকাৰৰ কার্য্যকাল চোৱাত উক্ত নিয়োগ বিনিময় কেন্দ্রৰ যোগেদি নিযুক্তি লাভ কৰে। তেওঁলোকৰ তথ্য তলত দিয়াৰ দৰে --

১) শ্রীমৃদু পৱন ববগোঁহাই (অন্যান্য পিচপৰা শ্রেণীৰ)
২) শ্রীবর্ণো তছা (চাহ বাগিচাৰ শ্রমিক)
৩) শ্রীদেৱেন গগৈ (অন্যান্য পিচপৰা শ্রেণীৰ)
৪) শ্রীৰহিত ববা (অঃ অন্যান্য পিচপৰা শ্রেণীৰ)
৫) শ্রীবুর্দ্ধেশ্বৰ সেৱা (চাহ বাগিচাৰ শ্রমিক)
৬) শ্রীমহিবুদ্দিন আহমেদ (সংখ্যালঘু))
৭) শ্রী ৰাজীৱ শইকীয়া (সাধাৰণ শ্রেণীৰ)
৮) শ্রীনৱজিৎ শইকীয়া (")
৯) শ্রীলোহিত কোঁৱৰ (অন্যান্য পিচপৰা শ্রেণীৰ)
১০) শ্রীমতী জোনলতা গগৈ (")
১১) শ্রীবিমল পাল (সংখ্যালঘু)

ক্রমিক নং ১ ৰ পৰা ১০ লৈ আটাইকেইজনে ব্যক্তিগত খণ্ডত নিযুক্তি পাইছে আৰু ক্রমিক নং ১১ য়ে কেন্দ্রীয় চৰকাৰৰ কার্য্যালয়ত নিযুক্তি পাইছে।

বিষয় ঃ ২ টকীয়া চাউল যোগান।

শ্রীমুনীন মহন্তই সুধিছে ঃ

২৯।মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

ক) চলিত বছৰৰ ফেব্রুৱাৰী মাহৰ ২০ তাৰিখ পর্য্যন্ত অসম চৰকাৰে ২.০০ টকীয়া চাউল কিমানজন লোকক দিলে জনাবনে?

খ) উক্ত লিষ্টিভূক্ত সকলে উক্ত তাৰিখলৈকে গাই পতি কিমান কেজি, কিমান দিনৰ বাবে পালে হিচাপটো জনাবনে?

গ) বর্ত্তমান পুণৰ এই আঁচনি সম্প্রসাৰিত কৰাৰ আচনি লৈছে নেকি?

ঘ) যদি লৈছে, কিমান জনক দিয়াৰ লক্ষ নির্দ্ধাৰণ কৰিছে?

ঙ) উক্ত আচনি কাৰ যোগেদি ৰূপায়ণৰ ব্যৱস্থা কৰিব, আৰু উপভোক্তা সকল কেনেদৰে নির্ধাৰিত হব?

চ) ২.০০ টকীয়া চাউলৰ আচনি ৰূপায়ণ কৰিবলৈ যাওঁতে সমবায় সমিতি সমূহক বর্ত্তমানলৈকে কিমান টকা আদায় দিবলৈ বাকী আছে জনাবনে?

ডাঃ অর্দ্ধেন্দু কুমাৰ দে (খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) চলিত বছৰৰ ফেব্রুৱাৰী মাহৰ ২০ তাৰিখ পর্য্যন্ত প্রতি মাহে ৪ (চাৰি) লাখ পৰিয়ালক প্রায় ১৬ লাখ লোকক ২ টকীয়া চাউলৰ যোগান দি থকা হৈছে।

খ) বর্ত্তমানলৈকে প্রতি পৰিয়ালত প্রতি মাহে জনমূৰি ৪ (চাৰি) কেজি হিচাবে অধিকতম ১৬ কেজিকৈ ২ টকীয়া চাউল দিয়া হৈ আছে।

গ) হয়। অহা বিত্তীয় বছৰৰ (১৯৯৫-৯৬) পৰা সম্প্রসাৰণৰ আচনীৰ প্রস্তাব লোৱা হৈছে।

ঘ) প্রায় ১৫,৩৩,০০০ টা দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালক ২ টকীয়া চাউলৰ যোগান ধৰাৰ লক্ষ্য নির্দ্ধাৰণ কৰা হৈছে।

ঙ) স্থানীয় জিলা ও মহকুমা কর্ত্তৃপক্ষৰ জৰিয়তে উক্ত আচনি ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। বছৰি ৬৪০০ টকা আয়ৰ তলত বসবাস কৰা প্ৰতি পৰিয়ালকে উক্ত আচনিৰ উপভোক্তা নিৰ্দ্ধাৰণ কৰা হব।

চ) এই সম্পৰ্কত চৰকাৰৰ ওচৰত কোনো তথ্য নাই।

বিষয় ঃ গভীৰ নলী-নাদৰ আচঁনি।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৪০ । মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধাৰাপুৰ, পাচনীয়াপাৰা, মাঝিৰ গাওঁৰ গভীৰ নলী-নাদৰ আচঁনি কেইটাৰ কাম কিমান শতাংশ সম্পূৰ্ণ হ'ল?

(খ) উক্ত আচঁনি তিনিটাৰ বাবে সৰ্বমুঠ কিমান টকা ধাৰ্য্য কৰা হৈছিল আৰু যোৱা তিনিটা বছৰত এই আচঁনি কেইটাৰ বাবে চৰকাৰে কিমান টকা ধাৰ্য্য কৰি কিমান টকা খৰছ কৰিলে, জনাবনে?

(গ) এই আচঁনি কেইটা কেতিয়া সম্পূৰ্ণ কৰি খেতিৰ পথাৰত পানীৰ যোগান ধৰিব পাৰিব, জনাবনে?

(ঘ) মিৰ্জাপুৰ, বৰঝাৰ আৰু ৰাণীত তিনিটা গভীৰ নলী-নাদৰ আচঁনিৰ বাবে বিবেচনা কৰা হ'ব বুলি বিগত অসম বিধান সভাৰ (৮-৯-৯৩) মজিয়াত প্ৰতিশ্ৰুতি দিয়া নাছিলনে?

(ঙ) যদি দিছিলে, তেনেহলে সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি আচঁনি তিনিটা কিবা হ'লনে?

শ্ৰীজেহিৰুল ইছলাম (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধাৰাপুৰ পাচনীয়াপাৰা গভীৰ নলী-নাদ আচঁনিৰ প্ৰায় ৬০% (ষাঠি শতাংশ) আৰু মাঝিৰ গাওঁ গভীৰ নলী-নাদ আচঁনিৰ ৩০% (ত্ৰিশ শতাংশ) কাম সম্পূৰ্ণ হৈছে।

(খ) ধাৰাপুৰ পাচনীয়াপাৰা গভীৰ নলী-নাদ আচঁনিখনৰ বাবে ১৬,০৬,৮৬০.০০ টকা আৰু মাঝিৰ গাওঁ গভীৰ নলী-নাদ আচঁনিখনৰ বাবে

১১,৭৩,৩৩০.০০ টকা প্রশাসনীয় অনুমোদন দিয়া হৈছে। এই আচঁনিবোৰৰ বাবে যোৱা তিনিটা বছৰৰ ধার্য্য কৰা ধন আৰু খৰছৰ পৰিমান এনে ধৰণৰ।

ধাৰাপুৰ পাচনীয়াপাৰা গভীৰ নলী-নাদ জলসিঞ্চন আচঁনি ঃ-

খৰছ	ধার্য্য কৰা ধনৰ পৰিমান
১৯৯১-৯২ - ২.৭৫ লাখ	নাই
১৯৯২-৯৩ - ০.৮৩ লাখ	নাই
১৯৯৩-৯৪ - ২,৮৪ লাখ	২,১৬ লাখ

মাঝিৰ গাওঁ গভীৰ নলী-নাদ জলসিঞ্চন আচঁনি ঃ-

১৯৯১- ৯২ - ১,১৯ লাখ	নাই
১৯৯২- ৯৩ - ০,০০৩৮ লাখ-	৭,০০ লাখ
১৯৯৩-৯৪ - নাই	নাই

(গ) প্রয়োজন অনুসৰি বিত্তীয় আৱন্টন পালে এই আচঁনি কেইখন ১৯৯৫-৯৬ চনৰ বিত্তীয় বছৰত সম্পূর্ণ হব বুলি আশা কৰা হৈছে।

(ঘ) "১৯৯৩-৯৪ চনত বিত্তীয় বছৰৰ বাবে নতুন আচঁনিৰ সূচী বর্ত্তমানলৈকে প্রস্তুত কৰা হোৱা নাই- যথা সময়ত বিবেচনা কৰা হ'ব" বুলিহে কোৱা হৈছিল। কোনো প্রতিশ্রুতি দিয়া হোৱা নাই।

(ঙ) প্রশ্ন নুঠে।

বিষয় ঃ সাহায্যৰ পৰিমাণ।

শ্রীশশকমল সন্দিকৈয়ে সুধিছে ঃ

৪১। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত যোৱা বছৰ হৈ যোৱা প্রবল বানপানী আৰু খৰাং বতৰত ভোগা কৃষকক ৰবি খেতিৰ কি কি সাহায্য দিয়া হৈছিল।

(খ) এই সাহায্যৰ পৰিমাণ কিমান?

শ্রীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত যোৱা বছৰ হৈ যোৱা আগতীয়া বানপানীত বিশেষকৈ ধেমাজী জিলাত ক্ষতি হয় আৰু শালি খেতিৰ সময়ত অসমৰ কেইখন মান জিলাৰ কিছু অংশত কিছু পৰিমাণে খৰাংৰ প্রভাব পৰে। বানপানী আৰু খৰাং বতৰৰ বাবে কোনো সাহায্য দিয়া হোৱা নাই।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ পঞ্জীয়ন ভূক্ত নিবনুৱাৰ সংখ্যা।

শ্রীনিজামউদ্দিন খানে সুধিছে ঃ

৪২ । মাননীয় নিয়োগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

ক) ১৯৯৫ চনৰ ১৫ ফেব্রুৱাৰীলৈকে পঞ্জীয়ন ভূক্ত নিবনুৱাৰ সংখ্যা কিমান?

খ) নিয়োগ বিনিময় কেন্দ্রৰ যোগেদি ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৫ চনৰ ১৫ ফেব্রুৱাৰীলৈকে কিমান যুবকক নিযুক্তি দিয়া হৈছে?

গ) নিয়োগ বিনিময় কেন্দ্রৰ যোগেদি সকলো বিলাক নিযুক্তি নিদিয়াৰ কাৰণ কি?

শ্রীচিলভিউচ কন্দপান (নিয়োগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈকে পঞ্জীয়ন ভূক্ত নিবনুৱাৰ সংখ্যা ১২,৮৬,৩৩৮ জন। ইয়াৰ ভিতৰত মহিলা প্রার্থীৰ সংখ্যা ২,৬১,৯৩৩ জন আৰু পুৰুষ প্রার্থীৰ সংখ্যা ১০,২৪,৪০৫ জন।

১৯৯৫ চনৰ ১ জানুৱাৰীৰ পৰা ১৫ ফেব্রুৱাৰীলৈকে পঞ্জীয়নভূক্ত নিবনুৱাৰ সংখ্যাৰ তথ্য সমূহ ক্ষেত্র কার্য্যালয়ৰ পৰা

সংগ্রহ কৰি থকা হৈছে। সংগহীত হলে সদনৰ মেজত দাখিল কৰা হব।

খ) নিয়োগ বিনিময় কেন্দ্র (বাধ্যতামূলক পদ্ধতি অধিসূচনা) আইন ১৯৫৯ ৰ বিধি অনুসৰি অসমৰ নিয়োগ বিনিময় কেন্দ্র সমূহলৈ অধিসূচীত পদ সমূহৰ ভিতৰত ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৪ চনৰ ৩১ ডিচেম্বৰলৈকে সর্ব্বমুঠ ৯০৮৪ জন পঞ্জীভূক্ত প্রার্থীয়ে প্রত্যক্ষভাবে বেতনভোগী পদত নিযুক্তি পায়। সংগৃহীত তথ্য অনুসৰি ১৯৯১ চনৰ ১ জুলাইৰ পৰা ১৯৯৪ চনৰ ৩০ নবেম্বৰলৈকে অসমত থকা বিভিন্ন ৰাজহুৱা /বেচৰকাৰী প্রতিস্থান / কার্য্যলায়ত আদিত সর্ব্বমুঠ ৭,৪৪,৩৩৬ (সাত লাখ চ'ৰাল্লিশ হেজাৰ তিনিশ ছয়ত্রিশ) জন বিননুৱা ব্যক্তিয়ে বেতনভোগী /স্ব-নিয়োজন আৰু শ্রমদিবস সৃষ্টি (Mandays created) হিচাবত নিযুক্তি লাভ কৰে। ইয়াৰ ভিতৰতে ৬৯,২৪৮ (উনাসত্তৰ হেজাৰ দুশ আঠচল্লিশ) জনে বেতনভোগী পদত ৪,৪১,২০১ (চাৰি লাখ একচল্লিশ হেজাৰ দুশ এজনে) স্ব-নিয়োজনৰ ক্ষেত্রত আৰু ২,৩৩,৮৮৭(দুই লাখ তেত্রিশ হেজাৰ আঠশ সাতাশি) জনে চৰকাৰৰ বিভিন্ন কর্ম্মমুখী আচঁনিৰ যোগেদি কর্ম্ম সংস্থাপন লাভ কৰে।

১৯৯৫ চনৰ ১ জানুৱাৰীৰ পৰা ১৫ ফেব্রুৱাৰীলৈকে নিয়োগ বিনিময় কেন্দ্রৰ যোগেদি নিযুক্তি দিয়া যুৱকৰ সংখ্যাৰ তথ্য সমূহ ক্ষেত্র কার্য্যালয়ৰ পৰা সংগ্রহ কৰি থকা হৈছে। সংগৃহীত হ'লে সদনৰ মেজত দাখিল কৰা হব।

গ) নিয়োগ বিনিময় কেন্দ্রৰ 'বাধ্যতামূলক পদৰিক্ত অধিসূচনা আইন' (১৯৫৯) চনৰ ধাৰামতে নিয়োগ বিনিময় কেন্দ্রত খালী পদৰ অধিসূচনা (Notification) দিয়াটোহে বাধ্যতামূলক।

বিষয় ঃ মীন কল্যাণ আচঁনি।

শ্রীমতী ৰূপম কূৰ্ম্মীয়ে সুধিছে ঃ

৪৩। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱহাট জিলাৰ মৰিয়ণি সমষ্টিৰ চেলেংহাট অঞ্চলৰ ৰজাবাৰি (Leprosy Colony) ত এটি বিল অৱস্থিত আৰু এই বিলত কুষ্ঠৰোগী সকলৰ জীৱিকাৰ সুবিধার্থে মন্ত্রী মহোদয়ে মীন পালনৰ এটি আচঁনি প্রস্তুতিকৰণ কৰিবনে?

(খ) যদি কৰিব, কেতিয়া?

(গ) এইয়া কিমান টকাৰ আচঁনি হব?

শ্রীচিলভিউছ কন্দপান (মীন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এনে কোনো আচঁনি মীন বিভাগে লোৱা নাই। সংশ্লিষ্ট মহলে মীন পালনৰ বাবে বিভাগক আবেদন জনালে কুষ্ঠৰোগী সকলৰ কল্যাণার্থে বিলখনৰ উন্নয়ণৰ বাবে আচুঁনি প্রস্তুত নিশ্চয় কৰিব পৰা যাব।

(খ) ধনৰ মঞ্জুৰী সাপেক্ষ আচঁনি প্রস্তুত কৰিব পৰা হব।

(গ) জৰিপ ও প্রাক্কলন প্রস্তুত কৰাৰ পিছত টকাৰ পৰিমাণ জানিব পৰা হব।

বিষয় ঃ জলসিঞ্চন আঁচনি চালু।

শ্রীমুনীন মহন্তই সুধিছে ঃ

৪৪। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে ঃ

(ক) পথাৰ পৰিচলনা সমিতি সমুহৰ জৰিয়তে 'সমন্নিত জলসিঞ্চন আচঁনি' ১৯৯৪-৯৫ চনত ৰাজ্যখনত কিমানটা চালু কৰা হ'ল জনাবনে?

(খ) মৰিগাওঁ জিলাত পঞ্জীয়নভূক্ত বা পঞ্জীয়ন নোহোৱাকৈ থকা কিমান পথাৰ পৰিচালনা সমিতি গঠিত হৈ জিলা কৃষি বিষয়াৰ কার্য্যায়লত আছে জনাবনে?

(গ) মৰিগাওঁ জিলাত 'সমন্নিত জলসিঞ্চন আচঁনি' কিমানখন বর্ত্তমান চালু হৈ আছে আৰু ১৯৯৪-৯৫ চনত কেইখন নতুনকৈ হ'ল সমষ্টি

ভিত্তিত জনাবনে?

(ঘ) মৰিগাওঁ জিলাত জলচ্ছেদ প্ৰকল্প কেইটা আছে, নামসমূহ জনাবনে?

(ঙ) ভূৰবন্ধা জলচ্ছেদ প্ৰকল্পৰ অগ্ৰগতি আৰু ইয়াৰ জৰিয়তে স্থানীয়ভাবে পানী যোগান দি কিমান বিঘা মাটিত খেতি কৰাৰ সুবিধা দিয়া হৈছে জনাবনে?

(চ) যদি হোৱা নাই, কিয় হোৱা নাই?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (কৃষি মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৩-৯৪ চনৰ মঞ্জুৰীপ্ৰাপ্ত টকাৰ দ্বাৰা এতিয়ালৈকে ১৯৯৪-৯৫ চনত মুঠ ৬৪ টা সমন্বিত জলসিঞ্চন আঁচনি চালু কৰা হৈছে।

(খ) মৰিগাওঁ জিলাত ৬৪৩ খন পথাৰ পৰিচালনা সমিতি গঠিত হৈ জিলা কৃষি বিষয়াৰ কাৰ্য্যালয়ৰ অধীনত পঞ্জীয়নভূক্ত হৈছে আৰু কোনো পথাৰ পৰিচালনা সমিতি পঞ্জীয়নভূক্ত নোহোৱাকৈ থকা নাই।

(গ) মৰিগাওঁ জিলাত বৰ্ত্তমান ৪৪ খন সমন্বিত জলসিঞ্চন আঁচনি চালু হৈ আছে আৰু ১৯৯৪-৯৫ চনত জাগীৰোড সমষ্টিত ৪ খন, লাহৰিঘাট সমষ্টিত ৪ খন আৰু ধিং সমষ্টিত ২ খন, মুঠ ১০ খন আঁচনি ৰূপায়িত কৰা হৈছে।

(ঘ) মৰিগাওঁ জিলাত তিনিটা জলসিঞ্চন প্ৰকল্প আছে।

১। লক্ষ্মী নিজৰা।

২। কেদাৰতলা সোণডুবা।

৩। সোণাই বন্ধা।

(ঙ) ভূৰবন্ধা নামৰ কোনো জলচ্ছেদ প্ৰকল্প নাই। কিন্তু ভূৰবন্ধা উন্নয়ণ খন্দৰ অন্তৰ্গত সোণাই বন্ধা জলচ্ছেদ প্ৰকল্পৰ যোগেদি ভূৰবন্ধাত ৫০০ একৰ মাটিত জলসিঞ্চন কৰাৰ ব্যৱস্থা আছে।

(চ) প্ৰশ্ন নুঠে।

Mr. Speaker : Now Question Hour is over.

* শ্রীচন্দ্রমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য এজনে এটা প্রশ্নৰ উত্তৰ নষ্ট কৰিলে। গতিকে মাননীয় অধ্যক্ষ মহোদয়ে এইটো বিবেচনা কৰি কি সিদ্ধান্ত ললে হাউচক জনাবনে।

DISCUSSION DURING ZERO HOUR

Hon'ble Speaker :- I have received as many as 8 Zero Hour notices for 16-3-95 in the name of the following Hon'ble Members :

1. Dr. Zoii Nath Sharma,
2. Dr. Zoii Nath Sharma
3. Shri Nizamuddin Khan
4. Shri Nizamuddin Khan
5. Dr. Kamala Kalita
6. Shri Hitendra Nath Goswami
7. Shri Phanibhusan Choudhury
8. Shri Mission Ranjan Das

As per Rules, I have selected only 3 Zero Hour Notices for raising before the House today.

Shri Derhagra Mosahary:-Point of Order Sir, ...

Hon'ble Speaker :- This is to be completed within five minutes.

---

*Speech not corrected.

I now, call upon the Hon'ble Member Dr. Zoii Nath Sharma to raise his Zero Hour motion which was published in 'Ajir Batory' dated 14-3-95 under the caption - "চৰকাৰী অবহেলাৰ অভিযোগ"

Shri Derhagra Mochahary:- Point of Order Sir, ...

Hon'ble Speaker :- Please take your seat. You please take your seat.

* ডাঃ শ্রীজয়নাথ শর্ম্মা :- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৪ তাৰিখৰ "আজিৰ বাতৰি" নামৰ কাকতত প্রকাশিত বাতৰি কাকতৰ বিভিন্ন পর্য্যায়ৰ কর্ম্মাচাৰী সকলৰ অভিযোগৰ সম্পর্কে চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছোঁ। এই বাতৰি কাকতৰ সম্পর্কত জানিব বিচাৰিছোঁ যে বাতৰি কাকতৰ কর্ম্মচাৰী সকলৰ দর্মহা নির্দ্ধাৰণ কাৰণে কেন্দ্রীয় চৰকাৰে ১৯৭৯ চনতে মিঃ ই, উ, এন, ৰাছাৰাটৰ চেয়াৰমেনস্বীপৰ তলত এটা দৰমহা আয়োগ গঠন কৰি দিয়ে। এই আয়োগৰ পৰামর্শাৱলী ভাৰতৰ অন্যান্য ৰাজ্যত কার্য্যকৰী হ'ল। কিন্তু আমাৰ অসমত বহুতো বাতৰি কাকতৰ সাংবাদিক অ-সাংবাদিক তথা অন্যান্য বাতৰি কাগজৰ কর্ম্মচাৰী সকলে পাবলগা সা-সুবিধা তথা দৰমহা আদি আজিলৈকে পোৱা নাই। গতিকে অসমৰ সকলো ধৰণৰ বাতৰি কাকতৰ কর্মচাৰী ফেডাৰচনে আজি লাষ্টগেটৰ ওচৰত ফিল্ডত অৱস্থান ধর্মঘট আৰম্ভ কৰিব বুলি বাতৰি কাকতত প্রকাশ কৰিছে । -- মাননীয় সদস্য গৰাকীয়ে পাঠ কৰি দিয়ে --।

---

*Speech not corrected.

" অসমৰ বিভিন্ন বাতৰি কাকত প্ৰতিষ্ঠানত কৰ্মৰত সাংবাদিক - অ-সাংবাদিক কৰ্মচাৰীসকলক এক উমৈহতীয়া মঞ্চত একত্ৰিত কৰাৰ উদ্দেশ্যেৰে গঠণ কৰা হয় । " সদৌ অসম বাতৰি কাকত কৰ্মচাৰী ফেডাৰেচনৰ। অসমত বাতৰি কাকতৰ সংখ্যা ক্ৰমবৰ্দ্ধমান হাৰত বৃদ্ধি পাইছে যদিও সেই অনুপাতে বিভিন্ন বাতৰি কাকত প্ৰতিষ্ঠানত কৰ্মৰত সাংবাদিক - অ-সাংবাদিক প্ৰেছ-কৰ্মীসকলৰ অৱস্থাৰ বিশেষ কোনো উন্নতি সাধন হোৱা নাই। নূন্যতম সা-সুবিধা খিনিৰ পৰাও বঞ্চিত হৈ আছে প্ৰেছ কৰ্মীসকল। সমাজৰ উত্তৰোত্ত উন্নয়ণত অহৰহ বৰঙনি যোগাই অহা বাতৰি কাকত সমূহৰ অন্যতম মূলধন প্ৰেছ কৰ্মী সকলৰ প্ৰয়োজনীয় সা-সুবিধা নিশ্চিত কৰাটো প্ৰতিজন সচেতন নাগৰিকৰে কাম্য হোৱা উচিত। আপোনালোকৰ সহায়-সহযোগীতাৰে বৰ্ত্তমান অৱস্থাৰ পৰিবৰ্ত্তন সাধনৰ প্ৰচেষ্টাত আমি ব্ৰতী হৈছোঁ। এই উদ্দেশ্য আগত ৰাখিয়েই প্ৰেছ কৰ্মী সকলৰ গুৰুত্বপূৰ্ণ কেইটামান দিশৰ প্ৰতি আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছোঁ।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য গৰাকীয়ে এই বিষয়টোৰ কাৰণে বেলেগে প্ৰশ্ন আনিব লাগে। কাৰণ মাত্ৰ পাঁচ মিনিট সময়হে প্ৰত্যক গৰাকী সদস্যকে দিয়া হৈছে। ইতিমধ্যে বহুতো সময় পাৰ হৈ গ'ল।

* ড ঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বাতৰি প্ৰতিষ্ঠানৰ কৰ্মচাৰী সকলৰ প্ৰতি কি সু-ব্যৱস্থা হাতত লৈছে আৰু ৰাছৰাট আয়োগে নিৰ্দ্ধাৰণ কৰা দৰমহা আয়োগৰ মতে কাৰ্য্যকৰী কৰিছে নে নাই সেই বিষয়ে জনাবলৈ বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ।

---

*Speech not corrected.

* শ্রী দিলেশ্বৰ তাঁতী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ প্ৰতিষ্ঠানৰ কৰ্মচাৰী ফেডাৰেচনে অৱস্থান ধৰ্মঘট আৰম্ভ কৰা কথাটো মই পলমকৈহে জানিব পাৰিছোঁ । গতিকে এই সম্পৰ্কত জনাব বিচাৰোঁ যে অসমৰ তিনিখন বাতৰি কাকত, "আজিৰ বাতৰি, দৈনিক অসম অৰু চেন্টিনেল নামৰ বাতৰি কাকতৰ কৰ্মী সকলে আয়োগৰ নিয়ম অনুসৰি সা-সুবিধা পাইছে বুলি খবৰ পাইছোঁ।

* ড ঃ জয়নাথ শৰ্মা ঃমাননীয় অধ্যক্ষ মহোদয়, এই তিনি খন বাতৰি কাকতৰ বাহিৰে অন্যান্য বাতৰি কাকতৰ সাংবাদিক- অ-সাংবাদিক সকল আৰু কৰ্মচাৰী সকলে প্ৰয়োজনীয় সুবিধা আদি পাইছে নে নাই আৰু কিয় পোৱা নাই আৰু কেতিয়া পাব, তাৰ বিষয়ে বিল উত্থাপন হ'ব নে? সেই বিষয়ে জানিব বিচাৰোঁ।

মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ মালিক সকলৰ পেপাৰ কিমান চৰ্কোলাৰ হৈছে এই সম্পৰ্কে যোগাযোগ কৰা হৈছে। সেই সম্পৰ্কে তেখেত সকলৰ পৰা এতিয়াও কোনো তথ্য পোৱা নাই । কেইদিনমানৰ আগতে বাতৰি কাকতৰ সম্ভাই মোক লগ কৰিছিল। তেতিয়া এইখিনি কথা মোৰ লগত আলোচনাও হৈছিল। তেতিয়া মই তেখেত সকলক কৈছিলো যে আমি দ্বিতীয় বৈঠক পাতিব পৰা নাই । ইতিমধ্যে প্ৰথম বৈঠক পতা ৯ মাহ পাৰ হৈ গ'ল। এতিয়া বিধানসভা শেষ হোৱাৰ পিচত আমি দ্বিতীয় বৈঠক পাতিম বুলি প্ৰতিশ্ৰুতি দিছো। আমি যিবিলাক তথ্য বিচাৰিছো সেই তথ্য বিলাক বাকী গ্ৰুপ আৰু বাতৰি কাকতৰ যি সকল কৰ্ম্মচাৰী আছে আৰু সাংবাদিক আছে

*Speech not corrected.

তেখত সকলৰ পৰা তথ্য পালে ইমপ্লিমেনটেচন কৰা হ'ব। লগতে বাতৰি কাকতৰ মালিক সকলৰ পৰা যিখিনি প্ৰশ্নৰ ইমপ্লিমেনটেচন হোৱা নাই সেইখিনিও কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব।

* ডাঃ জয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতৰ কৰ্ম্মাচাৰী সকলৰ ক্ষেত্ৰত ইমপ্লিমেনটেচন কৰাৰ কাৰণে এখন বিল আনিব লাগে। কোন কোন পেপাৰত কৰ্ম্মাচাৰী কি কি গ্ৰুপত ভাগ কৰা হৈছে সেই গ্ৰুপৰ লিষ্ট এখন আছে সেই লিষ্টখনত বিলখন আনিব নে নানে?

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো এই কাৰণেই উত্থাপন কৰা হৈছে যে বাতৰি কাকত আৰু সাংবাদিক সকলক ৯ টা স্পেচিফিকেচন কৰা হৈছে। মাননীয় শ্ৰম মন্ত্ৰী মহোদয়ে এই আইনখনত বিল এখন আনিব পাৰিব নে নোৱাৰে?

মাননীয় অধ্যক্ষ ঃ 'জিৰো' আৱাৰত এনেকৈ কোনেও চলাব নোৱাৰে।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ ৩০ মাৰ্চ তাৰিখে অসমৰ মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এটা আশ্বাস দিছিল যে যি বাতৰি কাকত ইমপ্লিমেনটেচন কৰা নাই সেই কেইটা কৰা হ'ব।

* শ্ৰীদিলেশ্বৰ তাঁতী (শ্ৰম মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিয়াৰ পিচতো ষ্টেণ্ডিং কমিটিৰ বৈঠক বহিবৰ কাৰণে যিখিনি তথ্য লাগে, সেই তথ্য খিনি আজিলৈকে পোৱা নাই। তাৰোপৰি এৱাৰ্ড বিলখন অনাৰ যদি

---

*Speech not corrected.

প্রয়োজনীয় অনুভৱ কৰা হয় তেতিয়া অনা হ'ব।

Mr. Speaker : Now I call upon the Hon'ble Member, Shri Hitendra Nath Goswami to raise his Zero Hour Motion which was published in 'Dainik Janambhumi' dtd. 4.2.95 under the caption - "যোৱহাটৰ পৰা প্ৰত্নতত্ব বিভাগৰ কার্য্যালয় স্থানান্তৰৰ পৰিকল্পনা।"

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় উচ্চ শিক্ষা মন্ত্রী মহোদয়ক এটা মূল্যবান বিষয় শূন্য কালীন ঘন্টাত তেখেতৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। অসমৰ প্রাচীন আৰু বহুমূলীয়া কলা-কীর্তিসমূহ পঞ্জীকৰণ, অধিগ্রহণ আৰু সংৰক্ষণৰ ব্যৱস্থা লবলৈ আৰু সেই মূল্যবান সামগ্রীসমূহৰ আন্তঃৰাজ্যিক আৰু বৈদেশিক চোৰাং-চালান বন্ধ কৰিবৰ উদ্দেশ্যে, কেন্দ্রীয় চৰকাৰৰ নির্দেশ ক্রমে অসমৰ প্রত্নতত্ব সঞ্চালকালয় বিভাগে গুৱাহাটী আৰু যোৱহাটত দুটা আঞ্চলিক পঞ্জীয়ন বিষয়াৰ কার্য্যালয় স্থাপন কৰিছিল।

১৯৭৬ চনৰ আগষ্ট মাহৰ ১৬ তাৰিখে যোৱহাটৰ আঞ্চলিক কার্য্যালয়টো আনুষ্ঠানিক ভাৱে মুকলি কৰা হয়। যোৱহাট আঞ্চলিক কার্য্যালয় অন্তর্গত শিৱসাগৰ, যোৱহাট, গোলাঘাট, ডিব্রগড়, তিনিচুকীয়া, কার্বি আলং, উত্তৰ কাছাৰ, কাছাৰ আৰু কৰিমগঞ্জ জিলা আছে। এই জিলা বিলাকত যিবিলাক প্রাচীন ঐতিহাসিক সম্পদ আছে, সেই প্রাচীন সম্পদৰাজিৰ চোৰাং ব্যৱসায় বন্ধ কৰি সংৰক্ষণ কৰা এই কার্য্যালয়ৰ মূল উদ্দেশ্য প্রাচীন কলা-সম্পদসমূহ

কম-বেছি পৰিমাণ অসৎ ভাবে বা চোৰাং কৈ স্থানান্তৰিত আৰু বিক্রী কৰা কার্য্য বর্ত্তমান আন্তর্জাতিক আলোচনা আৰু বিতর্কৰ বিষয় হৈ পৰিছে। মাননীয় মন্ত্রী মহোদয়ক আৰু এটা কথা তেখেতৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে ১৯৯১ চনৰ জুলাই মাহৰ পৰাই যোৰহাট কার্য্যালয়টোত পঞ্জীয়ন বিষয়া নাই। ভাৰতৰ প্রাচীন আৰু বহুমূলীয়া কলা সম্পদ সমূহৰ ৰপ্তানী নিয়ন্ত্রণ কৰা চোৰাং ব্যৱসায়ক প্রৱঞ্চনামূলক নাইবা অসৎ লেনদেনৰ পৰা এই কলা সম্পদসমূহ ৰক্ষা কৰা আৰু আৱশ্যক হ'লে এইবোৰ বাধ্যতামূলকভাবে অধিগ্রহণ আৰু সংৰক্ষণ কৰাৰ উদ্দেশ্যেৰে ১৯৭২ চনত "পুৰাৱশেষ আৰু কলাকীর্ত্তি অধিনিয়ম"খন লোকসভাত গৃহীত হয়। ১৯৭৩ চনৰ এপ্রিল মাহৰ ৫ তাৰিখৰ পৰা কেন্দ্রীয় চৰকাৰে এই অধিনিয়মখন বলবৎ কৰে। সেই অধিনিয়মখন আগত বলবৎ কৰাৰ বাবে অসম চৰকাৰেও কেন্দ্রীয় চৰকাৰৰ নির্দ্দেশত আগভাগ লৈছিল। কিন্তু বর্ত্তমান চৰকাৰে অসমৰ প্রত্নতাত্ত্বিক সম্পদসমূহৰ পঞ্জীয়ন তথা সংৰক্ষণৰ বাবে যোৰহাটত থকা পুৰাতত্ব বা প্রত্নতত্ব বিভাগৰ পঞ্জীয়ন বিষয়াৰ কার্য্যালয়টো কিয় উঠাই আনিবলৈ বিচাৰিছে? এইটো কোনো ৰাজনৈতিক বিষয় নহয়। সামগ্রিক আমাৰ স্বার্থৰ বিপৰীতে এই সিদ্ধান্ত লৈছে। কাৰণে আমাৰ নিজৰ বুৰঞ্জী, বহুমূলীয়া সাচী পাতৰ পুঠি সমূহ আৰু ৰজা-মহাৰজা সকলৰ কৃতিচিহ্ন বিলাক ৰক্ষা কৰিব নোৱাৰিলে ভৱিষ্যতে আমাৰ অতীতৰ কোনেও চিনাকী নাথাকিব। বৃটিছ সকলে ৰজা-মহাৰজাৰ দিনৰ চিহ্নবিলাকৰ বহুতো সংৰক্ষণ কৰি থৈ গৈছে। মই কব বিচাৰিছো যে ভাৰত চৰকাৰে ভাৰতীয় ঐতিহ্য ৰক্ষাৰ হেতু প্রাচীন সম্পদবিলাক

সংৰক্ষণ কৰা বাধ্যতামূলক কৰিছিল। অসম চৰকাৰেও ভাৰত চৰকাৰৰ নিৰ্দ্দেশ পালন কৰিবৰ কাৰণে উক্ত পঞ্জীয়ণ কার্য্যালয় স্থাপন কৰিছিল। কিন্তু যোৰহাটত বৰ্ত্তমানে কার্য্যালয়টো বন্ধ কৰাৰ চৰকাৰী সিদ্ধান্তই জনসাধাৰণৰ স্বার্থত আঘাট হানিছে। ১৯৯১ চনত জুলাই মাহৰ পৰাই পঞ্জীয়ণ বিষয়াৰ কাৰণে অসম চৰকাৰৰ বাৰম্বাৰ অৱগত কৰা স্বত্বেও আজিলৈকে সেই পদ পূৰণ নহল। অসমৰ প্রত্নতাত্বিক সম্পদসমূহ ৰক্ষা কৰিবৰ কাৰণে কার্য্যকৰী ব্যৱস্থা গ্রহণ কৰিব বুলি আশা ৰাখিছো আৰু সেইবাবে যোৰহাটৰ পঞ্জীয়ণ কার্য্যালয় সম্প্রতি চৰকাৰৰ দৃষ্টিভঙ্গী কি মই জানিব বিচাৰিছো।

* শ্রীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰিত ওলোৱাৰ পিচত এই বিষয়ে কি হৈছে সবিশেষ জানিবৰ কাৰণে মই বিভাগলৈ লিখিছো। মই হাউচলৈ অহাৰ আগতে অফিত খোলা নাছিল। যোৰহাটত মিউজিয়ামটো স্থায়ী কৰিবৰ কাৰণে ব্যৱস্থা লোৱা হ'ব।

শ্রীহিতেন্দ্র নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনতে অসমৰ প্রত্নতাত্বিক বিষয়টো আৰু অধিক কার্য্যক্ষম আৰু সম্প্রসাৰণ কৰিবৰ কাৰণে অসম চৰকাৰে প্রত্নতত্ব সঞ্চলকালয় আৰু সংগ্রহালয় সঞ্চলকালয় পৃথকীকৰণ কৰে। প্রতি জিলাতে একোখনকৈ সংগ্রহালয় স্থাপন কৰাটো অতি জৰুৰী। এই বিষয়ে কি ব্যৱস্থা লয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো। লগতে যোৰহাটৰ মিউজিয়ামটোৰ উপৰিও পঞ্জীয়ণ কার্য্যালয়টো চলাই যোৱাৰ বাবে চৰকাৰে শীঘ্রে ব্যৱস্থা গ্রহণ কৰিব লাগে।

---

*Speech not corrected.

* শ্রীগোলোক ৰাজবংশী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই ৰিপোর্ট বিচাৰিছো।

Mr. Speaker : I now, call upon the Hon'ble Member Dr. Kamala Kalita to raise his Zero Hour Motion which was published in 'Ajir Asom" dated 12.3.95 under the caption "ভূৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ পৰা ৰহস্যজনক ভাবে এক লাখ টকা মূল্যৰ সীহ অন্তৰ্দ্ধান।

ড° কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ অসম বাতৰি কাকতৰ ১৯৯৫ চনৰ ১২ মার্চ তাৰিখৰ "ভূৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ পৰা ৰহস্য জনক ভাবে এক লাখ টকা মূলৰ সীহ অন্তৰ্দ্ধান" শীৰ্ষক বাতৰিটোৰ প্ৰতি মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদযৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বাতৰি কাকতত গোটেই বিষয়টো সুন্দৰ ভাবে প্ৰকাশ পাইছে। এই বিষয়ে মই আৰু দিঘলীয়া কৰিব বিচৰা নাই কিয়নো মাননীয় অধ্যক্ষ ডাঙৰীয়াই ইতিমধ্যেই চমুকে কৰলৈ নির্দ্দেশ দি থৈছে। মহানগৰীৰ বিৰুবাৰীত অৱস্থিত ডাঃ ভূৱনেশ্বৰ বৰুৱা কর্ক্কট প্ৰতিস্থানৰ পৰা এটা পৰীক্ষা গৃহৰ পৰা ৰহস্য জনক ভাবে ১০০০ ৰো অধিক কিলোগ্রাম ওজনৰ সীহ চুৰি হৈছে। আইষ্টপ গামা ৰেৰ কামত ব্যৱহাৰ হোৱা সীহ খিনিৰ মূল্য একলাখ টকাতকৈয়ো অধিক হব। দীর্ঘ দিন ধৰি অব্যৱহৃত হৈ থকাৰ মূৰত হঠাতে সীহ খিনি কোনো লোকে লুট কৰি নিয়ে। তথ্য ভিজ্ঞ মহলৰ মতে বন্দুকৰ গুলী তৈয়াৰ কৰাৰ কাৰণেই মূল্যবান সীহখিনি লুট কৰা হৈছে । ৭ কিলোগ্রাম ওজনৰ একোটা আকৃতিৰ এই সীহ খিনিৰ মুঠ ওজন ১১২০ কিলোগ্রাম।

---

*Speech not corrected.

ইয়াৰ মুঠ পৰিমাণ হ'ল প্ৰায় ১৬০ টা। আৰক্ষী সূত্ৰৰ পৰা জনামতে উক্ত সীহ খিনি কেতিয়া চুৰি হ'ল তাৰ কোনো তথ্য পোৱা নাই যদিও যোৱা ৯ জানুৱাৰীত কৰ্কট প্ৰতিস্থানৰ কৰ্ত্তৃপক্ষই প্ৰতিষ্ঠানৰ এগৰাকী ৪র্থ শ্ৰেণীৰ কৰ্ম্মচাৰী ইন্দ্ৰ কান্ত বড়োক বিৰুৱাৰী আৰক্ষী চকিত গটাই দিয়ে। অভিযোগ মতে বড়ো যুৱকক বড়ো উগ্ৰপন্থী সংগঠনৰ সৈতে জৰীত থকা সম্ভাৱনা আছে । যদি বাতৰিটোত উল্লেখ কৰা মতে এইকথা খিনি সচাঁ হয় তেতিয়াহলে চৰকাৰে ৰাজ্যখনত আইনশৃখলা পৰিস্থিতিৰ ক্ষেত্ৰত যি ব্যৱস্থা লৈছে সেই ক্ষেত্ৰত কি ব্যৱস্থা আছে সেইটো আমি গভীৰ ভাবে চিন্তা কৰি চোৱাতো প্ৰয়োজন হৈ পৰিছে। তাৰোপৰি এইটো সহজে অনুমান কৰিব পাৰি যে ইমান বৃহৎ পৰিমানৰ সীহ যেতিয়া প্ৰতিষ্ঠানৰ পৰা নোহোৱা হৈছে তেনে স্থলত এই ঘটনাৰ লগত প্ৰতিষ্ঠানৰ বিষয়া কৰ্ম্মচাৰী জৰীত আছে বুলি অনুমান হয়। ১২ মার্চ তাৰিখে ইমান বৃহৎ পৰিমানৰ সীহ প্ৰতিষ্ঠানৰ পৰা হেৰাই গৈছে বা চুৰি কৰি নিছে বা অন্তৰ্দ্ধান হৈছে, এই কথাটো কৰ্ত্তৃপক্ষই কেতিয়াগম পালে আৰু এই বিষয়ে গম পোৱাৰ পাচত কৰ্ত্তৃপক্ষই কি ব্যৱস্থা লৈছে এই বিষয়ে জনাব লাগে। বাতৰিটোত কোৱা হৈছে যে ৯ জানুৱাৰীত প্ৰতিষ্ঠানৰ এগৰাকী ৪র্থ শ্ৰেণীৰ চাকৰিয়ালক গ্ৰেপ্তাৰ কৰা হৈছিল তেওঁক জামীনত দিয়া হৈছে আৰু তেওঁৰ পৰা কিবা সূংসূত্ৰ ওলাইছে নেকি সেইটো জনাব লাগে। এখন হস্পিতালৰ পৰা ইমান বৃহৎ পৰিমাণৰ সীহ হঠাতে নাইকীয়া হোৱা কথাটো স্বাস্থ্য বিভাগৰে এখন অনুষ্ঠানৰ এই বিষয়টো কিয় ততালিকে জনাব পৰা নাই আৰু এতিয়ালৈকে কিয় এই বিষয়ে

তদন্ত কৰি ব্যৱস্থা লোৱা নাই? এইটো স্পষ্ট ধাৰণা হয় যে ইমান বৃহৎ পৰিমাণৰ সীহ অন্তর্দ্ধান হোৱাৰ বিষয়টোত সেই প্রতিষ্ঠানৰ কর্ম্মাচাৰী নিশ্চয় লিপ্ত আছে। গতিকেই মাননীয় মন্ত্রী মহোদয়ে এই বিষয়টো উপবিষ্ট কৰি গোটেই ঘটনাটো তদন্ত কৰি প্রকৃত দোষীক বিচাৰি উলিয়াই শাস্তি দিয়াৰ কি ব্যৱস্থা কৰিছে সেই বিষয়ো জনাব লাগে। আৰু এই ঘটনাৰ লগত যদি কোনোবা বিষয়া বা কর্ম্মাচাৰী জৰিত হৈ আছে তেতিয়াহলে সেই সকলৰ ওপৰত কিয় এতিয়ালৈকে ৰেচপনচিবিলিটি ফিক্স কৰা হোৱা নাই আৰু যদি কিবা ব্যৱস্থা হৈছে তেতিয়াহলে সেই বিষয়ে মাননীয় মন্ত্রী মহোদয়ে স্পষ্ট ভাবে সদনত জনাব বুলি আশা কৰিলো।

ডাঃ ভূমিধৰ বর্ম্মন (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়াই দৃষ্টি আর্কষণ মর্মে কব বিচাৰিছো ডাঃ বি , বৰুৱা কেঞ্চাৰ ইন্সটিউটত তাৰ এটা ষ্টোৰ ৰুমত পৰা সীহ খিনি নোহোৱা হোৱা কথাটো ৬/১/৯৫ তাৰিখে গম পোৱা গল যেতিয়া সেই ৰুমটোৰ তলা খোলা হৈছিল। তলাখোলাৰ পাচতেই গম পোৱা গল, তাত থকা সীহখিনি নাই। তাৰ লগে লগে পুলিচক খবৰ দিয়া হ'ল। পুলিচে লগে লগে অনুসন্ধান আৰম্ভ কৰিলে। কিন্তু সেই দিনাই তাৰ দায়িত্বত থকা চতুর্থ শ্রেণীৰ চাকৰীয়াল ইন্দ্র বড়ো অহা নাছিল। কিন্তু পাচত ৯ জানুৱাৰী তাৰিখে প্রতিস্থানৰ এগৰাকী চতুর্থশ্রেণীৰ কর্ম্মচাৰী ইন্দ্রকান্ত বড়োক গ্রেপ্তাৰ কৰিলে। অৱশ্যে পাচত জামিনত দিছে। এই প্রতিস্থানৰ লগত ডড়িত আৰু দুজন মানুহ আছে তাৰে এজন বিষয়া, কন্দর্প শর্ম্মা । এতিয়া এই বিষয়টো পুলিচৰ তদন্তধীন হৈ ছে। এতিয়া যিহেতু খবৰটো পালো এই বিষয়টো

আমি নিশ্চয় চালি জাৰি চাম। কিন্তু এতিয়ালৈকে ইন্দ্ৰ বড়োৱে স্বীকাৰ কৰা নাই, এতিয়ালৈকে বস্তুটো কত আছে খবৰ পোৱা নাই। সাধাৰণতে চকীদাৰ হিচাবে বড়োৰ হাততে তলা-ছাবি থাকে। আচৰিত কথা দুৱাৰত তলা মৰা আছিল আৰু মাজে সময়ে খোলাও হয়। আমাৰ ধাৰণা অলপ অলপ কৈ লৈ যোৱা হৈছে।

শ্ৰীনগেন শৰ্ম্মা ঃ উচ্চ পদস্থ বিষয়া জৰিত আছে নেকি সেইটো জনাব লাগে।

ডাঃ কমলা কলিতা ঃ মই স্পষ্টভাৱে জানিব বিচাৰিছো যে হস্পিতালৰ কৰ্ত্তৃপক্ষই কাৰো ওপৰত ৰেচপনচিবিলিটি ফিস্ক কৰা দায়িত্বত নাই নেকি?

Mr. Speaker : Mr. Kalita please stop. Zero hour is also very important and other Members will be given chance to speak on.

ডাঃ ভূমিধৰ বৰ্ম্মন ঃ (মন্ত্ৰী) ঃ এইটো এটা অটোনোমাচ বডি। তেওঁলোকৰ নিজা মেনেজিং কমিটি আছে। তথাপিতো চৰকাৰৰ ফালৰ পৰা আমি গোটেইখিনি কথা নিশ্চয় চাম।

ADJOURNMENT MOTION.

Mr. Speaker : I have received a motion of adjournment under Rule 56 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly given notice of

by Hon'ble Member Dr. Zoii Nath Sarma. Now, I would like to inform the House that this matter is under judicial enquiry. Till now, any matter referred for judicial enquiry has not been raised in the Assam Legislative Assembly as adjournment motion. So, I think it will not be proper to allow this Motion to be raised.

Dr. Zoii Nath Sarma : Mr. Speaker Sir, point of order Sir,

Mr. Speaker : Today I enquired the matter from the Chief Secretary to the Govt. of Assam. I have also got the matter clarified from other Ministers and from the Government. It was done. The Government also has written a letter to the Chief Justice to appoint a Judge. Cabinet memorandum also has been prepared. I am satisfied.

REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. Speaker : Now item No.2, Report of the Business Advisory Committee.

Report of the Business Advisory Committee, 16.3.95. Under Rule 230 of the Rules of Procedure

and Conduct of Business in Assam Legislative Assembly I called a meeting of the Business Advisory Committee in my Office Chamber at Dispur at 4 P.M. on 15th March, 1995 to consider the request made by the Hon'ble Chief Minister for shifting of date for reply of question listed for 20th March, 1995 as the Hon'ble Chief Minister will not be available for certian official work at Delhi and also to decide the rational allocation of time to different Legislature Parties/Groups/ Independent Members for the Debate on Governor's address.

The Committee after a threadbare discussion decided that questions listed for 20th March, 1995 would be taken up on 23rd March, 1995 and the question fixed for 23rd March, 1995 would be taken up on 20th March, 1995. The Committee also considered the request made by the Finance Minister to the Hon'ble Speaker for deferring questions fixed for 22nd March, 1995 pertaining to Finance Department and has decided unanimously that questions both Oral and Written pertaining to the Finance Department would be taken up on 29th March 1995, however the questions of other departqments fixed for that

day would remain undisturbed.

The Committee after a discussion and taking into consideration the number of days available for the Debate on Governor's Address decided to allocate time proportionately to different Legislature Parties/ Groups / Independent Members. The total time that would be made avilable for the Debate of Governor's Address would be approximately 11 hours i.e., 660 minutes and each member would get 5.2 minutes for which break up is shown below.

1.	ACLP (I) (including Associate Members)	: 352 minutes (5 hrs.5 minutes including the reply by the Hon'ble Chief Minister)
2.	A.G.P.(including Associate member)	: 131minutes(2hrs.11 minutes)
3.	B.J.P.	: 52 minutes
4.	C.P.I.	: 22 minutes
5.	C.P.I. (M)	: 12 minutes
6.	A.S.D.C.	: 22 minutes
7.	Independents	: 69 minutes (1 hr.9 minutes)

The committee has also discussed about the Voting on Demands for Supplementary Grants on priority basis.

The Committee unanimously authorised Hon'ble member Shri Promode Gogoi and Shri Hitendra Nath Goswami to indicate the name and number of Supplementary Demands for Grants for discussion. on priority basis to the Secretary, Assam Legislative Assembly so that list of cut Motions could be arranged by the office.

I hope this has the approval of the House.

(Voices - Yes, Yes)

Now item No.3: Shri Nizamuddin Khan to call the attention of the Minister, Industry under Rule 54 of the Rules of Procudure and Conduct of Business in Assam Legislative Assembly to the news item appearing in 'Ajir Asom' dated 15th February 1995 under the caption " কেইবাটাও উদ্যোগ ব্যক্তিগত খণ্ডলৈ।"

CALL ATTENTION NOTICE

* শ্রীনিজামুদ্দিন খান ঃ অসম বিধনিসভাৰ কার্য্যপৰিচালনা নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত ১৯৯৫ চনৰ ১৫ ফেব্রুৱাৰী তাৰিখৰ আজিৰ অসম কাকতৰ প্রকাশিত কেইবাটাও উদ্যোগ ব্যক্তিগত খণ্ডলৈ শীর্ষক বাতৰিটোৰ প্রতি উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষন কৰিলো।

---

* Spech not corrected.

শ্রীবিজিত শইকীয়া (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য নিজামুদ্দিন খান ডাঙৰীয়াৰ মনোযোগ আকর্ষণ প্রস্তাৱটিৰ প্রতি মোৰ দৃষ্টি আকর্ষণ হৈছে। কেন্দ্রীয় চৰকাৰৰ নতুন উদ্যোগ নীতিৰ পৰিপ্রেক্ষিতত অসমৰ যিবিলাক উদ্যোগে লোকচান ভৰিছে বা মৃতপ্রায় হৈছে সেই উদ্যোগ সমূহ পুনৰ জীৱিত কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে। সেই মর্ম্মে কেইটামান উদ্যোগ পৰিচালনা কৰিবৰ কাৰণে ব্যক্তিগত খণ্ডৰ উদ্যোগৰ লগত যোগাযোগ কৰি সেই উদ্যোগ সমূহ পৰিচালনা কৰিবলৈ দায়িত্ব অর্পন কৰা হৈছে। সেই হিচাবে অশোক কাগজ কল হায়দৰাবাদৰ চাংঘি গ্রূপৰ লগত বুজাবুজি কৰি ইয়াৰ পৰিচালনাৰ দায়িত্ব অর্পন কৰা হৈছে। ১৯৮৩ চনৰ পৰা অশোক কাগজ মিলটো বন্ধ হৈ আছিল। গতিকে ১৯৯২ চনৰ পৰা এই অশোক পেপাৰ মিলটো পুনৰ জীৱিত কৰিবলৈ চেষ্টা কৰি থকা হৈছে। প্রথমতে দালমিয়া গ্রূপৰ লগত চুক্তিকৰি প্রথমতে দালমিয়া গ্রুপৰ লগত কৰা হৈছিল। কিন্তু তেওঁলোকে আমাৰ চৰকাৰৰ লগত বুজা-বুজিৰ চুক্তি কৰি সেইটো উলঙঘন কৰাৰ কাৰণে সেই চুক্তি কেনচেল কৰা হয়। তাৰ পাচতহে হায়দৰাবাদৰ চাংঘানীয়া গ্রুপৰ লগত আলোচনা-বিলোচনা কৰি চাই অশোক পেপাৰ মিলটো তেওঁলোকৰ লগত চুক্তি কৰি লং টার্ম লিজত দিয়া চুক্তি কৰা হৈছে। লংটার্ম লিজত দিয়া চুক্তি হৈছে। অশোক কাগজ কলৰ কর্ম্মচাৰী আছে ৪৩১ জন। তেওঁলোকক চৰকাৰৰ ফালৰ পৰা সময়ে সময়ে নহলেও কেঁইবা মাহৰ দৰমহা মিলাই একেলগে দিয়াৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰি থকা হৈছিল। কিন্তু এইদৰে সদায়ে দি থকা ব্যৱস্থা অব্যাহত ৰাখিব পৰা নাযাব। সেই কাৰণে অসমৰ বৃহত্তৰ স্বার্থৰ খাটিৰত এটা বৃহৎ উদ্যোগ জিয়াই ৰখাৰ খাটিৰত অথবা বৃহৎ উদ্যোগ এটা পুনৰ জিৰীত কৰা খাটিৰত তাৰ উপৰি মিলটো আকাৰ বঢ়াই যিখিনি কর্ম্মচাৰী তাত কাম কৰি আছে, তেওঁলোকৰ উপৰিও নতুন কর্ম্মচাৰীৰ নিয়োগৰ ব্যৱস্থা কৰাৰ দিহা কৰা হৈছে। তাৰ

কাৰনেই এই ব্যৱস্থা লোৱা হৈছে। আজি মই সন্মনিত সদনত এই কথা প্ৰকাশ কৰিব পাই নথৈ সুখি হৈছো যে মাৰ্চৰ এক তাৰিখেই এই চুক্তি স্বাক্ষৰিত হৈছে আৰু চাংঘী গ্ৰুপৰ মানুহ পঠিয়াই মেলি তেওঁলোকে যন্ত্ৰপাতি আদি পৰীক্ষা নিৰীক্ষা আদি কৰি যিমান সোনকালে পাৰে মিলটো জীৱিত কৰাৰ ব্যৱস্থা লৈছে।

*শ্ৰীনিজামুদ্দিন খান ঃ মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে তাত ৪৩১ জন কৰ্ম্মচাৰী আছে। মন্ত্ৰী মহোদয়ে আশ্বাস দিবনে যে চাঙ্গী গ্ৰুপৰ লগত যি বুজাবুজি হৈছে তাৰ পিচত কল চলি থকা অৱস্থাত কৰ্ম্মচাৰী সকলক খেদি দিয়া নহয় ৰৰং তেওঁলোকৰ যি দা-দৰ্ম্মহা, আৰ্থিক সাহাৰ্য্য পাব লগা আছে সেইখিনি দিয়া হয়।

শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) ঃ চাঙ্গী গ্ৰুপে আশোক কাগজকলৰ বাবে মাহে ১ লাখ টকাকৈ বছৰি ১২ লাখ টকা অসম চৰকাৰক দিব। কল বিক্ৰী কৰাৰ সিদ্ধান্ত লোৱা নাই। ২৫ বছৰীয়া লিজত দিয়া হৈছে। তাৰ পিচত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰয়োজন হলে লিজ টাৰ্ম বঢ়াই দিয়া হব। প্ৰত্যেক বছৰে অসম চৰকাৰে ৯৬ লাখ টকা দৰমহা দিব লাগে। এতিয়া সেইটো দিব নালাগিব বৰঞ্চ ১২ লাখ টকা আৰু দৰমহাৰ নামত ৯৫ লাখ টকা ধৰিলে ১.৭ কোটি টকা চৰকাৰে পাব বুলি কব পাৰি। অশোক কাগজ কলটো আগতে যি অৱস্থাত চলি আছিল সেইমতে চলিলে সেই মিলে লাভ দিব নোৱাৰিব। চাঙ্গী গ্ৰুপে নতুন মেচিনাৰী আনি মিলটো সম্প্ৰাসৰিত কৰিব। তৃতীয় কথা হল অসম উদ্যোগীক উন্নয়ণ নিগমে ডিচ্‌কাছ প্লেন্টৰ লেটাৰ অব ইনটেন্ট পাইছিল। অশোক কাগজ কলে সেইটো বহুৱালে কমেও তিনি বছৰৰ ভিতৰত তিনি হাজাৰ কৰ্ম্মচাৰী নিয়োগ কৰিব পাৰিব। এই কথাটোৰ বুজাবুজি আছে যে অসমৰ থলুৱা বাসিন্দাক তাত নিয়োগ কৰিব। চিনটেক্সৰ কথাটো কৈছে। নতুন উদ্যোগ নীতিৰ

*Speech not corrected.

পৰিপ্ৰেক্ষিতত লোকচান হোৱা উদ্যোগ সমূহ ব্যক্তিগতকৰণৰ সিদ্ধান্ত লৈছো। চিনটেক্স মিলটো গোৱেংকা ওলেন মিলক দিয়াৰ বাবে কেবিনেটত সিদ্ধান্ত লৈছিল। সেই মিলৰ কৰ্ম্মচাৰী সকলে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰাৰ কাৰণে সেই ব্যৱস্থা কৰিব নোৱাৰিলো। উচ্চ ন্যায়ালয়ৰ ৰায় মতে নিবিদা আহ্বান কৰিছো। আমি এতিয়ালৈকে ভাল সহাৰি পাইছো। তিনি মাহৰ ভিতৰত নিবিদা মৰ্ম্মে এই মিলটোৰ পৰিচালনাৰ দায়িত্ব ব্যক্তিগত খণ্ডত দিয়াৰ ব্যৱস্থা কৰিম।

* শ্ৰীশশ কমল সন্দিকৈ ঃ এই মিলটোত ইলভেষ্টমেন্ট কিমান টকা আৰু বুজাবুজি চুক্তিৰ প্ৰতিলিপি সদনত পামনে?

* শ্ৰীবিজিত শইকীয়া (উদ্যোগ মন্ত্ৰী) ঃ বাতৰিটোৰ ওপৰত ভিত্তি কৰি সদনত জনাইছো। গোটেই কথাখিনি এতিয়া জনাব নোৱাৰিম। প্ৰয়োজন হলে পিচত জনাম। বুজাবুজি চুক্তিৰ প্ৰতিলিপি দিব পাৰিম।

* ডঃ জয়নাথ শৰ্ম্মা ঃ দালমিয়া চুক্তি কি কাৰণত নাকচ কৰা হল আৰু চাঙ্গী চুক্তিৰ লগত কি পাৰ্থক্য আছে? দুয়োখন হাউচত দিবনে?

* শ্ৰীবিজিত শইকীয়া ঃ (মন্ত্ৰী) ঃ তথ্যপাতি দিব পাৰিম। দালমিয়া চুক্তি নাকচ কৰা হল সেই বিষয়ে সদনত তিনিবাৰ জনাইছো।

MATTER UNDER RULE 301

Mr. Speaker : Its O.K. Now I have shifted to question No. 4. I request Hon'ble Member Shri Moulana Abdul Jalil Ragibi to draw his attention of the House regarding 'Panic created by human eater Tiger."

---

*Speech not corrected.

Shri Moulana Abdul Jalil Ragibi : Hon'ble Speaker Sir, I would like to draw the attention of the Minister, Wild Life by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "Panic created by human eater Tiger. " অধ্যক্ষ মহোদয়, এই বিষয়ত লামডিংত ঘটনাটো ঘটিছে। মই ৰিপোৰ্ট পোৱা মতে এটা বাঘে ৩০, ৪০ জন মানুহ হত্যা কৰিছে। গোটেই এলেকাটোত সাধাৰণ মানুহ ভীতিগ্রস্ত হৈছে, মই বন্যপ্রাণী সংৰক্ষণ মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সেই ঠাইত তদন্ত কৰিছিলনে নাই বিভাগীয় উচ্চ পদস্থ বিষয়া সকল এটা সাংঘাটিক ঘটনা ঘটাৰ পিচত কিয় যোৱা নাই। সাধাৰণ মানুহৰ মনৰ পৰা সন্ত্রাস দূৰীকৰণৰ কি ব্যৱস্থা কৰিছে?

মই এই বিষয়টো অতি গুৰুত্ব সহকাৰে মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰো আজিলৈকে যি সকল মানুহক বাঘে মাৰিলে সেইসকলৰ ক্ষতিপূৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

শ্রীচামছুল হুদা ঃ (ৰাজ্যিক বন মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰাগিবী দেৱৰ দৃষ্টি আকর্ষণ কৰা প্রশ্নাৰৰ সন্দর্ভত তদন্ত কৰা হৈছে। হোজাই দিভিজনত তদন্ত কৰাৰ পিচত যিটো ৰিপোৰ্ট কলেক্ট কৰা হৈছে তাত দি, এফ, অ' হোজাইয়ে কৈছে যে ১৭ জন মানুহৰ প্রাণ নাশ হৈছে। তেওঁলোকক টকা পইচা বা এক্সগেচিয়া আদি দিয়াৰ সম্পর্কত চৰকাৰে কিছুমান নীতি নিয়ম বান্ধি দিয়া আছে। পোষ্ট মৰ্টেম বা পুলিচৰ ৰিপোৰ্ট আৰু চার্টিফিকেট আদি সঠিকভাবে নাপালে যধেমধে টকা পইচা দিব নোৱাৰি। কাকী অঞ্চলত আৰু কার্বি আংলংত বাঘে উপদ্রব কৰিছে । কাকী ওৱেষ্ট দিভিজনৰ দি, এফ, অ'ক খবৰ ৰখাৰ বাবে দায়িত্ব দিয়া হৈছে। একেটা বাঘেই তাণ্ডৱলীলা চলাই আছে।

গতিকে অসমৰ বিখ্যাত চিকাৰী জীয়াৰুল ৰহমানক বাঘ ধৰাৰ বাবে নিয়োগ কৰা হৈছে। কিন্তু তাৰ পৰা বাঘ নিৰ্দ্দেশ হৈছে। বাঘে পালে ধৰাৰ বাবে চিফ ৱর্ৰাদেন (ওৱাইল্দ লাইফক) হুকুম দিয়া হৈছে। তাৰোপৰি বাঘ ধৰিব পৰা জনক ৫ হেজাৰ টকা এৰ্ৰাদ দিয়া হব বুলি ঘোষণা কৰাও হৈছে। আমাৰ অধ্যক্ষ মহোদয়কো এই সম্পৰ্কত ব্যক্তিগত ভাবে কৈছো। এইটো এটা চিন্তাৰ বিষয় হৈ পৰিছে। ফৰেষ্ট ৰিজার্ভৰ নিকটবৰ্ত্তী ঠাই বিলাকত থকা ৰাইজৰ ফুৰাচকাত অসুবিধা হৈছে। কাৰণ ল'ৰা-ছোৱালী বিলাক জংঘলত ফুৰা চকা কৰিলে বাঘে আক্রমণ কৰে বা হত্যা কৰে। কিন্তু পষ্টমৰতেম ৰিপোর্ট বা পুলিচৰ সঠিক চার্টিফিকেট পালে ৫ হেজাৰ কৰি টকা দিয়াত অসুবিধা নহয় এই সম্পৰ্কে তদাৰক লোৱা হৈছে আৰু বিষয়টো মোৰ দৃষ্টিগোচৰ হৈছে।

শ্রীআল্লাউদ্দিন সৰকাৰ ঃ এতিয়ালৈকে বাঘে কিমান মানুহ মাৰিলে?

শ্রীমৌলানা আব্দুল জলিল ৰেগিবী ঃ মাননীয় অধ্যক্ষ মহোদয় আশাকৰো মন্ত্রী মহোদয়ে ভালদৰে এটা তদন্ত কৰাৰ ব্যৱস্থা গ্রহণ কৰিব। মন্ত্রী মহোদয়ে কোৱা মতে হোজাইৰ দি, এফ, অ'ই ১৭ জন মানুহ হত্যা কৰাৰ কথা কৈছে। আমি পাৱলিকে জনা মতে ৩৫ জন লোকক হত্যা কৰা হৈছে। গতিকে সঠিক সংখ্যা উলিয়াবলৈ এটা স্বজমীন তদন্ত কৰিব লাগে। দ্বিতীয়তে, দি, এফ, অ'ৰ ৰিপোর্টত ১৭ জন মানুহ হত্যা কৰা হৈছে বুলি কৈছে। এইটো একেদিনাই হোৱা ঘটনা নহয়। কেইবাদিনো ধৰি হত্যা কৰা হৈছে। লংকা হোজাইত বন ৰিবাগৰ যিবিলাক কর্মচাৰী আছে তেওঁলোকে ১৭ জন মানুহ হত্যা কৰাৰ পিচত খবৰ পাই গৈছেনে? তেওঁলোকে আগতে খবৰ পাই ছিলনে নাই? যদিহে পাই ছিল তেনেহলে বাঘ কৰায়ত্ব কৰাৰ বাবে কি কি ব্যৱস্থা লৈছিল?

খবৰ পোৱাৰ পিচতহে চিকাৰী পঠোৱা হৈছিলনেকি? দি,এফ, অ'ই স্বীকাৰ কৰিছে ১৭ জন মানুহক হত্যা কৰা হৈছে। পুলিচৰ ৰিপোৰ্ট অনা বাবে সাধাৰণ ৰাইজৰ অসুবিধাও হ'ব পাৰে। গতিকে দি, এফ, অ'ই তেওঁলোকৰ মৰাণোত্তৰ পৰীক্ষা ব্যৱস্থা বা পুলিচৰ ৰিপোৰ্ট অনাৰ ব্যৱস্থ কৰিবনে?

মাননীয় অধ্যক্ষ ঃ মাননীয় ৰাগিবী চাহাবে যিটো প্ৰশ্ন তুলিছে সেইটো অতি চিন্তাৰ্ বিষয় হৈ পৰিছে। মোৰ সমষ্টিটো বহুতো মানুহ এফেকটেদ হৈছে। এই সম্পৰ্কে মই মন্ত্ৰী মহোদয়কো কৈছো আৰু বিভাগকো কৈছো। অৱশ্যে কিছু অসুবিধা আছে। যিবিলাক অঞ্চলত বাঘে মানুহ হত্যা কৰিছে সেই ঠাইবিলাক থানাৰ পৰা ১৫/২০ কিলোমিটাৰ দূৰত। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ ওপৰত খেয়াল ৰাখিব। যিবিলাক মানুহৰ ৰিৰ্পোট পাইছে সেইবিলাকেও টকা পোৱা নাই। প্ৰতি বছৰে ৮/১০ জন মানুহ বাঘৰ দ্বাৰা হত্যা হৈ আছে।

শ্ৰীমৌলানা আব্দুল জলিল ৰেগিবী ঃ এজন মানুহ কোনোবাই হত্যা কৰা বুলি শুনিলে পুলিচ দৌৰী যায় ---।

Mr. Speaker : I have discussed everything with the Minister concerned as well as with the Department to take appropriate action, after that we will see to it. So, some action has been taken. We should ensure that the victims get ex-gratia.

Now item No. 5 Hon'ble Minister, Parliamentary Affairs to move the motion for introduction of the Bill.

INTRODUCTION OF GOVERNMENT BILLS.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): I beg leave to introduce 'The Assam Ministers', Ministers' of State and Deputy Minister's Salaries and Allowances (amendment) Bill. 1995.

Mr. Speaker : Is it the pleasure of the House to Grant leave to introduce the Bill?

(Voices .. Yes, Yes)

Here is a message from Shri Loknath Misra, Hon'ble Governor of Assam, Rajbhavan Dtd. Feb. 11. 1995 "Under the provision of Article 207 (i) of the Constitution of India, I, Loknath Misra. Governor of Assam, recommend the introduction of the Assam Ministers' of State and Deputy Ministers' Salaries and allowances (Amendment) bill, 1995 in the Assam Legislative Assembly." Loknath Mishra Governor of Assam.

Now Hon'ble Minister, Parliamentary Affairs to introduce the Bill.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): I beg leave to introduce 'The Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995."

Secretary, Assam Legislative Assembly : "The Assam Ministers", Ministers' of State and Deputy Ministers' Salaries and allowances (Amendment) Bill, 1995.

Mr. Speaker : Item No. 6 Hon,ble Minister, Parliamentary Affairs to move the motion for introduction of the Bill.

Shri Golok Rajbanshi (Minister, Parliamentary Affairs): I beg leave to introduce 'The Assam Speakers' Salaries and Allowances (Amendment) Bill, 1995.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the Bill?

(Voices ... Yes ... Yes)

: Leave is granted.

There is a message from the Governor of Assam, Raj Bhavan, Guwahati dated February 11, 1995 - "Under the provision of Article 207 (1) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction of the Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995 in the Assam Legislative Assambly".

Now Hon'ble Minister, Parliamentary Affairs to introduce the Bill.

Shri Golak Rajbonshi (Minister, Parliamentary Affairs) :

I beg leave to introduce 'The Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995'

(Secretary, Assam Legislative Assembly : "The Assam Speaker's Salaries and Allowances (Amendment) Bill, 1995.)

Mr. Speaker : Now item No.7. Hon'ble Minister, Parliamentary Affairs to move the. motion for introduction of the Bill.

Is it the pleasure of the House to grant leave to introduce the Bill :

(voices ... yes .... yes)

Leave is granted.

There is a message from the Governor of Assam Raj Bhavan, Guwahati dated February 11, 1995 "Under the provision of Article 207 (i) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction of the Assam Deputy Speaker's Salaries and Allowances (Amendment) Bill, 1995 in the Assam Legislative Assembly."

Now Hon'ble Minister, Parliamentary Affairs to introduce the Bill.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): I beg leave to introduce "The Assam Deputy Speake's Salaries and Allowances (Amendment) Bill, 1995."

(Secretary, Assam Legislative Assembly, 'The Assam Deputy Speaker's Salaries and Allwances (Amendment) Bill, 1995.)

Mr. Speaker : Now item No.8 Hon'ble Minister, Parliamentary Affairs to move the motion for introduction of the Bill.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): I beg leave to move the motion for introduction of the Bill.

Mr. Speaker : Is it the pleasure of the House to grant leave to introduce the bill.

(voices .. yes.... yes)

Leave is granted.

There is a message from the Governor of Assam, Raj Bhavan, Guwahati dated February 11, 1995 "Under the provision of Article 207 (i) of the Constitution of India, I, Loknath Mishra, Governor of Assam, recommend the introduction of the Salary and Allowances of the leader of the Opposition in the Assam Legislative Assembly (Amendment) Bill, 1995."

Now Hon'ble Minister, Parliamentary Affairs to introduce the Bill.

Shri Golok Rajbongshi (Minister, Parliamentary Affairs): I beg leave to introduce "the Salary and Allowances of the Leader of Opposition in the

Assam Legislative Assembly (Amendment) Bill, 1995."

(Secretary, ALA : The Salary and Allowances of the Leader of Opposition in the Assam Legislative Assembly (Amendment) Bill, 1995.)

Mr. Speaker : Now debate on Governor's address.

DEBATE ON GOVERNOR'S ADDRESS.

Mr. Speaker : I have received as many as nine notices of amendments to the Motion of thanks to the Governor's Address moved by the Hon'ble Member Shri Hiranya Bora, MLA on 15th March, 1995.

* Dr. Zoii Nath Sarmah :- Mr. Hon'ble Speaker Sir, I would like to move the motion of thanks on the Governor's address moved by Sri Hiranya Bora, MLA. The Hon'ble Governor in his address has miserably failed to let the House know to maintian the peace and amity among the people of the ethinic group of the State. এই বিধানসভাৰ মাননীয় সদস্য শ্ৰীহিৰণ্য বৰাই প্ৰস্তাৱকৰা ৰাজ্যপালৰ ভাষনৰ ওপৰত ধন্যবাদ সুচক প্ৰস্তাৱৰ অন্তত তলত দিয়া সংশোধনী প্ৰস্তাৱ যোগ দিয়া হওক ঃ-

"কিন্তু ৰাজ্যখনত বৰ্ত্তমান চৰকাৰৰ দিনত চৰকাৰী পৃষ্ঠপোষকতাত চলা হত্যা, লুণ্ঠণ, অপহৰণ, দুৰ্নীতি স্বজনপ্ৰীতি; পুলিচ অতিচাৰ,

*Speech not corrected.

মন্ত্রীৰ ভ্রষ্টাচাৰআদি ৰাজ্যপালৰ ভাষণত উল্লেখ নকৰি ইচ্ছাকৃত ভাৱে ৰাজ্যপাল মহোদয়ে একপক্ষীয় ভাবে চৰকাৰৰ যে ঢোল বজাইছে। জনসাধাৰণৰ জলন্ত সমস্যা সমূহ সদনত ৰাজ্যপাল মহোদয়ে সদনক অৱগত নকৰিলে।"

*Dr. Kamala Kalita : - Mr. Speaker Sir, that at the end of the Motion of thanks on the Governor's Address moved by Shri Hiranya Bora the following be added :-

i) The Governor's Address fails to reflect the actual law and order situation preveiling in the State.

ii) The Address fails to mention about the protection of Forest and Wild Life.

iii) The Address fails to reflect the development works of the State.

*Shri Parameswar Brahma : Mr. Speker Sir, that at the end of the Motion of Thanks on the Governor's Address moved by Shri Hiranya Bora the following be added :-

"The operation of Assam Panchayati Ran Act, 1994 be withdrawn from the Bodoland Autonomous Council Areas "in para 2 of page - 4 under Bodo Accord"

That at the end of the Motion of Thanks on the

*Speech not corrected

Governor's Address moved by Shri Hiranya Bora the following be added :-

"A campus of Guwahati University be immediately started at Kokrajhar and Bodo Department be opened in the Guwahati Univesity under the Head Education in the Second Para of page - 14".

*Shri Jew Ram Boro : Mr. Speaker Sir, that at end of the Motion of thanks on the Governor's Address moved by Shri Hiranya Bora the following be added :

"In the 15th (Fifteenth) page at the end of 2nd para the State Government please to sanction Rs. 20 (twenty) lacs to construct a missing bridge on the road Kalaigaon-Khoirabari over Nonoi River under 65 No. Kalaigaon Constituency, Darrang District".

*Shri Promode Gogoi : Mr. Speaker Sir, that at the end of the Motion of thanks on the Governor's Address moved by Shri Hiranya Bora the following be added :-

"But regret to state that the Governor's Address fails to highlight the following real and burning problems of the State :-

i) Deterioration of law and order situation,

---

*Spech not Corrected

ii) Violation of Human rights,

iii) Unprecedented financial crisis,

iv) Uprecedented corruption in the Administration

v) Politicalisation of the whole administration the benefit of the ruling party, &

vi) Atrocities on Minorities".

*Shri Chandra Mohan Patowary : Mr. Speaker Sir, that at the end of the Motion of thanks on the Governor's Address moved by Shri Hiranya Bora the following be added :-

i). Total failure of Law and order situation in Assam.

ii) Failure to maintain Communal Harmony in the State.

iii) Failure of any sort of Development works in Assam in any sector in the interest of people.

*Shri Sasha Kamal Handique : Mr. Speaker sir, that at the end of the Motion of the Governor's Address moved by Shri Hiranya Bora the following be added :-

"During this period the law and order situation of the State did not improve rather dateriated further though the Government has misused

---

*Speech not corrected

T.A.D., E.S.M.A. etc. using against the opposition political and Trade Union leaders and cadres curtailing all civil rights of the people of the state and total failure in economic front, fail to check corruption and price rise etc."

*Shri Dewan Joynal Abedin :- Mr. Speaker sir, that at the end of the Motion of thanks on the Governor's address moved by Sri Hiranya bora the following be added :-

But regret that the Governor's address fails to mention :

(a) The miserable failure of the State to maintain peace and harmony among the people of different communities and ethnic groups of the State.

(b) That the Government has encouraged all shades of divisive forces and disrupted the social fabrics of unity among the people to an extent that even the geographical entity of the present State of Assam is being threatened.

(c) That the Government is continuously harassing the people-particularly the religious and linguistic minority people of the State, in the name of preparation of an electoral roll by fresh intensive

---

*Speech not corrected.

revision.

(d) That it has failed to include the names of over 9 lakhs of genuine Indian citizens of minority communities in the Electoral Rolls finalised in 1994.

(e) That it has encouraged rampant corruption in all walks of life and

(f) That it has practised blantant discrimination in administration and shamelessly denied the legitimate democratic rights and privileges of the elected representatives of the people of opposite parties."

I now want to have the feelings of the movers as to whether all the movers desire to move their amendments one by one or whether on behalf of the other movers. If agreed, I shall call upon one member whose name appears first in the list of movers to move the amendment motion one by one.

Mr. Dy. Speaker :- Now, I call upon the Hon'ble Member Sri Hiranya Bora to initiate the Debate on the Governor's Address :-

*শ্রীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক এটা প্রস্তাৱ এই পবিত্র সদনত মাননীয় সদস্যসকলৰ সমর্থনৰ কাৰণে দাঙি ধৰিছিলো। অধ্যক্ষ

* Spech not Corrected

মহোদয়, ৰাজ্যপালৰ ভাষণত যোৱা বছৰ আৰু এই বছৰৰ কৰণীয় যিখিনি কাম, ৰাজ্যখনৰ যিটো সামগ্ৰীক পৰিস্থিতি তাৰ প্ৰতিচ্ছবিখন দাঙি ধৰিছে। (উপাধ্যক্ষ মহোদয়ে অধ্যক্ষ মহোদয়ৰ আসন গ্ৰহণ কৰে)। এই ক্ষেত্ৰত উপাধ্যক্ষ মহোদয় ৰাজ্যপালে তেখেতৰ প্ৰথম ভাষণত আইন শৃংখলাৰ পৰিস্থিতিৰ সম্পৰ্কত ৰাজ্যখনত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়ে এটা প্ৰতিচ্ছবি দাঙি ধৰিছে উপাধ্যক্ষ মহোদয় আমি এই পবিত্ৰ সদনৰ মজিয়াত যি আলোচনা বা সমালোচনা নকৰো সদনৰ পৰা যদি বাহিৰলৈ যায় আমি যদি নিজকে প্ৰশ্ন কৰো এটা কথা আমি স্বীকাৰ নকৰি নোৱাৰো যে এনে এটা দিন গৈছিল যিটো দিনত ৰাজ্যখনৰ মানুহ ইফালে সিফালে গলে ঘৰলৈ ঘুৰি আহিব নে নাহে সেই সন্দেহৰ ভাৱে মানুহৰ মাজত আছিল। আনকি আমি এটা কথাই জানো যে সন্ধিয়া পোহৰ শেষ হোৱাৰ আগে আগে নগৰ চহৰ গাওঁ-ভুইত দোকান পোহাৰ বন্ধ কৰি মানুহ যেতিয়া ঘৰলৈ গৈছিল তেতিয়া ৰাষ্টাত মানুহ পোৱা নাছিল। উপাধ্যক্ষ মহোদয়, কিন্তু এতিয়া এটা কথা দেখিছে যে আজি শান্তিৰ পৰিবেশ গঢ়িবৰ বাবে চেষ্টা এটা চলিছে আৰু সেই পৰিবেশ আহিছে। উপাধ্যক্ষ মহোদয়, স্কুলৰ পৰা অপহৰণ কৰি নিয়া কথাটো নতুন নহয়। হেমৰাম কেওঁতৰ কথাটোওঁ নতুন নহয়। এই গোটেইবোৰ কথাৰ প্ৰক্ৰিয়া আৰম্ভ আপোনালোকক নিজকলৈয়ে। এই প্ৰক্ৰিয়া কংগ্ৰেছ চৰকাৰৰ দিনত আৰম্ভ হোৱা নাই। এই প্ৰক্ৰিয়া আৰম্ভ হৈছে আপোনালোকৰ দিনত, আপোনালোকৰ নেতৃত্বত। এই কথাখিনি যদি খোলাখোলি ভাৱে কোৱা হয়, তেন্তে আপোনালোকৰ নিজৰ বাবেই আমি এই সদনত কবলৈ বাধ্য হ'ম। উপাধ্যক্ষ মহোদয়, এটা প্ৰশ্ন হৈছে যে আমি বিৰোধী দলত থাকোতে চৰকাৰৰ পক্ষত সেইসকল আছিল। তেখেতসকলক আমি সমালোচনা কৰিছিলো যে, পুলিচ

সক্রীয় হৈছে, তেতিয়া তেখেত সকলক প্রশ্ন কৰিছিলো। যি মূহূর্ত্তত পুলিচ সক্রীয় হৈছে, তেতিয়া এই বিৰোধী পক্ষই দাবী কৰিছে যে পুলিচৰ অত্যাচাৰ হৈছে। এতিয়া পুলিচে কৰিব কি? পুলিচে কাম কৰিলে অতিশয্যা কৰা বুলি পুলিচক সমালোচনা কৰিব, এতিয়া আমাৰ চৰকাৰে কৰিব কি? এটা কথাত ধন্যবাদ দিব লাগিব, পুলিচে সক্রিয়তাৰ জৰিয়তে কার্য্যত সন্ত্রাসবাদ দমন কৰিবৰ কাৰণে, ৰাজ্যখনত শান্তি-শৃংখলা অনাৰ কাৰণে চেষ্টা চলাইছে, নিৰপেক্ষ ভাৱে। কিন্তু অতিশয্যা হোৱাৰ কথা আপোনালোকে আমাৰ চৰকাৰ নিৰবে থকা নাই। চৰকাৰে আপোনালোকৰ প্রতি সন্মান জনাই, ৰাইজৰ প্রতি সন্মান জনাই, বাতৰি কাকতৰ প্রতি সন্মান জনাই অনুসন্ধান কৰাইছে। এই অনুসন্ধানৰ ৰিৰ্পোট যদিওঁ এতিয়া আহি পোৱা নাই। যেতিয়া সময়ত দাখিল হব। সেইখিনি চাই-চিতি কথাখিনি প্রকৃতার্থত ধৰিব পৰা হ'ব। কিন্তু তাৰ আগতে কথাখিনি সমালোচনা নকৰাই ভাল হব বুলি ভাৱো। প্রধান কথা হৈছে ৰাজ্যখনত চলাই যোৱা অর্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিৰ পৰিবর্ত্তন ঘটাব নোৱাৰিলে, ভৱিষ্যতে আমাৰ বংশধৰ সকলে এদিনো শান্তিৰে কটাব নোৱাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, বিগত বছৰ কেইটালৈ গলে এটা কথা আহি পৰে যে অসম চুক্তিৰ কথাটো। বিদেশী বিতাৰণৰ ক্ষেত্রত অসম চুক্তিৰ বিষয়ে কি হল। বিদেশী বিতাৰণৰ সমস্যা সমাধানৰ ক্ষেত্রত বিৰোধী দলৰ দলপতি শ্রী মহন্ত ডাঙৰীয়াই বিধান সভাৰ যোগেদি হওক প্রেছ বিজ্ঞপ্তিৰ যোগে বিদেশী বিতাৰণৰ কৰাৰ কথা কলে, কার্য্য ক্ষেত্রত কি হ'ল। আচল কথা হল ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈকে যি বিদেশী আছে বিতাৰণৰ ক্ষেত্রত কি হব, মই কওঁ যে আই,এম, ডি, টি, এক্টখনে বাধা দিছে।

বিদেশী বিতাৰণ সময়ে সময়ে ১৯৫০ চনৰ পৰা হৈ আহিছে। এতিয়া দেখা গৈছে যে অসমত বিদেশীৰ ক্ষেত্ৰত দুটা ভাগ হৈছে। সেই দুভাগৰে এটা ভাগক ইয়াত ৰাখিব লাগে আৰু আনটো ভাগক ইয়াৰ পৰা খেদাব লাগে। ১৯৮৫ চনৰ এতিয়ালৈকে সমস্যা হৈ আছে, এতিয়া উত্তৰ তাৰ কোনে দিব, উত্তৰ কোনোৱে দিব নোৱাৰে। প্ৰধান কথা হৈছে এই সমস্যাটো জীয়াই ৰাখি নতুন সমস্যাৰ সৃষ্টি কৰা হৈছে। ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈ যি বিদেশী আছে সেই বিদেশীৰ কথা কোনে কব। তেওঁ লোকক ৰাখিব লাগে নে খেদিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষত থাকিলে সমালোচনা কৰিব পৰা যায়। আজি যি সকলে সমালোচনা কৰিছে শাসনৰ গাদীত থাকি তেওঁলোকে আজি বিৰোধী পক্ষৰ পৰা সমালোচনা কৰিছে। আজি বিদেশী সমস্যাৰ লগতে আৰু কিছু সমস্যাৰ কথা আছে যেনে স্বায়ত্ব শাসন, জাতি, উপজাতিৰ যি বিলাক সমস্যা থাকে সেইবোৰ সমাধান কৰিব লাগিব। এই সমস্যা বিলাক সমাধান কৰিবলৈ হলে গঠন মূলক বা সৃষ্টি মূলক হব লাগিব আৰু বিৰোধী পক্ষৰো এইটো দায়িত্ব। এতিয়া আমি উযাহ সলনী কৰাব পৰা হৈছো বড়ো চুক্তি সমাধান কৰি। এই চুক্তি সমাধান হোৱাৰ আগলৈকে ৰেলেৰে যাবলৈ ভয় লগা হৈছিল। কোকৰাঝাৰ হৈ যোৱাটো চিন্তাৰ বিষয় আছিল। আজি সেই দিন নাই যে চিনেমাহলৰ পৰা ঘুৰি অহাটো চিন্তাৰ বিষয়। উপাধ্যক্ষ মহোদয় আজি ৰাজ্যখনৰ বাতাবৰণ কিছু পৰিমানে হলেও উন্নত হৈছে যিটো 'কমিওনেল হাৰমনী' উন্নত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য সকলে বহু ক্ষেত্ৰত দাবী কৰে চি বি আইৰ এনকুৱাৰী। চি বি আইয়ে অনুসন্ধান কৰিবলৈ সময় লাগিব। চি বি আইৰ দ্বাৰা নিষ্পতি

কৰিবলৈ ললে মুহূর্ত্তত কৰিব নোৱাৰে। বিৰোধী পক্ষই চি বি আইক দিলে কয় সদন কমিতি আৰু সদন কমিতিক দিলে কয় চি বি আইক দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, যদি কোনো কামক হালধীয়া চচমাৰে চোৱা যায় তেতিয়া নিশ্চয় তাক হালধীয়া ৰঙৰ দেখা যাব। ঘোৰা দৌৰ যেতিয়া হয় ঘোৰা বিলাকৰ চকুত বান্ধি দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয় আজি যি সমস্যাৰ সৃষ্টি হৈছে সেই সমস্যাৰ সন্মুখীন হবলৈ আমি সক্ষম হৈছো। এই সমস্যা বিলাক উগ্রবাদীৰ সমস্যা। বর্ত্তমান যি উগ্রবাদীৰ সমস্যা ইয়াত আছে ইয়াৰ ইন্ধন কোনে যোগাইছে?

উপাধ্যক্ষ মহোদয়, আমি আজি এটা কথা জানি ভাল পাইছো যে আমাৰ ছাত্র সকলে উদ্যোগপতি সকলক অসমলৈ আহ্বান জনাইছে। আজি ছাত্র সস্থাৰ নেতৃবৃন্দই অসমৰ সামগ্রীক পৰিস্থিতিৰ কথা ভালকৈ উপলদ্ধি কৰিব পাৰিছে আৰু তেওঁলোকে এইটোও উপলদ্ধি কৰিছে যে ৰাজ্যখনত শান্তি প্রতিস্থা নহলে কোনো উদ্যোগ নহব আৰু তাৰ ফলত ৰাজ্যখনৰ কোনো উন্নতি নহব আৰু নিবনুৱা সমস্যা সমাধান নহব। সেই কাৰণে মই আমাৰ ছাত্র সকলৰ এই মহোভাবক অভিনন্দন জনাইছো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ উন্নতিৰ কাৰণে যথেষ্ট উন্নয়ণ মূলক কামৰ কথা উল্লেখ কৰা হৈছে আৰু সেইমতে আমাৰ চৰকাৰেও অর্থনৈতিক উন্নয়নৰ দিশত যথেষ্ট কাম হাতত লৈছে। কিন্তু এই খিনিতে আমি এটা কথা চাব লগীয়া হৈছে যে এই চৰকাৰে শাসনৰ ভাৰ লোৱাৰ পিচত যি চাৰি হাজাৰ কোটি টকাৰ ধাৰৰ বোজা লব লগা হৈছিল আজি সেই ধাৰ প্রায় শেষ হৈ আহিছে আৰু মই

বিদেশী বিতাৰণ সময়ে সময়ে ১৯৫০ চনৰ পৰা হৈ আহিছে। এতিয়া দেখা· গৈছে যে অসমত বিদেশীৰ ক্ষেত্ৰত দুটা · ভাগ হৈছে। সেই দুভাগৰে এটা ভাগক ইয়াত ৰাখিব লাগে আৰু আনটো ভাগক ইয়াৰ পৰা খেদাব লাগে। ১৯৮৫ চনৰ এতিয়ালৈকে সমস্যা হৈ আছে, এতিয়া উত্তৰ তাৰ কোনে দিব, উত্তৰ কোনোৱে দিব নোৱাৰে। প্ৰধান কথা হৈছে এই সমস্যাটো জীয়াই ৰাখি নতুন সমস্যাৰ সৃষ্টি কৰা হৈছে। ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈ যি বিদেশী আছে সেই বিদেশীৰ কথা কোনে কব। তেওঁ লোকক ৰাখিব লাগে নে খেদিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষত থাকিলে সমালোচনা কৰিব· পৰা যায়। আজি যি সকলে সমালোচনা কৰিছে শাসনৰ গাদীত থাকি তেওঁলোকে আজি বিৰোধী পক্ষৰ পৰা সমালোচনা কৰিছে। আজি বিদেশী সমস্যাৰ লগতে আৰু কিছু সমস্যাৰ কথা আছে যেনে স্বায়ত্ব শাসন, জাতি, উপজাতিৰ যি বিলাক সমস্যা থাকে সেইবোৰ সমাধান কৰিব লাগিব। এই সমস্যা বিলাক সমাধান কৰিবলৈ হলে গঠন মূলক বা সৃষ্টি মূলক হব লাগিব আৰু বিৰোধী পক্ষৰো এইটো দায়িত্ব। এতিয়া আমি উষাহ সলনী কৰাব পৰা হৈছো বড়ো চুক্তি সমাধান কৰি। এই চুক্তি সমাধান হোৱাৰ আগলৈকে ৰেলেৰে যাবলৈ ভয় লগা হৈছিল। কোকৰাঝাৰ হৈ যোৱাটো চিন্তাৰ বিষয় আছিল। আজি সেই দিন নাই যে চিনেমাহলৰ পৰা ঘুৰি অহাটো চিন্তাৰ বিষয়। উপাধ্যক্ষ মহোদয় আজি ৰাজ্যখনৰ ·বাতাবৰণ কিছু পৰিমানে হলেও উন্নত হৈছে যিটো 'কমিওনেল হাৰমনী' উন্নত হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ সদস্য সকলে বহু ক্ষেত্ৰত দাবী কৰে চি বি আইৰ এনকুৱাৰী। চি বি আইয়ে অনুসন্ধান কৰিবলৈ সময় লাগিব। চি বি আইৰ দ্বাৰা নিষ্পতি

কৰিবলৈ ললে মুহূর্ত্তত কৰিব নোৱাৰে। বিৰোধী পক্ষই চি বি আইক দিলে কয় সদন কমিতি আৰু সদন কমিতিক দিলে কয় চি বি আইক দিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, যদি কোনো কামক হালধীয়া চচমাৰে চোৱা যায় তেতিয়া নিশ্চয় তাক হালধীয়া ৰঙৰ দেখা যাব। ঘোৰা দৌৰ যেতিয়া হয় ঘোৰা বিলাকৰ চকুত বান্ধি দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয় আজি যি সমস্যাৰ সৃষ্টি হৈছে সেই সমস্যাৰ সন্মুখীন হবলৈ আমি সক্ষম হৈছো। এই সমস্যা বিলাক উগ্রবাদীৰ সমস্যা। বর্ত্তমান যি উগ্রবাদীৰ সমস্যা ইয়াত আছে ইয়াৰ ইন্ধন কোনে যোগাইছে?

উপাধ্যক্ষ মহোদয়, আমি আজি এটা কথা জানি ভাল পাইছো যে আমাৰ ছাত্র সকলে উদ্যোগপতি সকলক অসমলৈ আহ্বান জনাইছে। আজি ছাত্র সন্থাৰ নেতৃবৃন্দই অসমৰ সামগ্রীক পৰিস্থিতিৰ কথা ভালকৈ উপলদ্ধি কৰিব পাৰিছে আৰু তেওঁলোকে এইটোও উপলদ্ধি কৰিছে যে ৰাজ্যখনত শান্তি প্রতিস্থা নহলে কোনো উদ্যোগ নহব আৰু তাৰ ফলত ৰাজ্যখনৰ কোনো উন্নতি নহব আৰু নিবনুৱা সমস্যা সমাধান নহব। সেই কাৰণে মই আমাৰ ছাত্র সকলৰ এই মহোভাবক অভিনন্দন জনাইছো।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ উন্নতিৰ কাৰণে যথেষ্ট উন্নয়ণ মূলক কামৰ কথা উল্লেখ কৰা হৈছে আৰু সেইমতে আমাৰ চৰকাৰেও অর্থনৈতিক উন্নয়নৰ দিশত যথেষ্ট কাম হাতত লৈছে। কিন্তু এই খিনিতে আমি এটা কথা চাব লগীয়া হৈছে যে এই চৰকাৰে শাসনৰ ভাৰ লোৱাৰ পিচত যি চাৰি হাজাৰ কোটি টকাৰ ধাৰৰ বোজা লব লগা হৈছিল আজি সেই ধাৰ প্রায় শেষ হৈ আহিছে আৰু মই

ভাবো আমাৰ চৰকাৰৰ ভাবো আমাৰ চৰকাৰৰ দিনতে এই ধাৰৰ বোজা শেষ হব। এই ধাৰৰ বোজা কংগ্রেছ চৰকাৰৰ দিনতে হোৱা নাছিল। আজি অসমৰ ৰাইজ যথেষ্ট জ্ঞানী হৈছে। অসমৰ ৰাইজে এটা সময়ত এ,জি,পি, চৰকাৰৰ শাসন ভাৰ দি তেওঁলোকৰ পৰা কি পালে সেইটো ভালদৰে উপলদ্ধি কৰিয়েই তেওঁলোকক শাসনৰ গাদীৰ পৰা ওফৰাই কংগ্রেছক পুনৰ ক্ষমতালৈ আনিলে। অসমৰ ৰাইজে কংগ্রেছ দলক শাসনত এই কাৰণেই বহুৱাইছিল যে তেওঁলোকে শান্তি বিচাৰে আৰু এই শান্তি কেৱল কংগ্রেছ চৰকাৰেহে দিব পাৰিব বুলি আশা কৰিছিল। সেই কাৰণে আমি কংগ্রেছ দলেও এই শান্তি প্রতিস্থা কৰাত দৃঢ়প্রতিজ্ঞা আৰু আমি ৰাইজৰ আগত প্রতিশ্রুতিবদ্ধ যে আমি যি কোনো উপায়ে অসমত শান্তি ৰক্ষা কৰিম।. এই বাৰ্ ৰাজ্যপালৰ ভাষণত সকলো স্তৰৰ বিষয়কে সন্নিবিষ্ট কৰা হৈছে আৰু বিশেষকৈ নিবনুৱা সকলক কর্ম্মসংস্থান দিয়াৰ বিষয়ে উল্লেখ কৰিছে। তাৰ বাহিৰেও মহিলা সকলৰ উন্নয়নৰ কাৰণে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে। শিশু সকলৰ কাৰণেও ৰাজ্যপালৰ ভাষণত ব্যৱস্থা সন্নিবিষ্ট কৰা । অসম চুক্তিৰ আধাৰত সাংস্কৃতিক দিশত শংকৰদেৱ কলাক্ষেত্রকে ধৰি কেইবাটাও বিষয়ত ব্যৱস্থা লোৱাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। কৃষিৰ ক্ষেত্রতো কৃষক সকলৰ উন্নতিৰ কাৰণে যথেষ্ট গুৰুত্ব দিয়া হৈছে। ৰাজ্যপাল ভাষণত আৰু এটা কথা বিশেষকৈ উল্লেখ কৰা হৈছে যে আমাৰ ৰাজ্য খনে বছৰি ৭০০ কোটি টকা পৰিমাণৰ খাদ্য শস্য অসমৰ বাহিৰৰ পৰা আনিব লগা হোৱা কথাটোও উল্লেখ কৰিছে। এই ক্ষেত্রত আমি কেনেকৈ স্বাৱলম্বী হব পাৰো তাৰ কাৰণেও আমাৰ চৰকাৰে বিভিন্ন দিশত ব্যৱস্থা ব্যৱস্থা হাতত লোৱাৰ কথা উল্লেখ আছে আৰু সেইমতে আমি কৃষিৰ ক্ষেত্রত কেনেকৈ স্বাৱলম্বী হব পাৰো তাৰ কাৰণে এই চৰকাৰে যথেষ্ট ব্যৱস্থা হাতত লৈছে। এই খিনিতে মই এটা কথা উল্লেখ কৰিব

খুজিছো যে ইয়াৰ আগতে যি সকলে সুদীর্ঘ ছয় বছৰ আন্দোলন কৰিলে অসমক বিদেশীৰ কবলৰ পৰ ৰক্ষা কৰাৰ কাৰণে, যি সকলে স্বাৱলম্বী হবলৈ সেই সকল আজি কলৈ গ'ল? সেই সময়ত বহুতে জোতা পালিচ কৰিলে, বহুতে মাল কঢ়িওৱা বিহাৰী লোক সকলক খেদি নিজে মাল কঢ়িওৱাৰ কামো কৰিলে। কিন্তু আজি সেই স্বাৱলম্বী লোক সকল ক'লৈ গ'ল? আজি ৰাতিপুৱা বাতৰি কাকত যোগান ধৰা মানুহ জনৰ পৰা আৰম্ভ কৰি ৰিক্সা চলোৱা, গাখীৰ দিয়া, জোতা পালিচ কৰা আদি সকলো লোকেই অসমৰ বাহিৰৰ লোক। আমি আগৰ চৰকাৰখনৰ দিনত এটা কথাই দেখিলো- সেইটো হ'ল ঃ - কাম নকৰাকৈ টকা ঘটাৰ সংস্কৃতি। এই সংস্কৃতিতো তেওঁলোকেই সৃষ্টি কৰি গ'ল। তেওঁলোকৰ দিনত মানুহ পুৱা গধুলি বাহিৰলৈ ওলাব নোৱাৰা হ'ল। সেই কাৰণে আমি এটা কথা উপলব্ধি কৰা উচিত যে যেতিয়ালৈকে আমাৰ ৰাজ্যখনত শান্তিৰ পৰিবেশ ঘুৰি নাহে, যেতিয়ালৈকে আমাৰ ৰাজ্যখনৰ মানুহে নিজৰ ভৰিৰ ওপৰত ঠিয় হৰ নোৱাৰে তেতিয়ালৈকে আমাৰ ৰাজ্যখনৰ কেতিয়াও উন্নতি নহব।

উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে সন্ত্রাসবাদৰ কথা উল্লেখ কৰিছে। কিন্তু এই সন্ত্রাসবাদৰ কথা কবলৈ যোৱাৰ আগতে তেওঁলোকে নিজকে এবাৰ সুধি চোৱা ভাল। আজি কেইদিন মান আগতে আমাৰ এজন উচ্চ পর্য্যায়ৰ বিষয়াৰ ৮ বছৰীয়া ল'ৰা এজন কোনোবাই অপহৰণ কৰিছে। এই ক্ষেত্রত তেওঁলোকে চৰকাৰকে জগৰীয়া কৰিছে কিন্তু মই কবলৈ হলে এনেবোৰ ঘটনাত যদি তেওঁলোক জড়িত আছে তেনেহলে আমিও জড়িত আছো। গতিকে তেওঁলোকে কেৱল সকলো কথাতে চৰকাৰকে জগৰীয়া কৰি থাকিলে নহব। আমি ৰাজ্যখনৰ সমস্যা সমূহ সমাধান কৰিবলৈ ইয়ালৈকে আহিছো।

আমি যিখিনি সময় পাইছো সেইখিনি হেমাহী কৰি থাকিলে নহব। আমি ইতিহাসক কেতিয়াও পাহৰি যোৱাটো ঠিক নহব। ইতিহাস বৰ নিৰ্ম্মম। ই কেতিয়াও আমাক ক্ষমা নকৰে।

উপাধ্যক্ষ মহোদয়, মই মোৰ বক্তৃতা আৰু দীঘলীয়া কৰিব বিচৰা নাই। মই বিৰোধী পক্ষৰ মাননীয় সদস্য সকলক এটা কথাই অনুৰোধ কৰিব খুজিছো যে আমাৰ ৰাজ্যপালৰ ভাষণত যিখিনি কথা সন্নিবিষ্ট কৰা হৈছে সেইখিনি ৰূপায়নৰ কাৰণে চৰকাৰৰ লগত তেওঁলোকেও যেন সহায় সহযোগ আগবঢ়াই আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ধন্যবাদ সূচক প্ৰস্তাৱত সমৰ্থন জনায়। এইখিনিকে কৈ ৰাজ্যপালৰ ভাষণক পূৰ্ণ সমৰ্থন জনায় মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr Deputy Speaker : Now hon'ble Member Anowar Hussain will speak.

শ্ৰীযতীন মালী ঃ চাৰ, যিখন কাৰ্য্যবিৱৰণী ওলাইছে সেইমতে দিলে ভাল হয়।

Dr. Kamala Kalita : Sir, this is not right. After the mover of the mover of amendments should be asked to speak on first priority and then others. This is the procedure.

মাননীয় উপাধ্যক্ষ ঃ কবলৈ দিয়ক, তাৰপিচত হব। আগতে মই কবলৈ কৈছো।

শ্ৰীআনোৱাৰ হুচেইন ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট ১৯৯৫ চনৰ অধিবেশত সাংবিধানিক দায়িত্ব মতে মাননীয় ৰাজ্যপাল

লোকনাথ মিশ্র ডাঙৰীয়াই পোন্ধৰ মার্চ তাৰিখে তেখেতৰ অভিভাষণত উপস্থাপন কৰিছে আৰু তাৰ ওপৰত আমাৰ মাননীয় সদস্য শ্রী হিৰণ্য বৰা ডাঙৰীয়াই আজি এটা ধন্যবাদসূচক প্রস্তাৱ উপস্থাপন কৰিছে। এই প্রস্তাৱৰ সমর্থনত মই দুষাৰমান্ কবলৈ বিচাৰিছো। সামগ্রিক ভাবে ৰাজ্যপাল মহোদয়ে তেখেতৰ অভিভাষণত ৰাজ্যখনৰ বর্ত্তমান অৱস্থা আৰু চৰকাৰৰ বিভিন্ন উন্নয়ণ মূলক আচঁনি সমূহৰ গোটেইখিনি সুন্দৰ ভাবে প্রতিফলন ঘটাইছে। থূলমূল ভাবে আইন শৃংখলাৰ বিষয়ে ইয়াত আলোচনা কৰিছে। ৰাজ্যপাল ডাঙৰীয়াই এই কথা কোৱা নাই যে অসমত সম্পূর্ণৰূপে আইন শৃংখলা শান্তি শৃংখলা বিৰাজ কৰিছে। বিৰোধী দলৰ মাননীয় সদস্য সকলক এই সর্ম্পকত এই কথা কব বিচাৰিছো যে ৰাজ্যপাল মহোদয়ে কৈছে যে 'ষ্টেটচ ল এন্ড অর্ডাৰ চিটুয়েশ্বন ইম্প্রভচ্ ডিউৰিং লাষ্ট ইয়েৰ'। কিন্তু সম্পূর্ণ ভাবে শান্তি শৃংখলা প্রতিষ্ঠিত হৈছে বুলি কোৱা নাই। বিক্ষিপ্ত ভাবে কিছু ঘটনা ঘটিছে। মাননীয় সদস্য হিৰণ্য বৰা ডাঙৰীয়াৰ ভাষণৰ মাজতে বিৰোধী দলৰ সদস্য এগৰাকীয়ে অলপ বাস্তৱ কথা এষাৰ কৈছে। সাত বছৰীয় ল'ৰাকো অপহৰণ কৰিছে।

(ভইচ ঃ স্কুললৈ ল'ৰা-ছোৱালী যাবলৈ ভয় কৰা হৈছে।)

মাননীয় উপাধ্যক্ষ ঃ আপুনি কৈ যাওঁক।

শ্রীআনোৱাৰ হুচেইন ঃ উপাধ্যক্ষ মহোদয়, বিশেষকৈ অগপ দলৰ পৰা যি সংশোধনী আগবঢ়াইছে তাতে দেখা গৈছে তেখতসকলৰ মুঠ চৈধ্য জন সদস্যৰ সকলোৱে সংশোধনী আগবঢ়াইছে। এই ক্ষেত্রত তিনিটা সংশোধনী আগবঢ়াইছে। মাননীয় সদস্য শ্রীজয়নাথ শর্ম্মাৰ নামত যিটো সংশোধনী তেখেতসকলৰ দলৰ নেতা মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্তৰ নামত দিয়া সংশোধনীটো সেই ধৰণে কোৱা নাই। আকৌ মাননীয়া সদস্য ডাঃ কমলা কলিতাৰ নামত দিয়া সংশোধনীত সেই ধৰণে নাই। আকৌ মাননীয়া সদস্য ডাঃ কমলা কলিতাৰ

নামত দিয়া সংশোধনীত সেই ধৰণে নাই। তেখেতসকলৰতেখেতসকলৰ মাজৰ পৰা অহা তিনিটা সংশোধনীৰ ক্ষেত্ৰত দেখা যায় যে নিজৰ মাজতে এই অৱস্থা। অৰ্থত তেখেতসকলৰ দলীয় বিডিং সঠিক ভাবে নিশ্চত কৰিবলৈ ব্যৰ্থ হৈছে। এইটো কথা কোনো লোকে মানি লব নোৱাৰে যে চৰকাৰে চৰকাৰী উদ্যোগত হত্যাকাণ্ড আৰু অপহৰণ হে কৰিছে। কিন্তু এই কথাটোকে এগৰাকী মাননীয় সদস্যই কৈ আহিছে যে চৰকাৰী ভাবে এইটো কৰা হৈছে। আনটো সংশোধনীত আকৌ মাননীয় সদস্য ডাঃ কমলা কলিতা আৰু পাঁচ গৰাকী সদস্যই কৈছে । ইংৰাজীত-

মই ভাবো ইয়াৰ দ্বাৰা একো কথা কোৱা নহল। উপাধ্যক্ষ মহোদয়, আইন-শংংখলা, শান্তি-শৃংখলাৰ. কথা অসমতেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ কাৰণে উদ্বেগজনক হৈ পৰিছে। অসমতো এটা জলন্ত সমস্যাৰ পৰা লাহে লাহে শান্তি-শৃংখলা লাহে লাহে আগবাঢ়ি আহিছে। আমাৰ ওচৰৰ ৰাজ্য পশ্চিম বঙ্গৰ মুখ্যমন্ত্রীয়ে এইবাৰ বাজেট অধিবেশনৰ যোৱা ৯ তাৰিখে এটা প্রশ্নোত্তৰত কৈছে যে 'সাৰা ভাৰতে খুনেৰ সংখ্যা বেড়েছে। ১৯৯০ থেকে ১৯৯৪ এই পাচঁ বচৰতে ৰাজ্যে ৮৬১ জন খুন হয়েছেন। ধর্ষণেৰ ঘটনা ঘটেছে ৩০২৯ টি। ডাকাটিৰ ঘটনা ঘটেছে ২৭৮২ টি। পুলিশী হাফাজতে শেখ আজাদেৰ মৃত্যু হয়েছে। আনন্দ বাজাৰ পত্রিকা ১০-৩-৯৫ তাৰিখেৰ মতে ১৯৭৭ থেকে ১৯৯২ পর্য্যন্ত লকআপে মৃত্যুৰ সংখ্যা ২১৪ ।" পশ্চিম বঙ্গ আমাৰ নিচেই ওচৰতে আছে আৰু তাৰ শান সামগ্রিক ভাবে সকলো ৰাজ্যই সমীহ কৰে। কিন্তু পশ্চিমবঙ্গ য'ত সম্পূর্ণ শান্তি বিৰাজ কৰিছে তাতেই এই অৱস্থা যেতিয়া আমাৰ ৰাজ্যপাল মহোদয়ে সঠিক ভাবেই কৈছে যে শান্তি শৃংখলাৰ পৰিস্থিতি লাহে লাহে যোৱা বছৰৰ তুলনাত বহুত ভাল হৈছে। সম্পূর্ণ ভাল হৈছে বুলি কোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া আহিছো অসম চুক্তি সম্পর্কত। ১৯৮৫ চনত. ঐতিহাসিক অসম চুক্তি স্বাক্ষৰিত হ'ল। তাৰ পিচত অসম গণ পৰিষদ ক্ষমতালৈ আহিল। তেওঁলোকে প্ৰায় ৫ বছৰ কাল ৰাজ্যখন চলালে। প্ৰায় ৭০০ শ্বহীদৰ তেজেৰে লিখিত অসম চুক্তি ৰূপায়ণৰ দায়িত্ব অসম গণ পৰিষদ চৰকাৰৰ ওপৰত পৰিল। অসম চুক্তি ৰূপায়ণৰ দায়িত্ব ৰাইজে আছু এ, জি, পিক দিলে। ১৭ আগষ্ট/ ৯০ -- ইংৰাজীত -

Are you listening Mr. Prime Minister and Mr. Chief Minister ? AASU -

Pointing finger to Prafulla Kumar Mahanta, AASU said,

Are you aware that 5 year have elapsed since signing of the Assam Accord ?

You have buried the Action Plan signed by Chief Secretary of Assam and Union Home Secretary on 27.1.90 to implement the Assam Accord.

Should we congretulate you as Heads for your Total Failure to implement the Assam Accord? Please remember that your betrayal will only make the democratic forces of the State more desperate.

Here is a public record of your failure.

এতিয়া অসম চুক্তিৰ ৫-২ ৰ গোটেই কথা, ৯-২ লৈ যিখিনি কথা অসম চুক্তিত আছে সেইখিনি কথা কৰ বিচাৰিছো। অ,গ,পৰ ৫ বছৰ শাসন কালত আশোক পেপাৰ মিল, আই, আই, টি গোটেই কথাটো কৰাৰ কথা আছিল। এতিয়া ৰাজ্যপালৰ ভাষণত অসম চুক্তি ৰূপায়ণৰ যি দাবী কৰা হৈছে সেই ক্ষেত্রত মই ভাবো যে অসম চুক্তি সম্পূর্ণ ভাবে ৰূপায়ণ কৰিবলৈ যিখিনি বাকী আছে সেইখিনি এই চৰকাৰে ১ বছৰ তিনি মাহত কৰিবলৈ সক্ষম হব । এই চৰকাৰে নির্ৱাচনী ইস্তাহাৰত প্রতিশ্রুতি দিছিল যে অ.গ.প. চৰকাৰে অসম চুক্তি ৰূপায়ণত ব্যর্থ হৈছে। আমি সেইখিনি কৰিম। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রত কংগ্রেছ চৰকাৰে দায়িত্ব পালন কৰিছে। বড়ো চুক্তিক অসমৰ সকলো স্তৰৰ মানুহে অভিনন্দন জনাইছে। আৰু শেহতীয়া ভাবে ৰাভা হাজং চুক্তিও এই চৰকাৰে কৰিলে। এই চৰকাৰে ৰাইজৰ উন্নতিৰ কাৰণে সকলো কৰিছে সেইটো প্রমাণিত হৈছে। যেতিয়া অসম চুক্তি স্বাক্ষৰিত হ'ল তেতিয়া কিছুমান ৰাজনৈতিক নেতা যেনে গোলাম ওচমালি, অব্দুল হক আদিয়ে কোৱা আমাৰ মনত আছে যে অসম চুক্তি মানে সংখ্যালঘুৰ কবৰ। ১৯৮৫ চনৰ পৰা ১৯৯৩-৯৪ চনলৈকে যিসকল মানুহ ভীতিগ্রস্ত হৈছিল সেই সকল মানুহে আজি বুজি পাইছে যে অসম চুক্তিত সকলো শ্রেণীৰ মানুহৰ কাৰণে মংগলজনক চুক্তি হৈছে । গোলাম ওচমানি আব্দুল হকে অসম চুক্তিৰ বিৰোধিতা কৰিছিল তেখেতসকলে বড়ো চুক্তিৰো বিৰোধিতা কৰিছে। এই সকলো বিলাক কাম অসমৰ ৰাইজৰ উন্নতিৰ কাৰণে কৰা হৈছে। ইয়াত দুখীয়া শ্রেণীৰ ৰাইজৰ কাৰণে বা যিসকল চিৰদিন অৱহেলিত হৈ আছে। সেই সকলৰ কাৰণে জনকল্যাণ মুখি আচঁনিৰ কথা আলোচনা কৰা হৈছে। মই ভাবো এই সম্পর্কে বৰ বেচি

কোৱাৰ প্ৰয়োজন নাই। কেৱল মই এটা কথাই চৰকাৰক সকীয়াই দিব খোজো যে জনকল্যাণমুখি আচঁনি লোৱাটো যিমান সহজ ৰূপায়ণ কৰাটো সিমান সহজ নহয়। যেনেকৈ অ,গ,প, চৰকাৰে অসম চুক্তি কৰোতে সহজ ভাবে লৈছিল কিন্তু ৰূপায়ণ কৰোতে ব্যর্থ হ'ল। মই ভাবো আমাৰ চৰকাৰে সকলো আচঁনি সুকলমে ৰূপায়ণ কৰিব পাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া আহো কৃষিৰ কথালৈ কৃষিৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন এখন ডেফিচিত ৰাজ্য। আমি জানো যে আমাৰ ৰাজ্যখনক খাবলৈ প্ৰায় ৪০ লাখ মেট্ৰিক টন খাদ্য শষ্যৰ প্ৰয়োজন। মাননীয় ৰাজ্যপালৰ ভাষণত দেখিবলৈ পাইছো যে যোৱা বছৰ ৩৫,৫ লাখ মেট্ৰিক টন আছিল। ইয়াৰ বিপৰিতে ৩ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। তথাপিও খাদ্যৰ ক্ষেত্ৰত যে আমি চেলফ চাফিচিয়েন্ট নহয় সেইটো কথা কোৱা হৈছে। সেই কাৰণে কৃষিৰ ক্ষেত্ৰত ৰাজ্যখনে আত্মনিৰ্ভৰশীল হবলৈ যি ব্যৱস্থা গ্ৰহণ কৰা উচিত সেইখিনি ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত যোৱা বাৰৰ তুলনাত এই বছৰ যথেষ্ট উন্নতি হৈছে। এই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ আছে। ইণ্ডাষ্ট্ৰিৰ ক্ষেত্ৰত, শিল্পৰ ক্ষেত্ৰত আজি সদনত আলোচনা হল, যি কোনো দলৰ চৰকাৰেই নাথাকক সকলো চিন্তা কৰি ৰাজ্যখনৰ অৰ্থনৈতিক দিশত কেনে উন্নতি হব, ৰাইজৰ কেনে কাম কাজত সুবিধা পাব চাব লাগিব। যেতিয়া কোনো বোৰ্ড বা কৰপোৰেশ্বন হয় যাৰ কাৰণে বোৰ্ডে লোকচান ভৰিবলগীয়া হয়। আজি আসাম ফাইনেনচিয়েল কৰপোৰেশ্বন আৰু এ, এম, ডি,চি, এই দুয়োটাতে মাত্ৰ ৭ লাখ লাভ দেখুৱাইছে বাকী বিলাকত দেখা গৈছে ১৩ শ কোটি টকাৰ অধিক

লোকচানৰ ঘৰত গৈ আছে। অশোক পেপাৰ মিলৰ কৰ্ম্মচাৰী ইয়াত আছে, এই ক্ষেত্ৰত যি নীতি লোৱা হৈছে এইটো সঠিক পদক্ষেপ লোৱা হৈছে। এই ক্ষেত্ৰত মই ভাবো চৰকাৰে গোটেইখিনি কথা পৰ্য্যালোচনা কৰিব আৰু যিমান সোনকালে সম্ভৱ শিল্পৰ বিষয়ে এটা কাৰ্য্যক্ষম ব্যৱস্থা গ্ৰহণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই ধুবুৰী জিলাৰ কথা উল্লেখ কৰিম। ধুবুৰী জিলাখনত যি চৰকাৰেই নহওঁক অবহেলাৰ চকুৰে চায়। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল। সেই সন্ধিৰ পিচত গোৱালপাৰা জিলা পোন প্ৰথমবাৰৰ বাবে অসমৰ লগত অনা হল আজিও আছে। ১৯০৬ চনত বঙ্গ বিভাজন হল। ঢাকাক ৰাজধানী কৰা হল, মানিক চন্দ্ৰ বৰুৱা ঢাকা বিধান সভাৰ সদস্য আছিল। তেতিয়াৰ এটিচুড আজিও আছে। এটা ভাল ধৰণৰ ইণ্ডাষ্ট্ৰি নাই, কোনো চৰকাৰে আজিলৈ কোনো ইণ্ডাষ্ট্ৰি কৰি নাপালে। ধুবুৰী জিলাখন বাংলাদেশ বুলি ভবা হয় নেকি? বিলাসীপাৰাত এটা চাব ট্ৰেজাৰী অফিচ হব ১৯৯২ চনতে প্ৰস্তাৱ হল, কিন্তু ৰিজাৰ্ভ বেংকে কলে যে বাংলাদেশৰ বোৰ্ডাৰৰ ৮০ কিলো মিটাৰৰ ভিতৰে আছে, গতিকে তাত চাব ট্ৰেজাৰী নহয়। আমি হাত সাবতি বহি আছো। উন্নয়ণৰ দিশত ধুবুৰী জিলাৰ কথা খিনি সঠিক ভাবে উপলব্ধি কৰি ব্যৱস্থা লোৱা নাই। ভৱিষ্যতে এইখন জিলাৰ কাৰণে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয় সেইটো অনিশ্চিত হৈ আছে। মই আশা কৰিছো চৰকাৰে বিশেষ ভাবে ধুবুৰী জিলাৰ কথাটো চিন্তা কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু বেছি বক্তব্য নাৰাখো, সদৌ শেষত বিৰোধী পক্ষত যিটো সংশোধনী প্ৰস্তাৱ আনিছে তাক উঠাই লব বুলি মই আশা ৰাখিছো আৰু মাননীয় সদস্য

হিৰণ্য বৰুৱা ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছে তাক সমৰ্থন কৰিব বুলি আশা ৰাখি ধন্যবাদ সূচক প্ৰস্তাৱক সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : I now call upon Dr. Kamala Kalita

